● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি চন্দ্ৰটো দেখুৱাবলৈ যেতিয়া চন্দ্ৰলৈ আঙুলি টোঁৱাই, তেতিয়া চন্দ্ৰলৈ চোৱাৰ সলনি মূৰ্খকেইটাই আপোনাৰ আঙুলিটোলৈহে চায়।

মাও চে তুং
*চীনৰ ৰাষ্ট্ৰনেতা*




www.dainikagradoot.in

৭ দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ ৪৩১ শতাংশ বৃদ্ধি
১৫ প্ৰথম টেষ্টত ভাৰতৰ দুৰ্বল আৰম্ভণি
৪ উগ্ৰবাদৰ সমস্যা আৰু মুখ্যমন্ত্ৰীৰ আশা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৯তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৯ পুহ ১৪২৮ ভাস্কৰাব্দ ৪ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 4 January 2022 মূল্য ঃ ৯.০০ টকা

## জনহিতৈষী কথা

■ সঞ্জীৱ সভাপণ্ডিত



'জনহিতৈষী পুথিভঁৰাল' নামৰ এটা পুথিভঁৰালৰ জন্ম হৈছে অসমত— লখিমপুৰৰ ফালে। দুটামান শাখাও সৃষ্টি হৈছে। মাজুলীতো এটা হৈছে— ড° কুমুদ চন্দ্ৰ বৰাৰ নামত। তেওঁ পৃথিৱী বিখ্যাত কৃষি বিজ্ঞানী আছিল। ড° হোমী জাহাংগীৰ ভাবা, নৰমান বৰল'গ আদি বৰেণ্য বিজ্ঞানীৰ লগত একেলগে তেওঁৰ নাম লোৱা যায়।

কিতাপ-পত্ৰ নপঢ়িলে যে মানুহ সৃষ্টি নহয়, সেইটো যে কিছুমান মানুহে ১০ পৃষ্ঠাত চাওক

■ দুলীয়াজানত দ্বিতীয়খন আৰক্ষী অধীক্ষক সন্মিলন ■ ৰাজ্যত ব্যক্তিগত নিৰাপত্তাৰক্ষীৰ প্ৰয়োজন নোহোৱা পৰিৱেশৰ সৃষ্টি কৰিব পাৰিব লাগিব ■ মুকলি আহ্বান মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## জনতাৰ কাষত থিয় দিয়ক আৰক্ষীয়ে



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিব্ৰুগড়/দুলীয়াজান, ৩ জানুৱাৰী ঃ** 'সৰ্বসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বন্ধুত্বসুলভ মানসিকতাৰে অসম আৰক্ষীয়ে জনতাৰ কাষত সদায়ে থিয় দিব লাগিব, কিন্তু একে সময়তে শূন্য সহনশীল নীতিৰে সকলো প্ৰকাৰৰ অপৰাধীৰ বিৰুদ্ধে কঠোৰ স্থিতিও গ্ৰহণ কৰিব লাগিব।' দুলীয়াজানত আজি এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অসম আৰক্ষীত সংস্কাৰ সাধনৰ দিশত এক নতুন মাত্ৰা অন্বেষণৰ অংশৰূপে মুখ্যমন্ত্ৰীয়ে আজি তৈলনগৰী দুলীয়াজানত অসমৰ সকলো জিলাৰ আৰক্ষী অধীক্ষকসকলৰ দ্বিতীয়খন সন্মিলন উদ্বোধন কৰে। গুণগত মানৰ অনুসন্ধান আৰু ফলপ্ৰসূতাৰে গোচৰ নিষ্পত্তি প্ৰক্ৰিয়াত সফলতা আৰক্ষী বাহিনীৰ মূল চাবিকাঠী বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ নাগৰিকসকলৰ বিৰুদ্ধে সংঘটিত সকলো প্ৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দিবলৈ আৰক্ষীক আহ্বান জনায়। উদ্বোধনী ভাষণত ড° শৰ্মাই কয় যে ছমাহৰ আগতে কাজিৰঙাত ১০ পৃষ্ঠাত চাওক

■ মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মালিকৰ ভিডিঅ' ভাইৰেল

## তেওঁৰ মূৰ বেয়া হৈছে! মোদীৰ সম্পৰ্কত শ্বাহৰ ভাষ্যক লৈ চাঞ্চল্য



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৯ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি অপমানজনক মন্তব্য কৰিছিল নেকি গৃহমন্ত্ৰী অমিত শ্বাহে? মূৰৰ বিকৃতি ঘটা বুলি কৈছিল নেকি মোদীক? মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মালিকৰ স্পষ্টীকৰণ মতে এনে ঘটনা ঘটা নাই। গৃহমন্ত্ৰী শ্বাহে প্ৰধানমন্ত্ৰীৰ প্ৰতি কোনো ধৰণৰ অসন্মান প্ৰদৰ্শন কৰা নাই। দৰাচলতে এই প্ৰশ্নৰ সূত্ৰপাত ঘটে মালিকৰ ভাইৰেল হৈ পৰা এটা ভিডিঅ'ৰ ১০ পৃষ্ঠাত চাওক

■ লাডাখৰ হ্ৰদত সাজিলে দলং ঃ সহজ হ'ব সৈন্য-অস্ত্ৰ সৰবৰাহ ■ সীমান্তত নতুন উত্তেজনাৰ সৃষ্টি ■ টিয়েনানমেন স্কোৱেৰত উৰুওৱা পতাকা পহিলা জানুৱাৰীত উত্তোলন বিতৰ্কিত সীমান্তত

# গালৱানত উৰুৱালে চীনা পতাকা



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ জানুৱাৰী ঃ** ভাৰত-চীন সীমান্তৰ বিতৰ্কিত গালৱান উপত্যকাত পহিলা জানুৱাৰীত উৰিল চীনা পতাকা। দুই ৰাষ্ট্ৰৰ মাজত সীমান্ত বিবাদৰ উত্তেজনা দীৰ্ঘদিন ধৰি অব্যাহত থকাৰ মাজতে সীমান্তৱৰ্তী গালৱান উপত্যকাত চীনা সেনাই দেশৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চীনৰ চৰকাৰী টুইটাৰযোগে এই সম্পৰ্কীয় এক ভিডিঅ' প্ৰচাৰ কৰাত তুমুল বিতৰ্কৰ সৃষ্টি হৈছে। অৱশ্যে ভাৰতীয় সেনাৰ সূত্ৰত প্ৰকাশ যে যি স্থানত চীনৰ পতাকা উৰিছে সেয়া বিতৰ্কিত অঞ্চলৰ পৰা আঁতৰত। চীনৰ চৰকাৰী টুইটাৰত এইদৰে উল্লেখ কৰা হয়, '২০২২ৰ নৱবৰ্ষৰ দিনা গালৱান উপত্যকাত চীনৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হৈছে। এই ৰাষ্ট্ৰীয় পতাকা অতি বিশেষ কিয়নো বেইজিঙৰ টিয়েনানমেন স্কোৱেৰত ইয়াক উত্তোলন কৰা হৈছিল।' ভিডিঅ'ত দেখা গৈছে যে চীনৰ এখন পতাকা আংশিকভাৱে বৰফাবৃত পাহাৰীয়া অঞ্চলত উত্তোলন কৰা হৈছে। ওচৰতে থিয় হৈ আছে সশস্ত্ৰ বাহিনীৰ বহুসংখ্যক সদস্য। ২০২০ৰ জুনত গালৱান নৈয়ে পাক লোৱা যি অঞ্চলত ভাৰত-চীনৰ সংঘৰ্ষ হৈছিল সেই আঠ পৃষ্ঠাত চাওক



১৫-১৮ৰ বাবে প্ৰতিষেধক প্ৰদান মুকলি

## ১০ জানুৱাৰীৰ পৰা ক'ভিড যোদ্ধা-জ্যেষ্ঠ নাগৰিকক তৃতীয় পালি

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ৩ জানুৱাৰী ঃ** 'আজিৰ দিনটো ক'ভিড-১৯ৰ বিৰুদ্ধে দীঘলীয়া যুঁজখনৰ আৰু এক নিৰ্ণায়ক দিন। টীকাকৰণেই ক'ভিডৰ বিৰুদ্ধে অমোঘ অস্ত্ৰ।' এই মন্তব্য ১০ পৃষ্ঠাত চাওক

## ছাত্ৰীৰ আত্মহত্যাৰ ঘটনাত জেৰা অধ্যক্ষাক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** মহানগৰীৰ দিছপুৰ আৰক্ষী থানাৰ অধীনস্থ ওদালবাক্ৰা আৰক্ষী চকীৰ অন্তৰ্গত মডাৰ্ণ ইংলিছ স্কুলৰ পঞ্চম মহলাৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰী জিনজিৰী দেউৰীয়ে জঁপিয়াই আত্মহত্যা কৰা ঘটনাৰ গোচৰত আজি বিদ্যালয়ৰ আঠ পৃষ্ঠাত চাওক

## ৰাজ্যত পুনৰ এদিনতে দুগুণলৈ বৃদ্ধি ক'ভিড আক্ৰান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** দেশৰ অধিকাংশ ৰাজ্যত অ'মিক্ৰনৰ সংক্ৰমণে উদ্বেগজনক ৰূপ ধাৰণ কৰাৰ সময়তে অসমত আকস্মিকভাৱে বৃদ্ধি পালে ক'ভিড আক্ৰান্তৰ সংখ্যা। অসমত কালিতকৈ আজি প্ৰায় দুগুণ বৃদ্ধি হয় আক্ৰান্ত আঠ পৃষ্ঠাত চাওক

তিনি মহানগৰৰ ৭৫ শতাংশ আক্ৰান্ত অ'মিক্ৰনত সংক্ৰমিত ■ এই পৰ্যন্ত ১৭শ আক্ৰান্তৰ তথ্য

## দেশত ক'ভিডৰ তৃতীয় ঢৌ আৰম্ভ ঃ টাস্ক ফ'ৰ্চৰ মুৰব্বী



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ জানুৱাৰী ঃ** অ'মিক্ৰন প্ৰজাতি দ্ৰুততাৰে বিয়পি পৰাৰ ফলত দেশত আৰম্ভ হৈছে ক'ভিড অতিমাৰীৰ তৃতীয় ঢৌ। এই দাবী কৰিলে দেশৰ ভেকচিন টাস্ক ফ'ৰ্চৰ মুৰব্বী ডাঃ এন কে অৰোৰাই। আজি ডাঃ অৰোৰাই সংবাদ মাধ্যমৰ আগত কয় যে দেশৰ বৃহৎ চহৰসমূহত ব্যাপক হাৰত অ'মিক্ৰনত আক্ৰান্তৰ তথ্য পোৱা গৈছে। ইয়াৰ ভিত্তিতে তৃতীয় ঢৌ দেশত আছাৰ খাই পৰা বুলি তেওঁ দাবী কৰে। উল্লেখ্য যে নৱেম্বৰত দক্ষিণ আফ্ৰিকাত ধৰা পৰা কৰ'নাৰ নতুন প্ৰজাতি আঠ পৃষ্ঠাত চাওক

গীতৰ লগতে ভূপেন হাজৰিকাৰ আত্মজীৱনীয়েও বাংলাদেশত তুলি আহিছে খলকনি

■ চৰাইৰ দৰে পৰিসীমা নাই কিতাপৰো ■ প্ৰতিদিনে উন্মোচন হৈছে বৃহৎসংখ্যক গ্ৰন্থ

## গ্ৰন্থমেলাত বাংলাদেশৰ গ্ৰন্থকাৰৰ সমাদৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** চৰাইৰ দৰে কিতাপৰো পৰিসীমা নাই। গুটি গুটি আখৰেৰে ছপা হোৱা কিতাপৰ পৃষ্ঠাৰ ফুৰফুৰীয়া গোন্ধ সেয়ে বিশ্বজনীন। সাত সাগৰ তেৰ নদী পাৰ হৈ একোখন কিতাপে ভ্ৰমি ফুৰে দেশ দেশান্তৰ। আখৰবোৰে বহন কৰা জ্ঞান আৰু আনন্দৰ সোৱাদ লয় পঢ়ুৱৈয়ে। ভাষা কেতিয়াবা হেঙাৰ হ'লেও সেয়া অস্থায়ী। চলিত অসম গ্ৰন্থমেলাতো তাৰেই প্ৰকাশ ঘটিছে। গ্ৰন্থমেলাস্থলীত সুদূৰ ঢাকাৰ পৰা আহি জাপ জাপ কিতাপেৰে সুগন্ধি বিলাইছে কে'বাটাও প্ৰতিষ্ঠানে। বিশেষ অসুবিধাবশতঃ গ্ৰন্থমেলা আৰম্ভ হোৱাৰ দুদিন পাছত অৰ্থাৎ কালিৰ পৰাহে ঢাকাৰ তিনিটা অভিজাত প্ৰকাশন প্ৰতিষ্ঠানে অংশ ল'ব পাৰিছে। আৰু কালি প্ৰথম দিনটোতে সন্তোষজনক সংখ্যক কিতাপ বিক্ৰী কৰিবলৈ সক্ষম ১০ পৃষ্ঠাত চাওক



■ সভাপতি-সম্পাদকে গুৰুত্ব নিদিয়াৰ অভিযোগ ■ কৰ্মচাৰীৰ প্ৰতিবাদৰ বাবেই বন্ধ হৈ থাকিল গ্ৰন্থমেলাৰ বিপণীও

## চাৰি মাহে দৰমহা নাই সাহিত্য সভাৰ কৰ্মচাৰীৰ, প্ৰৱেশদ্বাৰত প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** চাৰি মাহে দৰমহা নাই অসম সাহিত্য সভাৰ ৩৯জনকৈ কৰ্মচাৰীৰ। এই সন্দৰ্ভত 'কৰ্মচাৰী কল্যাণ সমিতি'ৰ তৰফৰ পৰা নৱেম্বৰ আৰু ডিচেম্বৰত সাহিত্য সভাৰ



সভাপতি কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদৱ শৰ্মাক দুখনকৈ পত্ৰ প্ৰদান কৰিছিল যদিও তেওঁলোকে তালৈ কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগত আজি মহানগৰীৰ অসম সাহিত্য আঠ পৃষ্ঠাত চাওক

লখিমপুৰৰ মুখ্য কাৰ্যালয়তে মৃতদেহ উদ্ধাৰ

টোকাত তিনি আটাছু নেতাৰ মানসিক অত্যাচাৰৰ কথা উল্লেখ ■ হত্যাৰ অভিযোগ পৰিয়ালৰ

## আটাছুৰ উপদেষ্টা হিটলাৰ দিহিংগীয়াৰ আত্মহত্যাক কেন্দ্ৰ কৰি ৰহস্যৰ সৃষ্টি



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৩ জানুৱাৰী ঃ** সদৌ অসম তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ কেন্দ্ৰীয় উপদেষ্টা, প্ৰাক্তন সভাপতি, প্ৰাক্তন সাধাৰণ সম্পাদক তথা উন্নয়ন পৰিষদৰ সদস্য হিটলাৰ দিহিংগীয়াই যোৱা নিশা সংগঠনটোৰ পেটুকাজান মুখ্য কাৰ্যালয় চৌহদত চিপ লৈ আত্মহত্যা কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি ১০ পৃষ্ঠাত চাওক

## নুমলীগড়ত পুনৰ হাতীৰ গচকত দুজনৰ থিতাতে মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ৩ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ নুমলীগড় অঞ্চলত পুনৰ দুজন লোকে বনৰীয়া হাতীৰ গচকত প্ৰাণ হেৰুৱাব লগা হৈছে। সম্প্ৰতি বৃহত্তৰ অঞ্চলটোত হাতী-মানুহৰ সংঘাতে চৰম সীমা অতিক্ৰম কৰিছে। হাতীৰ গচকত এজনৰ পাছত আঠ পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১১° |
| দিল্লী | ২১° | ০৮° |
| কলকাতা | ২৪° | ১৪° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ২৯° | ২৩° |
| বাংগালুৰু | ২৭° | ১৬° |
| শ্বিলং | ১৭° | ০৬° |

*৩ জানুৱাৰী, ২০২২*

■ ৰাজ্যজুৰি ১৫-১৮ বছৰৰ বয়সলৈ ক'ভিড প্ৰতিষেধক প্ৰদান অভিযান আৰম্ভ ■ প্ৰথমদিনাই ৯০ হেজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰদান ■ মহানগৰীত কেন্দ্ৰ মুকলি কৰিলে স্বাস্থ্যমন্ত্ৰী মহন্তই

## পৰীক্ষাৰ পূৰ্বেই প্ৰতিষেধক সম্পূৰ্ণৰ লক্ষ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত আজি ১৫-১৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰী, কিশোৰ-কিশোৰীক ক'ভিডৰ প্ৰতিষেধক কাৰ্যসূচী আৰম্ভ কৰা হয়। দুলীয়াজানত মুখ্যমন্ত্ৰীয়ে এই কাৰ্যসূচী মুকলি কৰাৰ বিপৰীতে গুৱাহাটীৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ক'ভিড প্ৰতিষেধক মুকলি কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। আনহাতে, জিলাই জিলাই মন্ত্ৰী-বিধায়কৰ উপস্থিতিত আৰম্ভ কৰা এই কাৰ্যসূচীৰ প্ৰথমদিনাই প্ৰতিষেধক লয় ৯০ হেজাৰৰো অধিকে। এই বয়স সীমাই সামৰি লোৱা ৰাজ্যৰ ছাত্ৰ-ছাত্ৰী তথা কিশোৰ-কিশোৰীসকলক ক'ভিড প্ৰতিষেধক প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে ১০ পৃষ্ঠাত চাওক



## মৰিগাঁৱত ধানকলত সোমাই এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ৩ জানুৱাৰী ঃ** ধানকলত সোমাই এজন লোকৰ মৃত্যু হোৱা ঘটনাই আজি মৰিগাঁৱৰ হালধিবাৰীত শোকৰ ছাঁ পেলায়। মৰিগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত হালধিবাৰী গাঁৱত থকা 'মা মীনা ৰাইচ মিল' নামৰ প্ৰতিষ্ঠানটোত এই আঠ পৃষ্ঠাত চাওক



*মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ স'তে মন্ত্ৰী পীযুষ হাজৰিকা, শ্বিলঙত সোমবাৰে।*

## চেঙা তেল



*মাস্কহে পিন্ধিছো, হাত বান্ধি থোৱা নাই নহয়! মোৰ ভাগটো দিয়া!*

বঙাইগাঁও চহৰৰ মাজমজিয়াত পুৱতি নিশা দুৰ্বৃত্তৰ দুঃসাহসিক কাণ্ড

## এটিএম ভাঙি লুটি নিলে ৪০ লাখ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ৩ জানুৱাৰী ঃ** বঙাইগাঁও চহৰৰ মাজমজিয়াৰ বৰপাৰাত যোৱা নিশা এছবিআইৰ এটিএম ভাঙি চোৰে প্ৰায় ৪০ লাখ টকা লুট কৰি নিয়ে। চহৰখনৰ বৰপাৰাস্থিত চি কে হোটেল এণ্ড ৰেষ্টুৰেণ্ট সংলগ্ন ভাৰতীয় ষ্টেট বেংকৰ এটিএমত নিশা তিনিমান বজাত চুৰিকাণ্ড সংঘটিত হয়। পুৱা এটিএমৰ ধন চুৰিৰ ঘটনাটো পোহৰলৈ আহে। ঘটনাস্থলীত উপস্থিত হৈ ভাৰতীয় ষ্টেট বেংক বিষয়াই জনোৱা মতে, একেলগে থকা এটিএম দুটাত ৪০ লক্ষাধিক টকা আছিল। আঠ পৃষ্ঠাত চাওক

## ১৭ লেচা মাটিৰ বাবেই প্ৰাণ হেৰুৱালে তিনিজনে

**কলগাছিয়া, ৩ জানুৱাৰী ঃ** ভূমি বিবাদক কেন্দ্ৰ কৰি হোৱা মাৰপিটত গুৰুতৰভাৱে আহত হোৱা জনীয়া বংলীপাৰাৰ এজন লোকৰ কালি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ফলত এবছৰৰ ব্যৱধানত মাত্ৰ ১৭ লেচা মাটিৰ বাবে প্ৰাণ হেৰুৱালে গাঁওখনৰ এটা পৰিয়ালৰ তিনিজন সদস্যই। পৰিয়ালকেন্দ্ৰিক ১০ পৃষ্ঠাত চাওক

■ 'দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে শান্তিপূৰ্ণ সমাধানৰ পোষকতা কৰিছে'

## মেঘালয়ৰ মুখ্যমন্ত্ৰীক সীমাৰ চৰজমিন তদন্তৰ প্ৰতিবেদন দাখিল মন্ত্ৰী পীযুষৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জানুৱাৰী ঃ** মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা আৰু অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ মাজত দুই ৰাজ্যৰ সীমা বিবাদ সমাধানৰ বিষয়ক লৈ শ্বিলঙত এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত আজি উপস্থিত থাকে মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী প্ৰিষ্টন টিনচং তথা দুই ৰাজ্যৰ বিষয়াসকল। বৈঠকত ৰাজ্য দুখনৰ কামৰূপ মেট্ৰ' আৰু ৰি'ভই জিলাৰ মাজৰ সীমা সমস্যা সমাধানৰ বাবে গঠন কৰা সমিতিৰ প্ৰতিবেদন বিনিময় কৰা হয় বুলি টুইটাৰত প্ৰকাশ কৰে মুখ্যমন্ত্ৰী চাংমাই। দুই ৰাজ্যৰ সমিতিৰ প্ৰতিনিধিসকলে প্ৰস্তুত কৰে এই প্ৰতিবেদন।

বৈঠকত মন্ত্ৰী হাজৰিকাই দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ সদিচ্ছাৰ বাবে ৰাজ্য দুখনৰ মাজৰ সীমা সমস্যাৰ সোনকালেই স্থায়ী সমাধান হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে, তদন্তৰ প্ৰতিবেদন প্ৰস্তুতৰ ক্ষেত্ৰত অঞ্চলকেইটাৰ স্থানীয় আঠ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী ৪ জানুৱাৰী, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

# বিভাজনেৰে জনজাতিকৰণ গুৰুত্বহীন নকৰিবলৈ সকীয়নি

## মুখ্যমন্ত্ৰীৰ বক্তব্যক সমালোচনা তাই আহোম যুৱ পৰিষদৰ


বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৩ জানুৱাৰী ঃ** নতুন বছৰৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈছে তাই আহোম যুৱ পৰিষদ (টাইপা)। টাইপাৰ সম্পাদক দিগন্ত তামুলীয়ে আজি শিৱসাগৰ প্ৰেছ *ছয় পৃষ্ঠাত চাওক*

# বৰপেটাৰোডত উদ্বোধন আঠিয়াবাৰী মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ৩ জানুৱাৰী ঃ** বৰপেটাৰোড চহৰৰ পুৰণি নাম আছিল আঠিয়াবাৰী আৰু এই আঠিয়াবাৰীৰ অতীত সুঁৱৰি বৰপেটাৰোড ডেভেল'পমেণ্ট ফ'ৰামৰ উদ্যোগত কালিৰে পৰা অনুষ্ঠিত হৈছে দ্বিতীয় বাৰ্ষিক আঠিয়াবাৰী মহোৎসৱ-২০২২। উক্ত মহোৎসৱৰ মুখ্যদ্বাৰ মুকলি কৰি অসম অনুসূচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ জয়ন্ত কুমাৰ দাসে কয়, 'জনবিন্যাসে আমাৰ ৰীতি-নীতিক সোঁৱৰাই দিয়াৰ লগতে উৎসৱে আমাৰ মাজত থকা *ছয় পৃষ্ঠাত চাওক*




# লক্ষীপুৰত ৰাজহ চক্ৰ বিষয়াক উৎকোচ দিবলৈ গৈ ৰঙা ঘৰত দালাল

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ৩ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াক আফিং খেতি উচ্ছেদ নচলোৱাৰ বাবে আজি উৎকোচ দিবলৈ গৈ ৰঙা ঘৰত সোমাল এজন দালাল। চন্দ্ৰ শেখৰ ত্ৰিপাঠী নামৰ দালালজনে আবেলি এক লাখ ৯৮ হেজাৰ টকা উপঢৌকন দিবলৈ গৈছিল ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈক। চৰঞ্চলত বিঘাই বিঘাই কৰা আফিং খেতিত প্ৰশাসনে যাতে উচ্ছেদ নচলায় সেই উদ্দেশ্যত দালালজনে এই বৃহৎ পৰিমাণৰ ধন আনিছিল। কিন্তু চক্ৰ বিষয়াক মেনেজ কৰিবলৈ গৈ হাতে-লোটে ধৰা পৰে দালাল ত্ৰিপাঠী। উল্লেখ্য যে যোৱা ২৯ ডিচেম্বৰত আফিং খেতিৰ *ছয় পৃষ্ঠাত চাওক*

■ নদীদ্বীপৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন যুৱ-ছাত্ৰ পৰিষদৰ

# মাজুলীক সুৰক্ষা দিয়াত আগ্ৰহী নহয় চৰকাৰ



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ জানুৱাৰী ঃ** বৰ্তমানেও নদীদ্বীপ মাজুলীত ব্যাপক খহনীয়া অব্যাহত আছে। খহনীয়া প্ৰতিৰোধ আঁচনি ৰূপায়ণত ব্যৰ্থ ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ বিৰুদ্ধে শীঘ্ৰে আন্দোলনৰ হুংকাৰ দিছে মাজুলী জিলা যুৱ-ছাত্ৰই। ইংৰাজী নৱবৰ্ষৰ উৎসাহ-উদ্দীপনাৰ মাজতে মাজুলীৰ ভৌগোলিক সুৰক্ষাক লৈ শংকিত হৈছে মাজুলীবাসী। কিয়নো বৰ্তমান খৰালিতো মাজুলীৰ শালমৰা অঞ্চলত খহনীয়াই কালৰূপ ধাৰণ কৰিছে। আনহাতে, প্ৰতি বছৰে পদে পদে মাজুলীৰ ভূ-খণ্ড ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ লগে লগে নৈপৰীয়া লোকসকলৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা। আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মাজুলী জিলা সমিতিৰ এক সঁজাতী দলে খৰালিতো মাজুলী শালমৰা কামজান এলেঙীত খহনীয়াই যি বিভীষিকাৰ সৃষ্টি কৰিছে সেই অঞ্চল পৰিদৰ্শন কৰি খহনীয়া ৰোধত ব্ৰহ্মপুত্ৰৰ ব্যৰ্থতা আৰু মাজুলীৰ সুৰক্ষাক লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ চূড়ান্ত অৱহেলাত উদ্বেগ প্ৰকাশ কৰে। উল্লেখ্য যে ২০০৪ৰ পৰাই ব্ৰহ্মপুত্ৰ ব'ৰ্ডে মাজুলী সুৰক্ষাৰ বাবে আঁচনি গ্ৰহণ কৰি আহিছে যদিও সেই আঁচনিসমূহ পৰিকল্পিত, সময় উপযোগী আৰু বিজ্ঞানসন্মত নোহোৱা বাবে আজি পৰ্যন্ত আশাজনক ফল মাজুলীবাসীয়ে পাবলৈ সক্ষম *ছয় পৃষ্ঠাত চাওক*

# টীয়কত পথ দুৰ্ঘটনাত নিহত এক, আহত দুই

অগ্ৰদূত বাৰ্তা

**টীয়ক, ৩ জানুৱাৰী ঃ** টীয়কত যোৱা নিশা এখন মটৰ চাইকেলত অহা তিনিজন আৰোহীয়ে নিৰ্মীয়মাণ এটা কালভাৰ্টত তীব্ৰবেগে খুন্দিওৱাৰ ফলত চন্দ্ৰ ৰায় (৫০) নামৰ লোকজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়। সুৰামত্ত হৈ তীব্ৰ বেগেৰে অহা এএছ-০৩ ডব্লিউ-৪৪৩২ নম্বৰৰ মটৰ চাইকেলখনে খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হোৱাত আটাইকেইজন *ছয় পৃষ্ঠাত চাওক*

খাৰুৱা তেল চুৰি আৰু অন্যান্য নিষিদ্ধ কথা জানিবলৈ পঢ়ক

জুৰি শইকীয়াৰ মনোৰম উপন্যাস

নিষিদ্ধ যাত্ৰা

প্ৰকাশক

বনলতা, ডিব্ৰুগড়-গুৱাহাটী

গ্ৰন্থমেলাত বনলতা আৰু অন্যান্য বিপণীত উপলব্ধ


# মৰাপানীত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ৰণশিঙা বজালে মন্ত্ৰী নেওগে

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ৩ জানুৱাৰী ঃ** অহা ২০ জানুৱাৰীত হ'বলগীয়া ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে গোলাঘাট জিলাৰ দৈয়াঙৰ তিনিওটা পৰিষদীয় সমষ্টিত আৰম্ভ হৈছে ব্যাপক প্ৰচাৰ কাৰ্য। আজি ১৪ নম্বৰ চাউদাং আৰু ১৫ নম্বৰ চাউদাং দৈয়াং সমষ্টি দুটাত বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী ৰণশিঙা বজায় গোলাঘাট বিধানসভা সমষ্টিৰ বিধায়ক তথা বিত্তমন্ত্ৰী অজন্তা নেওগে। পৰিষদৰ আন সমষ্টিসমূহৰ লগতে গোলাঘাট জিলাৰ দৈয়াঙৰ তিনি সমষ্টি ১৩ নম্বৰ কাছমাৰী, ১৪ নম্বৰ চাউদাং পথাৰ আৰু ১৫ নম্বৰ চাউদাং দৈয়াং সমষ্টিকেইটা যাতে বিৰোধীৰ দখললৈ নাযায় তাৰ বাবে বিজেপি আৰু মিত্ৰদল অগপই চেষ্টা অব্যাহত ৰাখিছে। দৈয়াঙৰ তিনি সমষ্টিৰ ভিতৰত ১৩ নম্বৰ কাছমাৰী সমষ্টিটো মিত্ৰদল অগপক এৰি দি বাকী ১৪ নম্বৰ চাউদাং পথাৰ আৰু ১৫ নম্বৰ চাউদাং দৈয়াং সমষ্টি দুটা *ছয় পৃষ্ঠাত চাওক*

■ হাতী ছাফাৰীৰ বাবে পৰ্যটকক বিশেষ ৰেহাই

# নতুন বছৰত পৰ্যটকেৰে মুখৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩ জানুৱাৰী ঃ** নৱবৰ্ষৰ পহিলা দিনকেইটা দেশী-বিদেশী পৰ্যটকেৰে ভৰি পৰিছে প্ৰকৃতিৰ ৰাণী বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান। বিভিন্ন প্ৰান্তৰ পৰা অহা পৰ্যটকে পুৱাৰ পৰাই হাতী ছাফাৰী কৰি লৈছে আনন্দ। উপভোগ কৰিছে মানাহৰ প্ৰাকৃতিক সৌন্দৰ্য। যোৱা বৰ্ষত হাতী ছাফাৰী কৰিলে প্ৰতিজন পৰ্যটকে ভৰিব লাগিছিল ৮৫০ টকাকৈ। কিন্তু নৱবৰ্ষৰ পহিলা জানুৱাৰীৰ পৰা ৮৫০ টকাৰ পৰিৱৰ্তে ৩৫০ টকাৰে পৰ্যটকসকলক হাতী ছাফাৰী কৰাৰ বাবে সুবিধা কৰি দিছে মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই। যাৰ বাবে বাৰুকৈয়ে *ছয় পৃষ্ঠাত চাওক*

■ যোৰহাটত ৰাইজৰ দলৰ কৰ্মী সভা

# ভাৰতবৰ্ষ কেৱল শোষণৰ ৰাজনীতিৰে চলিছে ঃ গগৈ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৩ জানুৱাৰী ঃ** 'ৰাজনীতি কেৱল শোষণৰ হাথিয়াৰ নহয়, ৰাজনীতি হ'ল জনগণৰ অধিকাৰ প্ৰতিষ্ঠাৰ এক সংগ্ৰাম। কিন্তু ভাৰতবৰ্ষত বৰ্তমান কেৱল শোষণৰ ৰাজনীতি চলিছে। দীৰ্ঘদিনীয়া কংগ্ৰেছৰ শোষণ-প্ৰৱঞ্চনাৰ পাছত বৰ্তমান বিজেপিয়ে ভাৰতৰ গণতন্ত্ৰক ধ্বংস কৰি ফেচিবাদৰ দুৱাৰ মুকলি কৰিছে । হিন্দু ৰাষ্ট্ৰৰ নামত ভাৰতবৰ্ষৰ বৈচিত্ৰ্যৰ মাজত থকা ঐক্যক বিঘ্নিত কৰিছে । এক ৰাষ্ট্ৰ এক ব্যৱস্থা গঢ়িবলৈ গৈ তেওঁলোকে ৰাজ্যসমূহৰ অৰ্থনৈতিক, ভাষিক, সাংস্কৃতিক, শৈক্ষিক আদি সকলো অধিকাৰ কাঢ়ি এককেন্দ্ৰিক ব্যৱস্থা কৰিব বিচাৰিছে। কিন্তু ভাৰতবৰ্ষৰ *ছয় পৃষ্ঠাত চাওক*

## নিশাৰ ভিতৰতে নদীৰ বুকুত জাহ গ'ল ১০টাকৈ পৰিয়ালৰ ঘৰ-ভেটি-বজাৰ

# কলগাছিয়াৰ খাৰবাল্লী-সুতিৰপাথাৰ বেঁকী নদীৰ খহনীয়া



**কলগাছিয়া, ৩ জানুৱাৰী ঃ** বৰপেটা জিলাৰ জনীয়া সমষ্টিৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পূব কলগাছিয়াৰ মাজেদি বৈ যোৱা বেঁকী নদীয়ে সম্প্ৰতি ৰূদ্ৰমূৰ্তি ধাৰণ কৰিছে। ডাউকমাৰী, শ্ৰীৰামপুৰ, গলীয়া, খাৰবাল্লী আৰু সুতিৰপাথাৰ গাঁৱত আৰম্ভ হৈছে বিধ্বংসী খহনীয়া। নিশাৰ ভাগত হঠাতে খহনীয়াই তাণ্ডৱ লীলা আৰম্ভ কৰি চকুৰ পলকতে চপৰা চপৰে বেঁকী সুঁতিয়ে খহাই নিলে খাৰবাল্লী গাঁৱৰ ৰুহুল আমিন, *ছয় পৃষ্ঠাত চাওক*






দৈনিক অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ১৯ পুহ ১৪২৮ ভাস্কৰাব্দ ৪ জানুৱাৰী ২০২২

# উগ্ৰবাদৰ সমস্যা আৰু মুখ্যমন্ত্ৰীৰ আশা

## চৰকাৰৰ ওপৰত জনসাধাৰণৰ আস্থা ঘূৰি আহিব পাৰে কেৱল সমাজৰ সৰ্বাংগীণ উন্নয়নৰ জৰিয়তেহে

ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোতে সাংবাদিকৰ স'তে হোৱা এক বাৰ্তালাপত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে আলফাৰ বাদে ৰাজ্যৰ আন সকলোবোৰ জনজাতীয় উগ্ৰপন্থী সংগঠনে অস্ত্ৰসম্বৰণ কৰিছে আৰু জনজাতীয় উগ্ৰবাদৰ সমস্যাটোৰো অন্ত পৰিছে। তেওঁৰ এই ঘোষণা ৰাজ্যবাসীৰ বাবে স্বস্তিৰ কাৰণ নিশ্চয় হ'ব পাৰে। আলফা সমস্যাৰ প্ৰসংগতো তেওঁ হেনো আশাবাদী। পৰেশ বৰুৱা (অসম)ই আলোচনাৰ বাবে সদিচ্ছা দেখুৱাইছে আৰু বিগত বছৰটোত উগ্ৰবাদী কাৰ্যকলাপবোৰো বন্ধ ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতে আলফা সমস্যাটোৰ শান্তিপূৰ্ণ সমাধানৰ বাবে চৰকাৰো সমানেই আগ্ৰহী। নতুন বছৰটোৰ বাবে সিয়ো নিশ্চয় আশাৰে কথা। অৱশ্যে আলফাৰ ক্ষেত্ৰত সমস্যাটোৰ শান্তিপূৰ্ণ সমাধানৰ আশা কৰাটো যিমান সহজ, তাক পূৰণ কৰাটো হ'লে অকণো সহজ কাম নহয়। চৰকাৰখনৰ বাবে সি এটা ডাঙৰ প্ৰত্যাহ্বান।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে এই কথাও কৈছে যে জনজাতীয় উগ্ৰবাদৰ সমস্যাটো অন্ত পেলোৱাৰ কৃতিত্ব আচলতে জনজাতীয় সমাজখনৰ আৰু ছাত্ৰ সংগঠনবোৰৰহে প্ৰাপ্য। তেওঁলোকে এতিয়া আৰু হিংসা, ৰক্তপাত আদি নিবিচাৰে। কথাষাৰ সাধাৰণভাৱে নিশ্চয় অসত্য নহয়। বৰ্তমান অসমৰ আটাইবোৰ জনজাতিৰে জাতীয় সংগঠনবোৰ শাসকীয় ৰাজনীতিৰ স'তে কম-বেছি পৰিমাণে যুক্ত হৈ পৰিছে। ভালেকেইজন জনজাতীয় নেতা শাসক দল বিজেপিতো চামিল হৈছে। জনজাতীয় পৰিষদবোৰতো বিজেপিৰ সবল অনুপ্ৰৱেশ ঘটিছে। ৰাভা, মিচিং আৰু ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ কেইখনৰ যোৱা ২০১৯ৰ নিৰ্বাচনত বিজেপিৰ আৰু সেই দলৰ সমৰ্থিত প্ৰাৰ্থীসকলেই তিনিওখন পৰিষদ দখল কৰিছিল। বি টি চিৰ যোৱা ২০২০ৰ নিৰ্বাচনত বিজেপিয়ে ন খন আৰু মিত্ৰদল ইউপিপি এলে ১২খন আসন দখল কৰি হাগ্ৰামা মহিলাৰীৰ বিপিএফক ক্ষমতাচ্যুত কৰিছিল। অৱশ্যে বিপিএফো আছিল বিজেপিৰে পূৰ্বৰ মিত্ৰদল; কিন্তু সেই নিৰ্বাচনৰ আগে আগে বিজেপিয়ে হাগ্ৰামা মহিলাৰী তথা বিপিএফৰ ঘৰুৱা প্ৰতিদ্বন্দ্বী প্ৰমোদ বড়ো তথা ইউ পি পি এলৰ স'তে মিত্ৰতা কৰি হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ দলক এঘৰীয়া কৰিছিল। বিজেপিৰ এই নতুন ৰণকৌশলৰো উদ্দেশ্য আছিল এটাই ঃ বড়োলেণ্ডত বিজেপিৰ নিৰ্বাচনী শক্তিৰ সম্প্ৰসাৰণ ঘটোৱা। বিপিএফৰ নেতা, প্ৰচণ্ড আত্মাভিমানী হাগ্ৰামা মহিলাৰী ক্ষমতাত থকাটো বিজেপিৰ সেই সম্প্ৰসাৰণ পৰিকল্পনাৰ বাবে অনুকূল নাছিল বাবেই বিজেপিয়ে তেওঁক পৰিত্যাগ কৰি প্ৰমোদ বড়োক কাষ চপাই লৈছিল। তদুপৰি হাগ্ৰামা মহিলাৰীৰ লগত ড° হিমন্ত বিশ্ব শৰ্মাৰ এক ব্যক্তিগত সংঘাত থকাৰ কথাও শুনা গৈছিল। বিজেপিয়ে প্ৰমোদ বড়োক লগত লৈ হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ দলক একেবাৰে নিশ্চিহ্ন কৰিব পাৰিব বুলিও আশা কৰিছিল। পিছে বিজেপি-ইউপিপিএল মিত্ৰজোঁটৰ আশা সম্পূৰ্ণ ফলৱতী নহ'ল। মিত্ৰজোঁটটোৱে বিটিচিৰ চৰকাৰখন গঠন কৰিলে যদিও হাগ্ৰামা মহিলাৰীৰ দল একক সংখ্যাগৰিষ্ঠতাৰ অধিকাৰী হ'ল। তাৰ পৰাই বুজা যায়, বড়োসকলৰ জাতীয় স্বাভিমান বিজেপিৰ মাজত এতিয়াও সম্পূৰ্ণভাৱে বিলীন হৈ যোৱা নাই। বিজেপিৰ বাবে এতিয়াও সি এটা মূৰ কামোৰণি হৈ ৰৈ গৈছে। অৱশ্যে বিটিচিৰ নিৰ্বাচনৰ পাছতে অনুষ্ঠিত হোৱা তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত বিজেপিৰ নিৰংকুশ আধিপত্য প্ৰতিষ্ঠিত হ'ল। কাৰ্বি আংলং আৰু ডিমা হাছাও পৰিষদতো বিজেপিৰে আধিপত্য।



আগৰ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনতে ২০২০ৰ জানুৱাৰীত এন ডি এফ বি আৰু আবছুৰ লগত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ এখন ত্ৰিপাক্ষিক শান্তি চুক্তি সম্পাদিত হৈছিল। এন ডি এফ বিয়ে অস্ত্ৰ সম্বৰণ কৰিছিল আৰু আবছুৱে পৃথক বড়োলেণ্ডৰ দাবী কাৰ্যতঃ পৰিহাৰ কৰিছিল। তাৰ পাছতেই বড়োলেণ্ডৰ ৰাজনীতিৰ ৰঙো সলনি হ'বলৈ ধৰে। আবছুৰ সভাপতি প্ৰমোদ বড়োৱে হাগ্ৰামা মহিলাৰী তথা বিপিএফৰ বিৰোধিতাৰে ইউপিপিএলত যোগ দিয়ে আৰু দলটোৰ নেতৃত্বও হস্তগত কৰে। লগতে ড° হিমন্ত বিশ্ব শৰ্মা তথা বিজেপিৰ স'তেও বড়োৰ সু-সম্পৰ্ক গঢ় লৈ উঠে। বিটিচিৰ পৰৱৰ্তী ৰাজনীতিৰ ৰেহৰূপ সকলোৱে দেখিছেই। যোৱা ২০২১ৰ বিধানসভা নিৰ্বাচনতো বিজেপি-ইউপিপি এলৰ মিত্ৰতাই বাহাল থাকিল আৰু ৰাজ্যত ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখন পাটত বহিল। ড° শৰ্মাৰ উদ্যোগতেই যোৱাটো বছৰৰে পাঁচ ছেপ্টেম্বৰত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ পাঁচটা উগ্ৰপন্থী সংগঠন (Karbi Anglong North cachar Hills Liberation Front, People's Democratic Council of Karbi Longri, United People's Liberation Army, Karbi People's Liberation Tigers, Kuki Liberation Front) ৰ লগতো এখন ত্ৰিপাক্ষীক শান্তি চুক্তি সম্পাদিত হয় আৰু পাহাৰ দুখনত উগ্ৰবাদী কাৰ্যকলাপ সাময়িকভাৱে হ'লেও বন্ধ হয়। সেয়ে সম্প্ৰতি ৰাজ্যখনত আলফাৰ বাদে আন সক্ৰিয় উগ্ৰপন্থী সংগঠন নোহোৱাৰ দৰেই। উগ্ৰবাদৰ সম্পৰ্কত মুখ্যমন্ত্ৰীৰ ঘোষণা আৰু আশ্বাসৰ ভিত্তিও সেইটোৱেই। ড° ভূপেন হাজৰিকাৰ সুৰতে ক'ব পাৰি, ড° শৰ্মাৰ নিশ্বাসেও আশাৰ আশ্বাসত তৃপ্তিৰ পৰিধি নামানে।

সেই বুলি ৰাজ্যখনত জনজাতীয় উগ্ৰবাদৰ সমস্যা চিৰকালৰ বাবে দূৰ হৈছে বুলি মই হ'লে ভাবিব পৰা নাই। জনজাতীয় উগ্ৰপন্থী সংগঠনবোৰৰ স'তে হোৱা আনুষ্ঠানিক শান্তি চুক্তিবোৰো অৰ্থহীন নিশ্চয় নহয় আৰু উগ্ৰপন্থী সংগঠনবোৰৰ অস্ত্ৰ সম্বৰণৰ ঘটনাবোৰো হয়তো নাটক নহয়। চুক্তিবোৰৰ কাৰ্যকৰণ সঁচাই হৈছে আৰু হ'বও; কিন্তু বিটিচি, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ উগ্ৰবাদৰ ক্ষেত্ৰত বৰ্তমানৰ শান্তিয়েই শেষ সত্য হৈ ৰ'বগৈনে? মোৰ বোধেৰে এইটো এটা জটিল আৰু সম্ভাব্য প্ৰশ্ন। আলফাক বাদ দিয়ো উগ্ৰবাদী অশান্তিৰ আন কেতবোৰ কাৰক ৰাজ্যৰ জনজাতি আৰু জনগোষ্ঠীবোৰৰ মাজত এতিয়াও ৰৈ গৈছে। চৰকাৰৰ ব্যৰ্থতা বা বৈষম্যৰ বিৰুদ্ধে গণৰোষৰ অৱকাশতো সদায় আছেই; তদুপৰি দলীয় ৰাজনীতিৰ অভিসন্ধিমূলক ঘাত-প্ৰতিঘাতবোৰৰ by product ৰ ৰূপতো নতুন নতুন উগ্ৰপন্থী সংগঠনৰ সৃষ্টি হ'ব পাৰে।

বিটিচিৰ কথাই ধৰা হওক। এই মুহূৰ্তত পৃথক বড়োলেণ্ডৰ দাবীটো তল পৰিব পাৰে আৰু সশস্ত্ৰ উগ্ৰপন্থীৰ গুলি-বাৰুদৰ শব্দও হয়তো বন্ধ হ'ব পাৰে; কিন্তু বড়ো



**অসবৰ্ণ**
**হীৰেন গগৈ**

সমাজখনৰ ৰাজনৈতিক অন্তৰ্দ্বন্দ্ব অকণো কমা নাই। ইউপিপিএল আৰু বিপিএফৰ সংঘাত আগৰ দৰেই চলি আছে। ২০২০ৰ পৰিষদীয় নিৰ্বাচনত হাগ্ৰামা মহিলাৰীৰ বি পি এফক উৎখাত কৰাৰ উদ্দেশ্যে প্ৰমোদ বড়োৰ দল আৰু বিজেপিয়ে জোঁট বন্ধাৰ উপৰি শাসকীয় মন্ত্ৰী-বিধায়কসকলক আৰু প্ৰশাসনক যথাশক্তিৰে ব্যৱহাৰ কৰিছিল। তথাপি হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ দল টিকি থকাই নহয়, একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈও সক্ষম হ'ল। বড়ো জনসাধাৰণে হাগ্ৰামা মহিলাৰী বা বিপিএফক এতিয়াও এঘৰীয়া কৰা নাই। মহিলাৰীয়ে প্ৰমোদ বড়ো আৰু তেওঁৰ পৰিষদখনক লক্ষ্য কৰি আক্ৰমণ চলাই আছে। আনকি প্ৰমোদ বড়োক পৃথক বড়োলেণ্ডৰ দাবী ত্যাগ কৰাৰ বাবেও তিৰস্কাৰ কৰি আছে। এই পৰিস্থিতিত প্ৰমোদ বড়ো আৰু হাগ্ৰামা মহিলাৰীৰ কাজিয়াখন যদি বন্ধ নহয় আৰু বিজেপিয়েও যদি মহিলাৰীক প্ৰাপ্য গুৰুত্ব দি চপাই নলয় বা ল'ব নোৱাৰে, তেনেহ'লে বিটিচিত পৃথক বড়োলেণ্ড ৰাজ্যৰ আন্দোলন এটা আকৌ গঢ় লৈ উঠাটো অস্বাভাৱিক কথা নহ'ব। তেনে এটা আকৌ হ'বলৈ হ'লে উগ্ৰপন্থীৰো সৃষ্টি হ'ব অৱধাৰিতভাৱেই। আনহাতে, বিজেপিয়ে প্ৰমোদ বড়োৰ দলক লগ এৰা দিলেও অনুৰূপ পৰিস্থিতি এটাৰে সৃষ্টি হ'ব।

মোৰ অনুভৱ, ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ দলীয় প্ৰভাৱ সম্প্ৰসাৰণৰ স্বাৰ্থত বড়ো সমাজখনক অধিক বিভক্তহে কৰিছে আৰু বিটিচিত বাস কৰা অবড়ো বিশাল জনসমষ্টিক বড়োসকলৰ বিৰুদ্ধে উচটাই দি নিজকে তেওঁলোকৰ ত্ৰাণকৰ্তা সজাব খুজিছে। বিটিচিত বিজেপিৰ আচল গণভিত্তিও হৈছে তেওঁলোকেই। নিৰ্বাচনৰ সময়তে লিখিছিলো যে বিজেপিয়ে হাগ্ৰামা মহিলাৰীক আঁতৰাই প্ৰমোদ বড়োক কাষ চপাই লোৱাটো নিৰ্বাচনৰ দিশৰ পৰাও সঠিক কাম নাছিল। পৰিষদীয় নিৰ্বাচনৰ পাছতো হাগ্ৰামা মহিলাৰীকে বিটিচি ৰণৰ আচল বীৰ আখ্যা দি এই স্তম্ভতে নিৰন্ধ লিখিছিলো (দৈনিক অগ্ৰদূত, ১৫-১২-২০২০)। হাগ্ৰামাই আচলতে জিকিও হাৰিবলগীয়া হৈছিল পৰিষদখনৰ চৰকাৰ গঠন কৰিবৰ জোখাৰে আসন নোপোৱাৰ বাবেহে। মই নিজেও বিটিচিত বিজেপি-বিপিএফৰ মিত্ৰতা বৰ্তি থকাটো আৰু হাগ্ৰামা মহিলাৰীৰ চৰকাৰখনেই ক্ষমতাত বাহাল থকাটো বিচাৰিছিলো। তাৰ কাৰণ আছিলঃ 'বিটিএডিৰ বিশিষ্ট জনগাঁথনিৰ পটভূমিত মহিলাৰী আৰু তেওঁৰ দলৰ ৰাজনৈতিক প্ৰাসংগিকতা আৰু প্ৰয়োজন আছে বুলি মই বিশ্বাস কৰো। তাৰ প্ৰধান কাৰণেই হৈছে মহিলাৰী তথা বিপিএফৰ ভাৰসাম্যপূৰ্ণ নীতি আৰু স্থিতি। বড়োলেণ্ডত সততে সক্ৰিয় হৈ থকা কেতবোৰ প্ৰৱণতা, যেনে— উগ্ৰ বড়োবাদ, উগ্ৰ বড়োবিৰোধিতা বা অবড়োবাদ, মিঞাবাদ, হিন্দুবাদ, আদিবাসীবাদ আদিবোৰৰ মাজত বিপিএফে এক নৰম আৰু সমন্বয়মূলক নীতি অনুসৰণ কৰি আহিছে বুলিয়েই মই বিশ্বাস কৰো। দলটোৰ এই স্থিতিৰ বাবেই সাধাৰণ, শান্তিপ্ৰিয় বড়ো সমাজখনৰ লগতে অবড়ো জনগোষ্ঠীবোৰৰো বুজন সংখ্যকৰ সমৰ্থন বিপিএফে তথা হাগ্ৰামা মহিলাৰীয়ে পাই আছে। বিটিএডিত কংগ্ৰেছ-ইউডিএফৰ ধৰ্মীয় সংখ্যালঘুবাদে গা কৰিব নোৱৰাৰ কাৰণো সেইটোৱেই। বড়োলেণ্ডৰ সংখ্যাগৰিষ্ঠ অবড়ো জনসাধাৰণক বল ৰাজনীতি কৰি আছিল হীৰা শৰণীয়াৰ দলটোৱে...। এতিয়া বিজেপিয়ে শৰণীয়াৰ সেই সমৰ্থন ভেটিটোকে দখল কৰি বিটিএডিত নিজৰ ৰাজনৈতিক প্ৰভুত্ব কায়েম কৰিবলৈ বিচাৰিছে।.. হিমন্তৰ দৰে বুদ্ধিমান

**উন্নয়নেই হৈছে চৰকাৰৰ বাবে ডাঙৰ প্ৰত্যাহ্বান। পাহাৰী জিলা দুখনত চাৰি-পাঁচটাকৈ উগ্ৰপন্থী সংগঠনৰ জন্মৰ আঁৰতো নিশ্চয় সৰ্বসাধাৰণৰ আৰ্থ-সামাজিক পশ্চাদপদতাৰ কাৰকটোৱেই আটাইতকৈ বেছি ক্ৰিয়া কৰিছিল। এতিয়াও সেই কাৰকটোৰ নিৰাময় হোৱা নাই। সন্ত্ৰাস-দুৰ্নীতিৰ পাপচক্ৰটো ইমান সহজে নিষ্ক্ৰিয় নহ'ব।**

ৰাজনীতিকৰ বাবে হাগ্ৰামা আৰু প্ৰমোদৰ মাজৰ পাৰ্থক্যটো বুজাত কোনো অসুবিধা নাছিল। তেওঁ প্ৰমোদ বড়োক কেৱল বড়ো নেতা কৰিয়েই ৰাখিব আৰু বিজেপিক অবড়োৰ ৰক্ষাকৰ্তাৰ ৰূপত প্ৰতিষ্ঠা কৰিব।' এনে বিভাজনৰ ৰাজনীতিয়ে কোনো সমাজতে চিৰস্থায়ী শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰে। তদুপৰি প্ৰমোদ বড়ো আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ কোনোজনেই বিটিচিত হাগ্ৰামা বধৰ অসম্পূৰ্ণ অভিযান বাদ দিয়া নাই। তাৰেই এক সম্ভাব্য পৰিণাম হ'বগৈ পাৰে বড়ো উগ্ৰবাদৰ পুনৰুত্থান। প্ৰমোদ বড়োৱে বিজেপি তথা ৰাজ্য চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰা বুলি হাগ্ৰামাই তোলা অভিযোগটোৱে মান্যতা পাইছে বুলিও শুনিছো।

কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ ৰাজনৈতিক বাতাৱৰণটো আৰু বেছি দূষিত। ৰাজ্যৰ শাসকদলে তাত দুৰ্নীতিৰ স'তে আপোচ কৰিয়েই পৰিষদবোৰ চলাই আছে। অস্ত্ৰ সম্বৰণ কৰা উগ্ৰপন্থীসকলো সেই প্ৰক্ৰিয়াত অৱধাৰিতভাৱেই যুক্ত হৈ পৰিব; কিন্তু কাৰ্বি আৰু ডিমাচা জনসাধাৰণৰ কি হ'ব? জিলা দুখনৰ ভিতৰুৱা অঞ্চলবোৰক চৰকাৰী উন্নয়ন এতিয়াও ঢুকি পোৱাগৈ নাই বুলিয়েই শুনিছো। তেনে অৱস্থাত একাংশ নিবনুৱাই সন্ত্ৰাস সৃষ্টিৰে চৰকাৰী আঁচনিবোৰৰো ধন আত্মসাৎ কৰাৰ কথা আকৌ নভবাকৈ থাকিবনে?

পৃথক বড়োলেণ্ড বা পৃথক কাৰ্বি আংলং উত্তৰ কাছাৰ ৰাজ্যৰ দাবী দেশৰ অখণ্ডতা বা সাৰ্বভৌমত্বৰ প্ৰতি কোনো ভাবুকি নহয়। দেশখনৰ ভিতৰতে ৰাজ্যবোৰৰ পুনৰ্গঠন বা নতুন নতুন ৰাজ্যৰ গঠন পৰিস্থিতি বা প্ৰয়োজন সাপেক্ষে হ'বই পাৰে আৰু হৈয়ো আছে। একেদৰে পৃথক ৰাজ্যৰ বা সমউন্নয়নৰ দাবীদাৰ উগ্ৰপন্থী সংগঠনবোৰৰ স'তে চৰকাৰৰ বুজাপৰাও হ'ব পাৰে। এই ক্ষেত্ৰত চৰকাৰৰ প্ৰলোভন বা উপঢৌকনেও উগ্ৰপন্থীসকলৰ অভিলাষ পূৰণ কৰিব পাৰে। এই জিলা দুখনৰ আৰু বিটিচিৰো উগ্ৰপন্থীসকলক অস্ত্ৰ সম্বৰণ কৰিবলৈ মান্তি কৰাটো চৰকাৰৰ বাবে সেয়ে বৰ কঠিন কাম নাছিল; কিন্তু চৰকাৰে চুক্তিৰ প্ৰতিশ্ৰুতিবোৰ পূৰণ নকৰিলে বা কৰিব নোৱাৰিলে জনসাধাৰণ স্বাভাৱিকভাৱেই প্ৰতাৰিত হ'ব আৰু সেই প্ৰতাৰণাই নতুন নতুন উগ্ৰপন্থীৰো জন্ম দিব। মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে জনসাধাৰণে সঁচাই শান্তি বিচাৰিছে, অস্ত্ৰ-শস্ত্ৰৰ সন্ত্ৰাসৰ পৰা মুক্তি বিচাৰিছে; কিন্তু সেই শান্তি আৰু চৰকাৰৰ ওপৰত জনসাধাৰণৰ আস্থা ঘূৰি আহিব পাৰে কেৱল সমাজৰ সৰ্বাংগীণ উন্নয়নৰ জৰিয়তেহে। অথচ এই পাহাৰী জিলা দুখনত সাৰ্বিক উন্নয়নেই হৈছে চৰকাৰৰ বাবে ডাঙৰ প্ৰত্যাহ্বান। পাহাৰী জিলা দুখনত চাৰি-পাঁচ টাকৈ উগ্ৰপন্থী সংগঠনৰ জন্মৰ আঁৰতো নিশ্চয় সৰ্বসাধাৰণৰ আৰ্থ-সামাজিক পশ্চাদপদতাৰ কাৰকটোৱেই আটাইতকৈ বেছি ক্ৰিয়া কৰিছিল। এতিয়াও সেই কাৰকটোৰ নিৰাময় হোৱা নাই। সন্ত্ৰাস-দুৰ্নীতিৰ পাপচক্ৰটো ইমান সহজে নিষ্ক্ৰিয় নহ'ব।

আলফাৰ সমস্যাটো জনজাতীয় উগ্ৰবাদৰ পৰা চাৰিত্ৰিকভাৱে সম্পূৰ্ণ পৃথক। আলফাৰ সাৰ্বভৌমত্বৰ দাবীৰ পশ্চাৎভূমিত এটা ঐতিহাসিক-ৰাজনৈতিক বিতৰ্কৰ বীজ সঞ্চিত হৈ আছিল। আজিৰ পৰিস্থিতিত সেই বিতৰ্কৰ বা বাক্ধাৰাৰ প্ৰাসংগিকতা হ্ৰাস পাব পাৰে আৰু সাৰ্বভৌমত্ব দাবীৰ কাৰ্যকাৰিতাও অসম্ভৱ যেন লাগিব পাৰে, কিন্তু তেনে এক অসম্ভৱৰ বাস্তৱৰ মৰীচিকাই পৰেশ বৰুৱাহঁতক আজিও টানি লৈ ফুৰিছে। তেওঁলোকক সেই ভ্ৰান্তিৰ পৰা মুক্ত কৰি স্বাভাৱিক জীৱনযাত্ৰালৈ ঘূৰাই আনিবলৈ হ'লে চৰকাৰে ধৈৰ্য সহকাৰে আৰু সন্মানজনকভাৱে শান্তি আলোচনাৰ প্ৰক্ৰিয়া আগবঢ়াই নিব লাগিব। চৰকাৰৰ সদিচ্ছাৰ পৰীক্ষাও হ'ব তাতেই।

ফোনঃ ৮৮১১৮২৭৪৩২

## বুজাপৰাৰ পৰিৱেশ

ইউৰোপৰ শিল্প বিপ্লৱৰ আগলৈকে জাতিৰ কোনো ধাৰণা নাছিল। জাৰ্মানী, ফ্ৰান্স, ব্ৰিটেইন আদি ক্ষুদ্ৰ ক্ষুদ্ৰ অসংখ্য গোষ্ঠীত বিভক্ত দেশ আছিল। প্ৰতিটো গোষ্ঠীৰেই ভাষাও সুকীয়া আছিল। কিন্তু শিল্প বিপ্লৱৰ লগে লগে ইউৰোপত এক নৱজাগৰণৰ চেতনাৰ উদ্ভৱ হয়। ক্ষুদ্ৰ ক্ষুদ্ৰ গোষ্ঠীসমূহ একত্ৰিত হয় আৰু একোটা ভাষাই এই ক্ষেত্ৰত ঐক্যৰ এনাজৰী স্বৰূপ হৈ উঠে। জাতীয় চেতনাৰ শক্তি দাঙি ধৰি ইটালীৰ মনীষী মেকীয়াভেলিয়ে স্পষ্ট কৰি দিয়ে যে জাতিৰ পৰিপুষ্টিৰ হেতুকে আত্মনিয়ন্ত্ৰণৰ প্ৰয়োজন। তাৰ লগে লগে সাৰ্বভৌমত্বৰ প্ৰশ্নটোও আহি পৰে। ইউৰোপতে সৰ্বপ্ৰথমে সাৰ্বভৌম ৰাষ্ট্ৰৰ উদ্ভৱ ঘটে। তেতিয়াই জাতিক সবল কৰাৰ উদ্দেশ্যে ব্ৰিটেইন, ফ্ৰান্স, পৰ্তুগাল, স্পেইন, নেদাৰলেণ্ড আদিৰ লোকসকলে দেশত উৎপাদিত শিল্পজাত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰৰ সন্ধানত সমুদ্ৰ যাত্ৰা আৰম্ভ কৰে। উল্লেখনীয় যে পৰ্তুগীজ আৰু ফৰাচীৰ আগমন ভাৰতবৰ্ষলৈ আগতে হ'লেও ইংৰাজে মোগল সম্ৰাটৰ স'তে ব্যৱসায় চুক্তিবদ্ধ হৈ এইখন দেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হয়। নৌবিদ্যাত পাৰ্গত হোৱা ইংৰাজসকলে ভাৰতৰ উপৰি আমেৰিকা, অষ্ট্ৰেলিয়া, কানাডা আদিতো আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ সৰু সৰু কেইটামান অঞ্চলতহে ফৰাচী আৰু পৰ্তুগীজসকলে আধিপত্য সীমাবদ্ধ কৰি ৰাখিবলৈ বাধ্য হয়।

কিন্তু এই জাতীয় চেতনাই সময়ত যে ভয়ংকৰ ৰূপত মানৱ বিদ্বেষৰ সৃষ্টি কৰে, তাৰ প্ৰমাণ প্ৰথম আৰু দ্বিতীয় মহাসমৰে দাঙি ধৰিছে। শিল্প উদ্যোগত বিশ্বৰ ভিতৰতে অপ্ৰতিদ্বন্দ্বী জাৰ্মানীয়ে অনুভৱ কৰে যে মানৱজাতিৰ ভিতৰতে সৰ্বাতোকৈ প্ৰতিভাশালী হোৱা সত্ত্বেও তেওঁলোক ইউৰোপৰ আন আন ৰাষ্ট্ৰৰ তুলনাত পিছপৰি থাকিল। তাৰ ফলস্বৰূপে সাম্ৰাজ্য বিস্তাৰৰ উদ্দেশ্যে জাৰ্মানীয়ে ১৯১৪ আৰু ১৯৩৯ত দুখনকৈ মহাযুদ্ধৰ অগনি জ্বলায়। এই সমৰত কোটি কোটি নিৰপৰাধী লোকে প্ৰাণ হেৰুৱায়। অসংখ্য লোকে ঘৰবাৰী এৰিব লগা হয়। হিটলাৰৰ উদ্যোগত ৬০ লক্ষ ইহুদী নিধনৰ দৌৰাত্ম্যৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই। মানুহক হত্যা কৰাৰ বাবেই উদ্ভাৱন কৰা হৈছিল বিষাক্ত গেছ। লক্ষ লক্ষ আটকাধীন বন্দীক সেই গেছ চেম্বাৰত হত্যা কৰা হৈছিল। মাহৰ পাছত মাহ ধৰি খাদ্যহীনভাৱে লক্ষ লক্ষ মানুহক আটক কৰি ৰখা হৈছিল। নাৰীৰ ওপৰত চলিছিল পাশৱিক যৌন নিৰ্যাতন। মানুহৰ ওপৰত মানুহৰ আক্ৰমণৰ এই পৈশাচিক কৰ্মকাণ্ড বৰ্ণনাতীত। অৱশ্যে দুয়োখন যুদ্ধৰেই সামৰণি পৰে ইংলেণ্ড আক্ৰমণ কৰিবলৈ যোৱাৰ পথত। সৰ্বাধিক ক্ষতিগ্ৰস্ত হয় কচ দেশ।

কিন্তু জাতি গঠনৰ ভেটিত ৰাষ্ট্ৰ নিৰ্মাণৰ আগলৈকে এই ধৰণৰ ভয়ংকৰ যুদ্ধ হোৱা নাছিল। তাৰ অৰ্থ এইটো নহয় যে তেতিয়া যুদ্ধ নাছিল; কিন্তু সেই যুদ্ধ ক্ষমতাসীন শাসকৰ মাজতহে সীমাবদ্ধ আছিল। অসংখ্যবাৰ ভাৰতত শাসকৰ স'তে বাহিৰৰ আক্ৰমণকাৰীৰ যুদ্ধ হৈছিল। আলেকজেণ্ডাৰেও ভাৰত আক্ৰমণৰ সময়ত ৰজা পুৰু আটকাধীন হোৱাৰ কথা সৰ্বজনবিদিত। কিন্তু সেই যুদ্ধ গ্ৰীক আৰু ভাৰতীয় জনতাৰ মাজত হোৱা নাছিল। সেই যুদ্ধ হৈছিল গ্ৰীচৰ ৰজা আলেকজেণ্ডাৰ আৰু এই দেশৰ নৃপতি পুৰুৰ মাজতহে। তেনেদৰে মোগল আৰু মাৰাঠা বা আহোম শক্তিৰ মাজত যি যুঁজ বাগৰ চলিছিল, সেয়াও শাসকৰ ক্ষমতা বৃদ্ধিৰ খাটিৰতহে হৈছিল।

ইংৰাজৰ ভাৰত আগমনৰ পাছতহে পশ্চিমীয়া ঠাঁচত এই দেশৰ জাতীয় চেতনাই গঢ় লয়। তেনেদৰেই অসমতো ব্ৰিটিছৰ আগমনৰ সময় ১৮২৪ৰ পাছৰ পৰাহে জাতীয় চেতনাৰ উন্মেষ ঘটে।

জাতীয় চেতনাই একোখন ৰাষ্ট্ৰৰ লোকসকলক আনৰ স'তে ফেৰ মাৰি আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগায়। আনহাতে, এই জাতীয় চেতনাই মানুহক সংকীৰ্ণ কৰি তোলে আৰু আনৰ প্ৰতি চৰম বিদ্বেষৰ সৃষ্টি কৰি তোলা দেখা যায়। সকলো ক্ষেত্ৰতে অৱশ্যে এই কথা সত্য নহয়, কিন্তু জাতীয় চেতনাই সংকীৰ্ণ কৰি তোলা হেতুকে প্ৰসিদ্ধ নাট্যকাৰ জৰ্জ বাৰ্ণাৰ্ড শ্ব, প্ৰখ্যাত চিন্তাবিদ বাৰ্ট্ৰাণ্ড ৰাছেল প্ৰভৃতি জাতীয়তাবাদৰ বিৰোধী আছিল। জাতিৰ চেতনাই যে যুদ্ধৰ অগনি জ্বলায়, সেই কথা তেওঁলোকে প্ৰমাণ কৰি দেখুৱাইছে। মহাত্মা গান্ধীয়েও নিজকে জাতীয় চেতনাৰ মাজতে সীমাবদ্ধ কৰি ৰাখিব বিচৰা নাছিল। তেওঁৰ বাবে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে সমান অধিকাৰ আছে। সুখৰ কথা যে সংকীৰ্ণ জাতীয়তাবাদৰ উন্মাদনা সম্প্ৰতি বহুলাংশে হ্ৰাস পাইছে। ইয়াৰ কাৰণ, পাৰস্পৰিক আন্তৰ্নিৰ্ভৰশীলতা। সম্প্ৰতি বাৰ্লিনৰ কোনো চিকিৎসা বিশেষজ্ঞই দুৰাৰোগ্য ব্যাধিৰ দৰৱ আবিষ্কাৰ কৰিছে— যি দৰৱ অন্যান্য দেশৰো ৰোগীসকলৰ চিকিৎসাত ব্যৱহৃত হৈছে। তেনেদৰে বিজ্ঞান-প্ৰযুক্তিৰ উদ্ভাৱনসমূহে দেশ জাতি নিৰ্বিশেষে সকলোৰে কল্যাণত ব্যৱহৃত হৈছে। তাৰ ফলস্বৰূপে দেশৰ সীমা চেৰাই পাৰস্পৰিক বুজাপৰাৰ পৰিৱেশ গঢ়ি উঠিছে। ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক সংগঠনৰ লগতে পৰিবহণ আৰু যোগাযোগৰ দ্ৰুতবিকাশে এই ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে।

## খোলা মঞ্চ

### অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছেনে?



**অসমীয়া** ভাষাৰ অস্তিত্বৰ সংকটৰ আৰম্ভণি ১৮৩৬ খ্ৰীষ্টাব্দত ব্ৰিটিছৰ আমোলত। সেই সময়ত এচাম বঙালী চৰকাৰী বিষয়াৰ ষড়যন্ত্ৰৰ ফলত অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষাৰ ঠাইত বঙালী ভাষাৰ প্ৰচলন হৈছিল। যাৰ ফলত ১৮৩৬ খ্ৰীষ্টাব্দৰ পৰা ১৮৭৩ খ্ৰীষ্টাব্দলৈ সুদীৰ্ঘ ৩৭ বছৰ কাল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ চৰম বিপৰ্যয় হ'ল। কে'বাগৰাকীও অসম হিতৈষী পুৰুষৰ ত্যাগৰ বিনিময়ত ১৮৭৩ খ্ৰীষ্টাব্দত অসমীয়া ভাষাই পুনৰ পঢ়াশালি আৰু আদালতত স্থান পালে। অতীতৰ পৰাই অসমীয়া ভাষাক দুৰ্বল কৰি তোলাৰ এক চক্ৰান্ত চলিছিল। যাৰ বাবে ১৯৬০ আৰু ১৯৭২ত ক্ৰমে ভাষা আন্দোলন আৰু মাধ্যম আন্দোলনৰ কৰিব লগা হৈছিল। এইদৰে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে গণ আন্দোলন কৰি ছহিদ পৰ্যন্ত হ'ব লগা হৈছিল। অসমত অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আঁতৰিছে বুলি ক'ব নোৱাৰি। অৱশ্যে তেতিয়াৰ অসমীয়া ভাষাৰ অস্তিত্বৰ সংকটৰ মাজত এতিয়াৰ সংকটৰ কিছু পাৰ্থক্য আছে। মাতৃভাষাৰ প্ৰতি অনুৰাগেহে জাতিটোৰ সাহিত্য-সংস্কৃতিলৈ গৌৰৱ কঢ়িয়াই আনে আৰু জাতীয় সত্তাক সবল কৰি তোলে। অসমীয়া ভাষাৰ অস্তিত্বৰ আন এক প্ৰত্যাহ্বান হ'ল নিজৰ মাতৃভাষাক পৰিত্যাগ কৰি ইংৰাজী সাহিত্যৰ প্ৰতি আকৰ্ষণ বৃদ্ধি আৰু প্ৰাচীন সভ্যতাৰ অনুকৰণৰ প্ৰতিহে দুৰ্বলতা। অসমত পুৰুষানুক্ৰমে থাকিও অসমীয়া হ'ব নোখোজা, অসমীয়া ভাষা ক'ব নোখোজা, অসমীয়া কৃষ্টি-সংস্কৃতিক সন্মান কৰিব নোখোজা সেইসকল তথাকথিত লোকৰ বাবেও আজি অসমীয়া ভাষাই অস্তিত্বৰ সংকটত ভুগিছে। বৰ্তমান ব্যৱসায়িক ভিত্তিত গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত শিক্ষাদানৰ ব্যৱস্থাৰ তুলনাত স্থানীয় মাতৃভাষাৰ চৰকাৰী বিদ্যালয়বোৰত শিক্ষাদানৰ ব্যৱস্থা উন্নত মানৰ নহয়। যাৰ বাবে আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ লোকেও নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়াবলৈ লৈছে। পূৰ্বতে মাতৃভাষাত পঢ়িয়েই উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ হকে বিৰল অৱদান আগবঢ়াইছিল। বৰ্তমান মাতৃভাষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ কমি গৈছে। চৰকাৰীভাৱেও অসমীয়া মাধ্যমৰ স্কুলবোৰত ছাত্ৰ-ছাত্ৰীসকলে ভুগি থকা সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত বাস্তৱ কাৰ্যপন্থা লোৱা দেখা নগ'ল। অসমীয়া ভাষাৰ অস্তিত্বৰ সংকটৰ ক্ষেত্ৰত ৰাজনৈতিক অভিসন্ধিও স্থান পাইছে। বৰাকত বঙালী ভাষী ৰাইজে পূৰ্বৰে পৰা অসমীয়া ভাষাক সদায় অৱজ্ঞাৰ দৃষ্টিৰে চাই আহিছে। তেওঁলোকে অসমীয়া ভাষা কোৱা দূৰৰে কথা, চৰকাৰী কাৰ্যালয়ৰ ফলকতো অসমীয়া ভাষা লিখিব নিদিয়ে। সেইদৰে কিছুমান অসমীয়া লোকৰ ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষা কোৱাৰ সলনি ইংৰাজী ভাষা কৈ গৌৰৱবোধ কৰে। ভাষা-সাহিত্যৰ বিকাশৰ হকে নেতৃত্ব দিয়া এচাম তথাকথিত নেতায়ো শুদ্ধকৈ অসমীয়া ভাষা নকয়। অসমত এনেবোৰ কাৰ্য অব্যাহত থাকিলে অসমীয়া ভাষাৰ অস্তিত্বৰ কাহানিও ওৰ নপৰিব। নিজৰ মাতৃভাষাৰ সংকট নিৰাময়ৰ বাবে আনৰ ওপৰত নিৰ্ভৰ কৰাৰ সলনি প্ৰতিজন অসমীয়াই অসমীয়া ভাষাক সন্মান জনাবলৈ সংকল্পবদ্ধ হ'ব লাগিব আৰু ব্যাকৰণ সন্মতভাৱে শুদ্ধকৈ মাতৃভাষাৰ জ্ঞান আহৰণ কৰিবলৈ আগ্ৰহী হ'ব লাগিব। আমি পাহৰি গ'লে নহ'ব— প্ৰকৃত জ্ঞান আহৰণৰ নিৰ্ণয়ক নিজৰ মাতৃভাষাহে।

**ৰমেন দাস,** লেখক

ফোন ঃ ৯৪৩৫০১৬৪৮৮

# গ্ৰন্থমেলা আৰু সমাজ সংস্কাৰ

## গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত লেখক-প্ৰকাশকসকল যিদৰে দায়বদ্ধ হৈ পৰে, তেনেদৰে শুদ্ধ শব্দ-বাক্য চয়নতো দায়িত্ববোধ থকাটো বাঞ্ছনীয়

**হেমন্ত কুমাৰ চৌধুৰী**

**এখন** গ্ৰন্থৰ গভীৰলৈ সোমাই গ'লে গ্ৰন্থখনত বৰ্ণিত বিষয়বস্তুৰ জৰিয়তে বৌদ্ধিক জ্ঞান বিকাশৰ লগতে সমাজ-সংস্কৃতিৰ বৰণীয়া ইতিহাসো আয়ত্ত হয়। যিবোৰে সমাজ সংস্কাৰৰ দিশটোক উপস্থাপন কৰি গ্ৰন্থৰ মৌলিকত্ব বৃদ্ধি কৰি আছে; কাৰণ আমি শিক্ষা-দীক্ষাৰে একোজন মানুহ হিচাপে সমাজত থিয় দিয়াৰ গৌৰৱবোধ কৰো যদিও পাহৰি যাওঁ সমাজ-সংস্কৃতিৰ নীতি বহিৰ্ভূত শৃংখলৰ কথা। সেই কথাবোৰেই গ্ৰন্থৰ ভিতৰভাগত লিপিবদ্ধ থাকে আৰু অধ্যয়ন কৰিলেই মনলৈ আহে এখন সমাজৰ শৃংখলাপূৰ্ণ নীতি আৰু বন্ধন। য'ত সকলোৱে সমাজ-সংস্কৃতিৰ কথাবোৰ ভাবিবলৈ সুবিধা পায় আৰু উত্তৰণৰ দিশত আগবাঢ়িব পাৰে, তেনে গ্ৰন্থইহে দিক্নিৰ্ণায়ক ভূমিকা ল'ব পাৰে, লগতে গ্ৰন্থই সমাজ-সংস্কাৰো কৰে বুলি ধাৰণা হয়।

উল্লেখ্য যে সকলো মানুহ যদিওবা গ্ৰন্থ অধ্যয়নপ্ৰসূত নহয় তথাপি এনে এজন মানুহ হয়তো নোলাব যে নিজে পঢ়িব বা লিখিব নাজানিলেও যিকোনো এখন গ্ৰন্থৰ সোৱাদ নোলোৱাকৈ আছে। প্ৰতিজন মানুহেই আনৰ দ্বাৰা হ'লেও গ্ৰন্থই প্ৰকাশ কৰা কাহিনী বা ঘটনাৰ আস্বাদন লোৱা দেখা বা শুনা যায়। গতিকে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত লেখক আৰু প্ৰকাশক-বিক্ৰেতাৰ দায়িত্ব বাঢ়ে গ্ৰন্থ এখনৰ কাহিনী বা ঘটনাৰ বিশদ উপস্থাপনৰ লগতে শুদ্ধ পৰিসৰ গঢ়াত। যিহেতু বৰ্তমান সময়টোৱেই এক গ্ৰন্থ উৎসৱৰ মুহূৰ্ত, সেয়ে এই সময়ছোৱাত আমাৰ নৈতিক দায়িত্বক গ্ৰন্থৰ লগত একাকাৰ কৰাৰো প্ৰাসংগিকতা থকা বুলি বিবেচনা কৰো। পিছে গ্ৰন্থমেলা বা গ্ৰন্থ উৎসৱৰ তাত্বিক প্ৰাসংগিকতাৰ প্ৰতিও জুকিয়াই চোৱাৰ প্ৰয়োজন আছে।

এয়া গ্ৰন্থমেলাৰে বতৰ, সেয়ে মনলৈ আহিছে গ্ৰন্থমেলাৰ উৎস আৰু তত্ত্ব-দৰ্শন সম্পৰ্কে আলোচনাৰ প্ৰসংগ। বিশ্বৰ প্ৰথমখন গ্ৰন্থমেলাই হৈছে 'ফ্ৰেংকফুৰ্ট' গ্ৰন্থমেলা। জোহান্স গুটেনবাৰ্গে আৱিষ্কাৰ কৰা ছপাশাল আৰু আখৰৰ মাধ্যমত প্ৰকাশিত গ্ৰন্থৰে ফ্ৰেংকফুৰ্টত স্থানীয় প্ৰকাশকৰ দ্বাৰা এই গ্ৰন্থমেলা আৰম্ভ হৈছিল। উল্লেখ্য যে ফ্ৰেংকফুৰ্ট গ্ৰন্থমেলাই হ'ল সৰ্ববৃহৎ গ্ৰন্থমেলা। অৱশ্যে এই গ্ৰন্থমেলাৰ ইতিহাস প্ৰায় পাঁচশ বছৰৰো অধিক। আনকি ১৭ শতিকাৰ পাছত এই গ্ৰন্থমেলাই ইউৰোপত বিশেষ স্থান দখল কৰি ইতিহাস ৰচিছিল। উল্লেখনীয় যে ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ উন্নয়নতো এই গ্ৰন্থমেলাই অৰিহণা যোগোৱাত দ্বিতীয় বিশ্বযুদ্ধৰ পাছত প্ৰথমবাৰৰ বাবে অৰ্থাৎ ১৯৪৯ খ্ৰীষ্টাব্দত ছেণ্ট প'ল চাৰ্চতো এই গ্ৰন্থমেলা অনুষ্ঠিত হৈছিল। তথ্যগতভাৱে উল্লেখনীয় যে এই গ্ৰন্থমেলা জাৰ্মান প্ৰকাশন আৰু গ্ৰন্থ বিক্ৰেতা সংস্থাৰ পৰিচালনাত পাঁচদিন ধৰি অনুষ্ঠিত হৈছিল। তাৎপৰ্যপূৰ্ণ যে দুই লাখ ৮৬ হেজাৰ দৰ্শক-পাঠকৰ সমাহাৰ ঘটা এই গ্ৰন্থমেলাত এশখন দেশে অংশগ্ৰহণ কৰিছিল।

উল্লেখ্য যে গ্ৰন্থমেলাৰ উৎস সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰিলে স্পষ্ট হ'ব পাৰি এনেবোৰ বিষয়ৰ জৰিয়তে— যিবোৰে এখন গ্ৰন্থমেলাক গ্ৰন্থ ক্ৰয় আৰু গ্ৰন্থ অধ্যয়নৰ মাধ্যমত অৱস্থান কৰায়, সেইবোৰেই হ'ল প্ৰকাশক, ব্যৱসায়িক প্ৰকাশন, ব্যৱসায়িক এজেণ্ট, কিতাপ বিক্ৰেতা, পুথিভঁৰালী, কথাছবি নিৰ্মাতা, ছপা যন্ত্ৰ প্ৰতিষ্ঠান, অনুবাদক, শিল্পী, ৰচক, গ্ৰাহক, কৰ্মী আদিৰ সৌহাৰ্দ্যপূৰ্ণ যোগসূত্ৰ। এনেবোৰ ক্ৰিয়াত্মক দিশেৰেই ১৯৮৪ খ্ৰীষ্টাব্দত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে গুৱাহাটী গ্ৰন্ধমেলা জজ খেল পথাৰত অনুষ্ঠিত হৈছিল। অৱশ্যে এই গ্ৰন্থমেলাৰ নেতৃত্ব দিছিল বিশিষ্ট সাহিত্যিক-সাংবাদিক চন্দ্ৰপ্ৰসাদ শইকীয়াই। পিছে তেতিয়াৰ পৰাই এই গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে।

গ্ৰন্থমেলাৰ প্ৰাসংগিকতা কি আৰু ইয়াৰ প্ৰায়োগিক দৃষ্টিভংগী আছে নে নাই, এই প্ৰসংগত আমি ক'ম যে গ্ৰন্থমেলাৰ প্ৰায়োগিক দৃষ্টিভংগী বিশাল। য'ত জড়িত হৈ থাকে কে'বাটাও মৌলিক তত্ত্বপূৰ্ণ দিশ। সাধাৰণতে বহুলোকৰ মাজত গ্ৰন্থমেলা সম্পৰ্কীয় এটা ভ্ৰান্ত ধাৰণাৰহে উদ্ৰেক হয়। তেওঁলোকে কেৱল প্ৰকাশক-বিক্ৰেতা আৰু লেখকসকলৰ আৰ্থিক উপাৰ্জনৰ দিশটোকে মূল ভ্ৰান্ত ধাৰণাৰ দিশ হিচাপে লৈ গ্ৰন্থমেলালৈ নাযায় আৰু কিতাপ এখনো নিকিনে। আমাৰ আজিৰ এই আলোচনাত দৃঢ়ভাৱে ক'ম যে একোখন গ্ৰন্থমেলাই বৌদ্ধিক বিকাশ আৰু জ্ঞান সমৃদ্ধিশালী সংহতিকো সূচনা কৰে। বছৰটোৰ প্ৰতিটো মাহতে যিকোনো বিষয়ৰ গ্ৰন্থ প্ৰকাশ হয়। পিছে এই গ্ৰন্থবোৰ প্ৰাপ্তিৰ ক্ষেত্ৰত বিশেষ অসুবিধা হয়। সেয়ে ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত যদি বছৰটোৰ ভিতৰত দুখনকৈ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হয় তেতিয়া হ'লে পাঠক-জনসাধাৰণে এই গ্ৰন্থমেলাৰ জৰিয়তে পছন্দৰ যিকোনো গ্ৰন্থ কিনিবলৈ সক্ষম হ'ব।

উল্লেখ্য যে একোখন জিলা-মহকুমা-ৰাজ্য ভিত্তিত অনুষ্ঠিত কৰা গ্ৰন্থমেলাত প্ৰকাশন কেন্দ্ৰ বা বিক্ৰেতাৰে আন এক সৌহাৰ্দ্যপূৰ্ণ সংযোগ ঘটে। সম্প্ৰতি গুৱাহাটীত ৰাজ্যিক ভিত্তিত অসম প্ৰকাশন পৰিষদৰ অধীনত গুৱাহাটী গ্ৰন্থমেলা আৰু প্ৰকাশকসকলৰ উদ্যোগত উত্তৰ-পূৱ গ্ৰন্থমেলা দুখন ইতিমধ্যে অনুষ্ঠিত হৈ আহিছে। যি দুখন গ্ৰন্থমেলাই অসমৰ এচাম সচেতন পাঠক-পাঠিকাক সততে উপকৃত কৰিছে। পিছে এটা কথা ক'বই লাগিব যে এই দুয়োখন গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বিশেষ উছাহমূলক অৰিহণা থকা দেখা নগ'লেও বৰ্তমান অনুষ্ঠিত গ্ৰন্থমেলাই বিশেষত্ব বহন কৰিছে। কিয়নো দুয়োখন গ্ৰন্থমেলাক একত্ৰিত কৰি 'অসম গ্ৰন্থমেলা' নামকৰণেৰে প্ৰকাশক গোষ্ঠী আৰু বিক্ৰেতাসকলৰ সহযোগত গ্ৰন্থমেলাক বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। আনহাতে, একোখন গ্ৰন্থমেলাই ছাত্ৰ-ছাত্ৰী সমন্বিতে



সচেতন পাঠকসকলক বৌদ্ধিকত্ব অৰ্জনত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে সামাজিক দায়বদ্ধতা আৰু সামন্বয়িক সাহিত্য-সংস্কৃতিতো ইতিহাস ৰচনা কৰাৰ প্ৰাসংগিকতা বিৰাজমান।

গ্ৰন্থমেলা— য'ত সাধাৰণতে গ্ৰন্থ বা কিতাপৰ কথাকে কোৱা হয়। ভিন্নধৰ্মী ৰুচিপূৰ্ণ গ্ৰন্থ বা কিতাপৰে বৰ্ণাঢ্য হৈ আনন্দ আৰু উৎসৱমুখৰ হৈ পৰে গ্ৰন্থৰ সুৱাসেৰে গ্ৰন্থমেলা থলী। মূৰ্ত হৈ উঠে জীৱন জিজ্ঞাসাৰ প্ৰসৰিত বাট। সৃষ্টিৰ অনাবিল উৎস গ্ৰন্থই আনি দিয়ে মানৱ দৰ্শন, শিক্ষা দৰ্শন, জ্ঞান দৰ্শন, সমাজ দৰ্শন, ধৰ্ম দৰ্শন, সংস্কৃতি দৰ্শন আৰু ঐতিহ্য দৰ্শনৰ সমাহাৰ। গতিকে আমাৰ অনুভৱী মস্তিষ্কত গ্ৰন্থই জ্বলায় জ্ঞানৰ চাকি, বুদ্ধি আৰু মেধাৰ শক্তি, জিজ্ঞাসপূৰ্ণ বিকাশৰ লক্ষ্যপথ। যি গ্ৰন্থ ৰুচি অনুযায়ী পাঠকে পাব পাৰে গ্ৰন্থমেলাৰ বিপণীত।

গ্ৰন্থমেলাৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তা এই কাৰণেই প্ৰযোজ্য যে আমাৰ ৰাজ্যখনৰ চুকে-কোণে গঢ়ি উঠা গ্ৰন্থ বিপণীসমূহত সকলো ধৰণৰ গ্ৰন্থ পোৱা নাযায়। যিবোৰ গ্ৰন্থ সময়োপযোগী শিক্ষা তথা জ্ঞান আৰু প্ৰায়োগিক দৃষ্টিত অতি প্ৰয়োজন, সেই বাবে তেনেবোৰ গ্ৰন্থ পাবলৈ হ'লে ৰাজ্যিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত অন্ততঃ বছৰত দুখন (ছমাহৰ মূৰত) গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ প্ৰয়োজনবোধ হয় আৰু গ্ৰন্থবোৰ পোৱাৰো সুযোগ হ'ব। কিয়নো গ্ৰন্থৰ চাহিদা যিহেতু আনবোৰ দিশতকৈয়ো শিক্ষা আহৰণ কাৰ্যতহে প্ৰাধান্যতা আছে, সেয়েহে গ্ৰন্থমেলাৰ ক্ৰিয়াশীল অৱস্থিতিও প্ৰণিধানযোগ্য।

### গ্ৰন্থবিভ্ৰাট আৰু লেখক-প্ৰকাশকৰ দায়িত্ব

গ্ৰন্থমেলাৰ দিন যিমানেই চমু চাপি আহে সিমানেই লেখক-প্ৰকাশকসকল তৎপৰ হৈ পৰা দেখা যায়। পিছে গ্ৰন্থমেলাত এইসকল লেখক-প্ৰকাশকে গ্ৰন্থবোৰ বিক্ৰীৰ স্বাৰ্থত যিদৰে গ্ৰন্থ প্ৰকাশ কৰে, তেনেদৰে তেওঁলোকে গ্ৰন্থৰ বিভ্ৰাটপূৰ্ণ বিষয়লৈ তৎপৰ বা সচেতন হোৱা দেখা নাযায়। গ্ৰন্থ এখনৰ ভিতৰভাগত বৰ্ণিত কাহিনী, চিত্ৰপট, প্ৰাসংগিক আলোচনা আদি যিদৰে ৰস আস্বাদনী সুলভ হ'ব লাগে, একেদৰে শব্দ আৰু বাক্য চয়নতো মান্যতা ৰক্ষা আৰু শুদ্ধ হোৱাৰ প্ৰয়োজন আছে। ভুল শব্দ আৰু ভুল বাক্য চয়নেৰে লেখক-প্ৰকাশকসকলে গ্ৰন্থ প্ৰকাশ কৰি ধন ঘটিলেই গ্ৰন্থৰ মান্যতা ৰক্ষা নহয়। কাৰণ এখন গ্ৰন্থই পাঠকক শব্দ-বাক্য আৰু তথ্য আহৰণৰ জ্ঞান শিক্ষা দিয়াত সহায় কৰে। সম্প্ৰতি অসমত লেখক আৰু প্ৰকাশকৰ সংখ্যালৈ লক্ষ্য কৰিলে লেখকৰ সংখ্যা শতকৰা ৩৫ আৰু প্ৰকাশকৰ সংখ্যাও ২৫ৰ পৰা ৩০ শতাংশৰ ভিতৰত হ'ব; কিন্তু ইমান সংখ্যক লেখকে শুদ্ধ ৰূপ বৰ্ণিত শব্দ-বাক্য চয়নেৰে আজিও কোনো এখন গ্ৰন্থ প্ৰকাশ কৰিব পৰা দেখা নগ'ল। প্ৰতিখন গ্ৰন্থতে ভুল শব্দ-বাক্য উপস্থাপন হোৱাৰ নজিৰ আছে; কিন্তু সেইসকল লেখক-প্ৰকাশকে কেৱল ছপাশালৰ কৰ্মীক দোষাৰোপ কৰি ভুল দিশটোৰ পৰা হাত সাৰিব খোজে। যিসকল লেখকে গল্প, কবিতা, উপন্যাস, প্ৰবন্ধ, নাটক, ৰস-ৰচনা আদি গ্ৰন্থ লিখি প্ৰকাশকৰ দ্বাৰা প্ৰকাশ কৰিছে সেই গ্ৰন্থবোৰৰ ভুল শব্দ-বিন্যাসে গ্ৰন্থ সাহিত্যৰ মৰ্যাদা হানি কৰিছে, বিশেষকৈ গ্ৰন্থমেলাখন অহাৰ আগৰ দিনকেইটাত লেখক আৰু প্ৰকাশকসকলৰ মূৰ দাঙিব নোৱৰা পৰিৱেশ তেওঁলোকে নিজেই সৃষ্টি কৰি গ্ৰন্থ প্ৰকাশৰ প্ৰতিযোগিতাত নামি পৰে। আনহাতে, এনে কিছু লেখক-সাহিত্যিক-সংবাদসেৱীও ওলাইছে যে তেওঁলোকে কেৱল গ্ৰন্থমেলাত গ্ৰন্থ প্ৰকাশ কৰি উন্মোচন কৰাৰ দৃশ্য এটা বাতৰি কাকতত প্ৰচাৰ কৰাৰ প্ৰতিযোগিতা সুলভ গৌৰৱ অৰ্জনৰ লগতে বিপণীত বিক্ৰী কৰাৰ মানসিকতা লৈহে গ্ৰন্থ প্ৰকাশ কৰি আহিছে। এইটো স্পষ্ট যে তেনেবোৰ গ্ৰন্থৰ কোনো ভৱিষ্যৎ নাই আৰু কোনো জ্ঞান শিক্ষাৰ নজিৰো নাথাকে। আকৌ আমাৰ সমাজত এনে লেখক-সাহিত্যিকো ওলাইছে যে সিকলে এটা শব্দও নিলিখি আনৰ হতুৱাই লিখি ধন-দৌলতৰ গৰ্বত গৰ্বিত হৈ নিজৰ নামত গ্ৰন্থ প্ৰকাশ কৰি লেখক হৈছে আৰু সাহিত্যিক পেন্সন লাভ কৰিবলৈ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে। গতিকে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত লেখক-প্ৰকাশকসকল যিদৰে দায়বদ্ধ হৈ পৰে, তেনেদৰে শুদ্ধ শব্দ-বাক্য চয়নতো দায়িত্ববোধ থকাটো বাঞ্ছনীয়।

ফোন ঃ ৭৫৭৮০৮৬৬৪১

গুৱাহাটী, ৪ জানুৱাৰী, ২০২২ মঙলবাৰ পৃষ্ঠা ৫

দৈনিক অগ্ৰদূত

# জাপানী কলা ইকেবানাৰ পৰিচয়



অৱলোকন

অহল্যা গগৈ

চিত্ৰকলা, স্থাপত্য আৰু ইকেবানা আদি কলাত শিল্পীৰ নিজ প্ৰতিভাৰ বোধিগত উপলব্ধিৰ প্ৰকাশ হয়। সুন্দৰতাক মানুহে ব্যাখ্যা কৰিব নোৱাৰে, উপলব্ধিহে কৰিব পাৰে। মহান দাৰ্শনিকসকলে কোৱাৰ দৰে আটাইবোৰ পাৰ্থিৱ বস্তুতে থকা সৌন্দৰ্য সকলো মানুহে দেখা নাপায়; যিজনে সেই সৌন্দৰ্য দেখা পায় সেয়া কেৱল দেখোতাজনৰ বাবেহে সুন্দৰ।

**জাপান** কবিতাৰ দেশ। এইদেশৰ ‘হাইকু’ কবিতা সৰ্বজনবিদিত। একোটা কবিতাৰ দৰে এখন চিত্ৰয়ো তাৰ সীমাৰ ভিতৰতে অসীমৰ বতৰা দিয়ে। চিত্ৰকলা, স্থাপত্য আৰু ইকেবানা আদি কলাত শিল্পীৰ নিজ প্ৰতিভাৰ বোধিগত উপলব্ধিৰ প্ৰকাশ হয়। সুন্দৰতাক মানুহে ব্যাখ্যা কৰিব নোৱাৰে, উপলব্ধিহে কৰিব পাৰে। মহান দাৰ্শনিকসকলে কোৱাৰ দৰে আটাইবোৰ পাৰ্থিৱ বস্তুতে থকা সৌন্দৰ্য সকলো মানুহে দেখা নাপায়; যিজনে সেই সৌন্দৰ্য দেখা পায় সেয়া কেৱল দেখোতাজনৰ বাবেহে সুন্দৰ। সৰ্বব্যাপী প্ৰকৃতিক নিৰীক্ষণ কৰিব জানিলে বাটৰ কাষৰ অনাদৃত দূবৰি বন জোপাতো মানুহে সৌন্দৰ্য দেখা পায়। জোনাক নিশাৰ স্নিগ্ধতা, বাৰিষাৰ বৰষুণ, শীতৰ কুঁৱলী আৰু বসন্তৰ সুবাসে শিল্পীৰ কল্পনাক সজাগ কৰি নতুনক সৃষ্টি কৰিছে। চিৰস্থায়ী প্ৰকৃতিৰ বিভিন্ন কালৰ বিভিন্ন ৰূপ নিৰীক্ষণ কৰিয়েই চিত্ৰকৰে তুলিকাৰে একোটি চিত্তাকৰ্ষক দৃশ্য ফুটাই তুলিছে আৰু খনিকৰে একো একোটা অপূৰ্ব সুন্দৰ স্থাপত্যৰ কলাকীৰ্তি গঢ়ি উলিয়াইছে। পাইন গছৰ আকাৰৰ প্ৰাচ্যৰ পেগোদা, পৰ্বতৰ আকাৰৰ মিছৰৰ পিৰামিড, সৰোবৰৰ পদুম ফুলৰ আকাৰৰ দিল্লীৰ ‘বাহাই মন্দিৰ’ আদি অনেক স্থাপত্যৰ কলাকীৰ্তিবিলাক শিল্পীসকলে প্ৰকৃতিক অনুকৰণ কৰিয়েই গঢ়ি উলিয়াইছে। সেউজীয়া প্ৰকৃতিৰ ফুলি থকা ধুনীয়া ফুলপাহে সৌন্দৰ্য পিপাসু মানৰ মনক আনন্দ দি কবিতা আৰু সাহিত্য ৰচনাৰ প্ৰেৰণা যোগাইছে। ভাৰতত ফুল বিনে যেনেকৈ কোনো সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান পাতিব নোৱাৰে, জাপান দেশত ফুল বিনে কোনো গৃহস্থলী ঘৰ চলিব নোৱাৰে। মনোমোহাকৈ ফুলি থকা গছ এজোপা ভগৱানৰ এটা অপৰূপ সৃষ্টি। কিন্তু ফুলি থকা গছজোপাৰ ঠাল-ঠেঙুলিবিলাক ঘৰৰ চাৰিবেৰৰ মাজত সজীৱকৈ ৰাখি সৌন্দৰ্য উপভোগ কৰিবলৈ হ’লে ফুলি থকা গছজোপাৰ প্ৰতিৰূপ মানুহে সৃষ্টি কৰিব লাগিব। ফুল গছৰ ঠাল-ঠেঙুলিবিলাক অন্য সামগ্ৰীৰ স’তে একত্ৰিত কৰি এটা প্ৰাকৃতিক দৃশ্যৰ প্ৰতিৰূপ সৃষ্টি কৰিবলৈ জাপানীসকলে যি কৰ্ম-কৌশল ব্যৱহাৰ কৰে, সেই কৰ্ম-কৌশলকে পুষ্পসজ্জা বা ইকেবানা বুলি কোৱা হয়। জাপানী ভাষাত ‘ইকে’-ৰ অৰ্থ সজোৱা আৰু ‘বানা’ৰ অৰ্থ ফুল। জাপানত ফুল আৰু গছৰ ডাল পাতেৰে কৰা পুষ্পসজ্জাৰ দ্বাৰাই প্ৰকৃতিৰ এটা বিশেষ পৰিৱেশৰ ভাব ফুটাই তোলাৰ যি বৈশিষ্ট্য আছে সি পৃথিৱীৰ অন্য কোনো দেশতেই নাই। ইকেবানাৰ ছশ বছৰীয়া পুৰণি ইতিহাসত এই কলাই জাপানৰ স্থাপত্য, সংস্কৃতি আৰু অৰ্থনীতিৰ ক্ৰমবৰ্ধমান পৰিৱৰ্তনৰ লগত খাপ খুৱাই বৰ্তমানৰ ৰূপ লৈছেহি। এই দেশৰ শিল্পীসকলে ইকেবানাক জাপানতে আবদ্ধ কৰি ৰখা নাই; তেওঁলোকে পৃথিৱীৰ নানা দেশত এই কলাৰ প্ৰশিক্ষণ কেন্দ্ৰ পাতিছে আৰু ইকেবানাৰ ভাব প্ৰকাশৰ লগত অন্য দেশৰ সমন্বয় ৰাখি এই কলাক জনপ্ৰিয় কৰি তুলিছে। ইকেবানাই মানুহক প্ৰকৃতিৰ পূজাৰী হ’বলৈ শিকোৱাৰ লগতে পৰিৱেশ সৌন্দৰ্যকৰণৰ চেতনাৰ জাগৰণ আনি প্ৰকৃতিক উচ্ছেদৰ পৰা ৰক্ষা কৰাৰ সহায়ক হৈছে। প্ৰগতিৰ শিখৰৰ জখলাত আৰোহণ কৰি আমি এনে এটা দিনত আহি পৰিছো যে প্ৰকৃতিৰ সজীৱতাক বিচাৰি পোৱাটো দুৰ্লভ হৈ পৰিছে। ফুল-পাতেৰে সজাই প্ৰাকৃতিক দৃশ্যৰে একোটা জাপানী পুষ্পসজ্জাৰে প্ৰকৃতিৰ সজীৱতাক ঘৰৰ চাৰিবেৰৰ মাজত সৃষ্টি কৰিব পৰা যায় বাবেই এই কলাই কৃত্ৰিমতাক দূৰ কৰাত গুৰুত্ব লাভ কৰিছে। ফুলগছৰ ফুল আৰু পাত ভগৱানৰ এটা অপূৰ্ব সৃষ্টি; কিন্তু ফুল-পাতেৰে সজোৱা একোটা পুষ্পসজ্জা শিল্পীৰ এক মনোৰম সৃষ্টি। জাপানৰ প্ৰসিদ্ধ ইকেবানা শিল্পী হাউন অ’হাৰাৰ ভাষাত ‘প্ৰকৃতিৰ বিভিন্ন পৰিৱেশ সৃষ্টি কৰা আৰু শিল্পীৰ সুখ-দুখৰ বিভিন্ন মনৰ ভাব প্ৰকাশ কৰা ইকেবানা মঞ্চত ফুলে নাট কৰা এখন নাটকৰ নিচিনা’। অতীত ইতিহাস আৰু শৃংখলাবদ্ধ ক্ৰমবিকাশৰ সাধনাৰে এই ইকেবানা কলা জাপানৰ সামাজিক আৰু ধৰ্মীয় দৰ্শনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। জাপানত ষষ্ঠ শতিকাত চীনদেশৰ পৰা বৌদ্ধ ধৰ্ম প্ৰচাৰ হোৱাৰ পাছৰে পৰা এই ধৰ্মই দেশৰ ৰাজনীতি আৰু কলা সংস্কৃতিত এক অভূতপূৰ্ব বৰঙণি যোগাইছে। ষষ্ঠ শতিকাৰ শেষৰ ফালে জাপানৰ সম্ৰাজ্ঞী ‘চুই কো’ৰ শাসন কালত (খ্ৰীঃপূঃ ৫৭৮-৬২২) বৌদ্ধধৰ্ম চাৰিওফালে বিয়পি পৰি পৰৱৰ্তী ‘নাৰা’ যুগত (খ্ৰীঃপূঃ ৭১০-৭৯৪) বৌদ্ধ ধৰ্ম ৰাজ ধৰ্ম বুলি ঘোষণা কৰা হয়। ফলস্বৰূপে এই ধৰ্মৰ প্ৰচাৰ কাৰ্য ৰাজকাৰ্যত পৰিণত হৈ প্ৰতিখন প্ৰদেশতে বৌদ্ধ মঠ- মন্দিৰ নিৰ্মাণ কৰাৰ লগতে ৰাজধানী ‘নাৰা’-ত কেন্দ্ৰীয়ভাৱে ‘তো ডাইজী’ নামে এক বিশাল বৌদ্ধ মঠ নিৰ্মাণ কৰা হয়। ইয়াৰ পূজাৰ বেদীত ৫৩ ফুট ওখ ব্ৰঞ্জ ধাতুৰ বিশাল বুদ্ধ মূৰ্তি স্থাপন কৰে। বুদ্ধৰ বাণীত উদ্বুদ্ধ হৈ পুৰোহিতসকলে বুদ্ধ মূৰ্তিৰ আগত ৪০ ফুট ওখ পুষ্পসজ্জাৰে ভক্তি নিবেদন কৰিছিল। এই উছৰ্গা কৰা পুষ্পসজ্জাবোৰৰ কৰ্মকৌশল অতি জটিল আছিল আৰু কৰ্মকৌশলবোৰ কেৱল পুৰোহিত আৰু তেওঁলোকক বংশ পৰিয়ালৰ মাজত আবদ্ধ কৰি ৰাখিছিল। কিন্তু পিছৰ যুগৰ কলাকাৰসকলে ইকেবানাৰ এনে জটিল কৰ্মকৌশলবোৰ নস্যাৎ কৰি একোজন কলাকাৰে অন্তৰত উপলব্ধি কৰা কলা প্ৰতিভাৰে একোটা সুন্দৰ শিল্পকৰ্ম গঢ়ি উলিয়াবলৈ সক্ষম হয়। ইকেবানাৰ প্ৰণেতাসকলেও কলাকাৰৰ এই আত্মিক শক্তিৰ দিশটো উপলব্ধি কৰি পিছৰ কালৰ ইকেবানাবোৰৰ প্ৰণালীবিহীন আৰ্হিৰ নামকৰণ কৰে আৰু নিজ প্ৰতিভাৰে কৰা শিল্পকৰ্ম সৃষ্টি কৰিবলৈ স্বাধীনতা দিয়ে।

নিজ প্ৰতিভা আৰু সৃজনী শক্তিৰে কৰা এই লেখিকাৰ দুটা পুষ্পসজ্জাৰ বৰ্ণনা দি ইয়াৰ কৰ্মকৌশল ১ নম্বৰ আৰু ২ নম্বৰ চিত্ৰত দিয়া হ’ল। ১ নম্বৰ চিত্ৰত দিয়া পুষ্পসজ্জাটোৰ নাম দিয়া হৈছে— ‘সখীক সুঁৱৰি’ সৰোবৰৰ পাৰত ফুল-পাতেৰে ভৰি থকা এজোপা জাতিস্কাৰ গছৰ মনোৰম পৰিৱেশত এটা অকলশৰীয়া হাঁহে শিলৰ ওপৰত বহি দূৰৈৰ সখীয়েকজনীক মনত পেলোৱাৰ ভাৱ ফুটাই তোলা হৈছে। এটা ফুলৰ কুকিৰ ভিতৰৰ পৰা ওলোৱা উজ্জ্বল বগা ফুটফুটীয়া সেউজীয়া পাতে আৰু বৈ পৰা নাষ্টাৰচিয়াম’ ফুলৰ লতাই মাটিত বগাই নানা ভংগিমাৰে আনন্দমুখৰ ২ নম্বৰ ‘ফুলে কথা কয়’।

পৰিৱেশটোৰ ভাব প্ৰকাশ কৰিছে। সজ্জাটোৰ কৰ্মকৌশল হ’ল—এটা ফুলৰ কুকিৰ ভিতৰত প্লাষ্টিক বা আইনাৰ পাত্ৰ এটাত বালি ভৰাই বালি তিতি যোৱাকৈ পানী ঢালি কুকিটোৰ ওপৰখন জালেৰে বান্ধি দিয়া হৈছে। টাবত গজা সেউজীয়া ফুট থকা আলংকাৰিক পাত ঠাৰিৰে স’তে ছিঙি কুকিটোৰ জালৰ মাজেৰে ভৰাই পাত্ৰৰ তিতা বালিত গুজি দিয়া হৈছে আৰু ‘নাষ্টাৰচিয়াম’ ফুলৰ দীঘল লতা এডালৰ গুৰিটো পাত্ৰৰ তিতা বালিত গুজি দি ছবিত দেখুওৱাৰ দৰে সিটো আগ বৈ পৰাকৈ ৰখা হৈছে। Pin holderৰ বদলি বালি আৰু ব্যৱহাৰ কৰা হৈছে।



১ নম্বৰ ‘সখীক সুঁৱৰি’



*২ নম্বৰ চিত্ৰত দিয়া সজ্জাটোৰ নাম ‘ফুলে কথা কয়’*



জলবায়ু পৰিৱৰ্তন, কাৰণ আৰু প্ৰভাৱ

# পৃথিৱীখন ৰক্ষা পৰিবনে?

ইউনুছ ছেলিম

বৃহৎ প্ৰাকৃতিক দুৰ্যোগ, বতৰৰ বিভিন্নতা, গোলকীয় উষ্ণতাকে আদি কৰি যিবোৰ পাৰিপাৰ্শ্বিকতাৰ সমস্যা আমাৰ সন্মুখত উপস্থিত হৈছে, সেইবোৰৰ প্ৰতি সচেতনতা বৃদ্ধি কৰাটো একান্তই জৰুৰী হৈ পৰিছে। আমাৰ ধুনীয়া ধৰাখনি বৃহৎ পাৰিপাৰ্শ্বিক সংকটৰ গৰাহত উপনীত হৈছে। সাম্প্ৰতিক পাৰিপাৰ্শ্বিক সমস্যাসমূহে আমাক বিভিন্ন দুৰ্যোগৰ ফালে লৈ গৈ আছে। পৰিৱেশৰ এই সমস্যাসমূহ যদি আমি আওকাণ কৰো আৰু সমাধান কৰিবলৈ চেষ্টা নকৰো, এইটো ধুৰুপ যে আমি বৃহৎ ধ্বংসাত্মক দুৰ্যোগৰ ফালে গতি কৰিম।

**আমি** বসবাস কৰা পৃথিৱীখনৰ পৰিৱেশ দ্ৰুতগতিত পৰিৱৰ্তন হৈ ই জীৱকুলৰ বসবাসৰ প্ৰতিকূল অৱস্থা এটাৰ ফালে ধাৱমান হৈছে। বৃহৎ প্ৰাকৃতিক দুৰ্যোগ, বতৰৰ বিভিন্নতা, গোলকীয় উষ্ণতাকে আদি কৰি যিবোৰ পাৰিপাৰ্শ্বিকতাৰ সমস্যা আমাৰ সন্মুখত উপস্থিত হৈছে, সেইবোৰৰ প্ৰতি সচেতনতা বৃদ্ধি কৰাটো একান্তই জৰুৰী হৈ পৰিছে। আমাৰ ধুনীয়া ধৰাখনি বৃহৎ পাৰিপাৰ্শ্বিক সংকটৰ গৰাহত উপনীত হৈছে। সাম্প্ৰতিক পাৰিপাৰ্শ্বিক সমস্যাসমূহে আমাক বিভিন্ন দুৰ্যোগৰ ফালে লৈ গৈ আছে। পৰিৱেশৰ এই সমস্যাসমূহ যদি আমি আওকাণ কৰো আৰু সমাধান কৰিবলৈ চেষ্টা নকৰো, এইটো ধুৰুপ যে আমি বৃহৎ ধ্বংসাত্মক দুৰ্যোগৰ ফালে গতি কৰিম।


বিগত কে’বাদশকত ক্ৰমবৰ্ধমান ৰূপত উপস্থিত হোৱা পাৰিপাৰ্শ্বিক সমস্যাসমূহৰ ভিতৰত অন্যতম হিচাপে পৰিগণিত হোৱা সমস্যাই হ’ল জলবায়ু পৰিৱৰ্তন। কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা ক্ষতিকাৰক গেছ তথা জীৱাশ্ম (কয়লা পেট্ৰ’লজাত) ইন্ধন জ্বলনৰ বাবে বায়ুমণ্ডলৰ উষ্ণতা ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে, যাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি পাই আহিছে, যাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে আৰু জলবায়ুৰ পৰিৱৰ্তন হ’বলৈ ধৰিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত মেৰুপ্ৰদেশৰ তথা অন্যান্য বৰফাবৃত অঞ্চলৰ বৰফবোৰ গলিছে, যাৰ ফলস্বৰূপে সাগৰৰ পানী বৃদ্ধি হৈ জলস্তৰ ওপৰলৈ উঠি আহিবলৈ আৰম্ভ কৰিছে। সাগৰপৃষ্ঠ বাঢ়ি আহি উপকূলীয় অঞ্চলৰ বহু জনবসতি (চহৰ-নগৰ) অঞ্চল সাগৰৰ পানীত বুৰ যোৱাৰ উপক্ৰম হৈছে। জলবায়ু পৰিৱৰ্তনৰ অন্যান্য কুফলসমূহ হ’ল, ঋতু পৰিৱৰ্তন চক্ৰৰ বিশৃংখলতা, নতুন নতুন ৰোগৰ আগমন। অপ্ৰাকৃতিক বৰষুণ, বানপানী, ধুমুহা, খৰাং অৱস্থা, তুষাৰপাত, মৰুকৰণ, বনজুইৰ প্ৰাদুৰ্ভাৱ, গ্ৰীষ্মপ্ৰবাহ ইত্যাদি।

জলবায়ু পৰিৱৰ্তন কৃষি কাৰ্যৰ বাবে এক বৃহৎ সমস্যা। কোন ঠাইত, কি ঋতুত কি শস্যৰ খেতি কৰিব লাগে ই নিৰ্ভৰ কৰে জলবায়ুৰ সাধাৰণ অৱস্থাৰ ওপৰত। ঋতুচক্ৰৰ বিশৃংখলতা, অস্বাভাৱিক বতৰ তথা পানী যোগানৰ পূৰ্বানুমান কৰিব নোৱাৰা অৱস্থাৰ বাবে সমগ্ৰ বিশ্বৰ খেতিয়কৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। খেতিপথাৰবোৰত হাবি-জংঘল, পোক-ৰোগৰ আগ্ৰাসনত শস্যৰ উ ৎপাদনশীলতা কমি গৈছে। অস্বাভাৱিক বানপানী অথবা খৰাং অৱস্থাৰ বাবে শস্যৰ উৎপাদন অস্বাভাৱিকভাৱে কমিব ধৰিছে। আফ্ৰিকা, এছিয়া আদি মহাদেশত মাত্ৰাধিক তাপবৃদ্ধিৰ ফলত স্পষ্ট গ্ৰীষ্মপ্ৰবাহৰ বাবে বছৰি বহু লোকে প্ৰাণ হেৰুৱায়। উত্তপ্ত বায়ুমণ্ডলত ধোঁৱা আৰু কুঁৱলীৰ সংমিশ্ৰণত সৃষ্ট স্মগৰ বাবে হাওঁফাঁওৰ জ্বলন, হাপানী ৰোগ আৰু চকুৰ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হ’বলৈ ধৰিছে। উষ্ণতা বৃদ্ধিৰ বাবে খাল-বিলৰ পানীত বেক্টেৰিয়া, ফাংগাছ ইত্যাদি বৃদ্ধি হ’বলৈ ধৰিছে। অষ্ট্ৰেলিয়া মহাদেশ সৰ্বাত্মক বিধ্বংসী বনজুইৰ কবলত পৰা, মধ্যপ্ৰাচ্য আৰু এছিয়াৰ বৃহৎ অংশ কাকতি ফৰিঙৰ উপদ্ৰৱৰ চিকাৰ হোৱা ইত্যাদি পৰিঘটনা জলবায়ু পৰিৱৰ্তনৰে প্ৰভাৱ। এণ্টাৰ্কটিকাত ২০ ডিগ্ৰী ছেণ্টিগ্ৰেডৰ ওপৰতো উষ্ণতা বৃদ্ধি, কল্পনাতীতভাৱে গ্ৰীণলেণ্ডৰ বৰফ গলন, মেৰু অঞ্চলৰ ভূমিৰ তলৰ বৰফ গলি হোৱা ভূমিস্খলন, বৰ্ষাৰণ্য আমাজনৰ বনাঞ্চল হ্ৰাস, বায়ুমণ্ডলৰ বাবে ক’ভিড-১৯ৰ প্ৰাদুৰ্ভাৱ, শতিকাৰ সৰ্ববৃহৎ বানপানীত চীন আৰু কেনিয়াৰ আহুকাল, মিথেনৰ মাত্ৰাধিক বৃদ্ধি, কানাডাৰ অন্তিম অখণ্ড বৰফৰ পাহাৰৰ স্খলন, আমেৰিকাৰ এখন ৰাষ্ট্ৰীয় উদ্যানৰ আকস্মিক উত্তাপ বৃদ্ধি, বন্যপ্ৰাণীৰ সংখ্যাৰ অৱনতি, কেলিফৰ্ণিয়াৰ অভিলেখ ভংগকাৰী বনজুইৰ ধোঁৱাই সূৰ্যটো ঢাকি পেলোৱা অৱস্থাৰ সৃষ্টি কৰা ইত্যাদি জলবায়ু পৰিৱৰ্তনৰ একো একোটা পৰিঘটনা। জলবায়ু সংকটৰ বাবে গ্ৰীষ্মপ্ৰবাহ, ঘূৰ্ণীবতাহ, উষ্ণকতিবন্ধীয় ধুমুহা. অতিবৃষ্টি, অনাবৃষ্টি, বৃহৎ বানপানী, মেঘ বিস্ফোৰণ ইত্যাদি পৰিঘটনা হোৱা দেখা যায়।

গোলকীয় উষ্ণতাৰ হেতুকে মেৰু অঞ্চলৰ তাপমাত্ৰা দুগুণ বাঢ়িছে। উপগ্ৰহৰ চিত্ৰতথ্য অনুযায়ী ২০১৯ ত গ্ৰীণলেণ্ডৰ আইচচীটৰ অভিলেখ পৰিমাণৰ স্খলন হৈছে। এই হিমগলন গোটেই বছৰ জুৰি গড়ে প্ৰতি মিনিটত এক নিযুত টন। এই হাৰত হিমগলন অব্যাহত থাকিলে অচিৰেই সাগৰপৃষ্ঠ ছয় মিটাৰ ওপৰলৈ উঠিব। বৰফবোৰ গলিলে সাগৰৰ কদাপি ৰ’দ নপৰা পানীবোৰে ৰ’দ পাবলৈ আৰম্ভ কৰিব আৰু সাগৰৰ পানীৰ উষ্ণতা দ্ৰুতগতিত বাঢ়িব আৰু হিমগলনৰ প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আগবাঢ়িব। গৱেষণা আৰু ওকালতি এক সংস্থা ‘ক্লাইমেট চেণ্ট্ৰেল’ৰ প্ৰতিবেদনত প্ৰকাশ, ৩৪০ নিযুতৰ পৰা ৪৮০ নিযুত মানুহৰ বসতিস্থল উপকূলীয় অঞ্চলবোৰ এই শতিকাতে সাগৰৰ পানীত বুৰ যাব, যাৰ বাবে সেই লোকসকল নিৰাপদ স্থানলৈ প্ৰব্ৰজন কৰিব আৰু ওখ ঠাইবোৰৰ জনসংখ্যা বৃদ্ধি হৈ খাদ্যসংকটে দেখা দিব।

জলবায়ু পৰিৱৰ্তনৰ মুখ্য কাৰণ, গোলকীয় উষ্ণতা বৃদ্ধি। সৌৰ ধুমুহা, আগ্নেয়গিৰি ইত্যাদি প্ৰাকৃতিক কাৰণত গোলকীয় উষ্ণতা বৃদ্ধি হয় যদিও মানৱকৃত কাৰণসমূহৰ বাবে পৃথিৱীৰ বায়ুমণ্ডলৰ উষ্ণতা যথেষ্টভাৱে বৃদ্ধি পাবলৈ ধৰিছে। জনবিস্ফোৰণ, সম্পদ আহৰণৰ প্ৰতিযোগিতা, নগৰীকৰণ, বনাঞ্চল ধ্বংস, জীৱাশ্ম ইন্ধনৰ জ্বলন ইত্যাদিবোৰ কাৰণত বায়ুমণ্ডলৰ উষ্ণতা দৈনিক বৃদ্ধি হৈ আছে। কাৰ্বন-ডাই-অক্সাইড, মিথেন, নাইট্ৰাচ-অক্সাইড, জলীয় বাষ্প, ফ্লৰিনেটেড গেছ ইত্যাদিয়ে বায়ুমণ্ডলৰ উপৰিভাগত এক আস্বাদন সৃষ্টি কৰিছে, যাৰ ফলত ভূ-পৃষ্ঠৰ বিকিৰিত তাপ বায়ুমণ্ডলৰ পৰা ওলাই যাব নোৱাৰি বায়ুমণ্ডল গৰম কৰি তুলিছে। যাক আমি সেউজগৃহ প্ৰভাৱ বুলি কওঁ। গ্ৰীণহাউছ গেছৰ বৰ্ধিত নিৰ্গমনৰ ফলত বায়ুমণ্ডলৰ উত্তাপ ক্ৰমবৰ্ধমান হাৰত বাঢ়িব ধৰিছে আৰু ই জলবায়ু পৰিৱৰ্তনত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। কাৰ্বন-ডাই-অক্সাইড তাপ শোষণ কৰি বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগায়। বনাঞ্চল ধ্বংসৰ হেতুকে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে। আমি জানো যে সালোক সংশ্লেষণ পদ্ধতিৰে সূৰ্যৰ পোহৰত গছৰ পাতে কাৰ্বন-ডাই-অক্সাইড, পানী আৰু ধাতৱীয় লোণেৰে ইয়াৰ খাদ্য প্ৰস্তুত কৰে। খাদ্য প্ৰস্তুত কৰা এই পদ্ধতিত গছৰ পাতবোৰে বায়ুমণ্ডল অক্সিজেন এৰি দিয়ে আৰু তাৰ বিপৰীতে বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইডক কাৰ্ব’হাইড্ৰেটলৈ পৰিৱৰ্তন কৰি গছৰ বৃদ্ধিত ব্যৱহাৰ কৰে। এইদৰে বায়ুমণ্ডলৰ কাৰ্বনবোৰ গছে ইয়াৰ দেহত সুমুৱাই ৰাখে। ইয়াকে কাৰ্বন আবদ্ধকৰণ বোলা হয়। উক্ত কাৰণত বনাঞ্চলবোৰক কাৰ্বন-ডাই-অক্সাইডৰ প্ৰাকৃতিক নিমজ্জন থলী আৰু অক্সিজেনৰ উৎপাদক কোৱা হয়। বনাঞ্চল ধ্বংসৰ হেতুকে বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি যোৱাৰ বিপৰীতে কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি পাইছে আৰু তাৰ শোষণ কৰি বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিত অৰিহণা যোগাইছে।

মানৱকৃত কাৰকৰ বাবে সংঘটিত হোৱা আন এক পাৰিপাৰ্শ্বিক সমস্যা হ’ল অ’জ’নস্তৰৰ বিলোপ। ৰেফ্ৰিজেৰেটৰ শীত-তাপ নিয়ন্ত্ৰণ যন্ত্ৰ আদিত ব্যৱহৃত তথা ফোম বনোৱা কাৰখানা ইত্যাদিৰ পৰা নিৰ্গত ক্লৰফ্ল’ৰকাৰ্বন গেছে বায়ুমণ্ডলৰ উপৰিভাগৰ ষ্ট্ৰেট’স্ফেয়াৰ উপৰি অংশত বিদ্যমান অক্সিজেনৰ তিনি অণুৰে গঠিত অজন স্তৰৰ বিলোপ সাধন কৰি আছে। অজন স্তৰৰ পাতলীয়া হোৱা বাবে সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মি পৃথিৱী পৃষ্ঠলৈ আহি পৰিছে আৰু জীৱকুলৰ বিস্তৰ ক্ষতি কৰিবলৈ আৰম্ভ কৰিছে। অতি বেঙুনীয়া ৰশ্মিৰ বাবে ছালৰ কেন্সাৰ, চকুৰ কৰ্ণিয়াৰ ক্ষতি-ইত্যাদিৰ উপৰি পৰিৱেশতন্ত্ৰৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। সমুদ্ৰৰ খাদ্য শৃংখলৰ ভিত্তি স্বৰূপ ফাইটোপ্লেংকটনবোৰ অতি বেঙুনীয়া ৰশ্মিৰ বাবে হ্ৰাস পাবলৈ ধৰিছে। মাছ, কাছ উভচৰ প্ৰাণীবোৰৰ কণী (লাৰ্ভা) বোৰ অতি বেঙুনীয়া ৰশ্মিৰ বাবে নষ্ট হৈ যায়। অ’জনস্তৰৰ ক্ষতি কৰিব পৰা ক্ল’ৰ’কাৰ্বন গেছ ব্যৱহাৰ মণ্ট্ৰিল প্ৰ’টকলৰ প্ৰমুখ্যে অন্যান্য জাতি সংঘৰ বৈঠকৰ যোগেদি বন্ধ কৰিবলৈ দেশবোৰক বাধ্য কৰোৱা হৈছে যদিও এতিয়াও সম্পূৰ্ণৰূপে বাস্তৱায়িত হ’বলৈ বহু বাকী আছে। *ফোন ঃ ৯৪৩৫১৬৫৫৬১*



# পিতৃ-মাতৃৰ স’তে সময় কটাবলৈ চৰকাৰৰ এটি যোগাত্মক পদক্ষেপ



গোপাল জালান

**বঙাইগাঁৱত** অনুষ্ঠিত কেবিনেট বৈঠকৰ সময়ত যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হ’ল সেইবোৰৰ ভিতৰত এটা সিদ্ধান্তই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। ৰাজ্যিক কৰ্মচাৰীলৈ অহা ছয় আৰু সাত জানুৱাৰীত চৰকাৰে অতিৰিক্ত বন্ধ প্ৰদান কৰাৰ সিদ্ধান্তটোক লৈ বিগত দুই-তিনিদিন ধৰি ব্যাপক চৰ্চা হৈছে। চৰকাৰী কৰ্মচাৰীসকলে পিতৃ-মাতৃ আৰু শহুৰ-শাহুৰ স’তে সময় অতিবাহিত কৰিবলৈ এই দুদিন অতিৰিক্ত বন্ধ চৰকাৰে ঘোষণা কৰিছে। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। পিতৃ-মাতৃৰ লগতে শহুৰ-শাহুৰ স’তে সময় কটাবলৈ যি অতিৰিক্ত বন্ধ ঘোষণা কৰিছে সেয়া এক সুন্দৰ সিদ্ধান্ত। বহুতো চৰকাৰী চাকৰিয়ালে কৰ্মব্যস্ততাৰ বাবে পিতৃ-মাতৃৰ স’তে কথোপকথন কৰাৰ বাহিৰে একেলগে সময় অতিবাহিত কৰিবলৈ সময় নাপায়। কিছুমানে আকৌ কামৰ বোজাৰ বাবেও একেলগে বহিবলৈ সময় নাপায়। এইবোৰ গতানুগতিক বিষয়। পিছে সময় বৈ নাথাকে। পিতৃ-মাতৃ অথবা শহুৰ-শাহুৰ স’তে মাজে-সময়ে একেলগে বহি মনৰ কথাবোৰ বিনিময় নকৰিলে তেওঁলোকে এদিন মনত দুখ লৈয়ে এই সংসাৰৰ পৰা বিদায় ল’ব। তেতিয়া দুখ কৰি কিবা লাভ হ’ব জানো?

প্ৰতিগৰাকী পিতৃ-মাতৃয়ে বিচাৰে সন্তান ওচৰত থাকক। বিপদ-আপদৰ বন্ধুৰ দৰে হওক। একেলগে এখন ঘৰত থকাৰ আনন্দ লওক। ভাৰতীয় দৰ্শন তথা পৰম্পৰাতো সন্তানে পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰি অহাৰ ছবি এখন দেখিবলৈ পোৱা যায়। পৱন কুমাৰে অন্ধ পিতৃ-মাতৃক তীৰ্থস্থানলৈ কান্ধত ভাৰ বান্ধি নিছিল। জন্মদাতা পিতৃ-মাতৃতকৈ এই পৃথিৱীত আন কোনো শ্ৰেষ্ঠ নাই। পিতৃ-মাতৃৰ সমানেই শাহু-শহুৰো সন্মানীয়। কাৰণ সৰুৰে পৰাই অতি কষ্টৰে ডাঙৰ-দীঘল কৰে যদিও উপযুক্ত বয়সত এজন অচিন ল’ৰাৰ হাতত নিজ কন্যাৰ ভৱিষ্যৎ অৰ্পণ কৰে। যিহেতু কন্যাৰ বাবে পিতৃ-মাতৃয়ে ইমান মহান ত্যাগ স্বীকাৰ কৰিব পাৰে, তেনেহ’লে জোঁৱাইজনেও তেনে পিতৃ-মাতৃৰ ওচৰত কিয় থিয় দিব নোৱাৰে। ভাৰতীয় পৰম্পৰাক মোহাৰি আজি যুৱচামে যেন এনে আদৰ্শৰে আগবাঢ়ি যাব নোখোজে। লাহে লাহে যেন সমাজখনেও এইক্ষেত্ৰত নতুন প্ৰজন্মৰ মতকে সমৰ্থন কৰিব ধৰিছে। আজি পিতৃ-মাতৃৰ লগতে জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন কৰিবলৈ শিকাবলগীয়া পৰিস্থিতি এটিৰ সৃষ্টি হৈছে। সন্মান প্ৰদৰ্শন কৰা বিষয়টো কেতিয়াও বাচিক হ’ব নোৱাৰে। অন্তৰত যদি কাৰোবাৰ শ্ৰদ্ধাৰ ভাব নাথাকে তেতিয়া পিতৃ-মাতৃৰ স’তেও সময় অতিবাহিত নকৰে। আজি এনে এক পৰ্যায় পাইছেগৈ যে পিতৃ-মাতৃৰ স’তে থাকিবলৈ চৰকাৰে বিশেষ দিনৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইক্ষেত্ৰত আগভাগ লৈ পিতৃ-মাতৃৰ লগতে শাহু-শহুৰৰ স’তে এদিন সময় অতিবাহিত কৰিবলৈ বিশেষ বন্ধৰ ব্যৱস্থা কৰাটো নিঃসন্দেহে এক প্ৰশংসনীয় পদক্ষেপ। এনে পদক্ষেপে পিছে পৰোক্ষভাৱে সমাজ-ব্যৱস্থা কেনে ৰূপ হৈছে সেয়া প্ৰতিফলিত কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বা কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰি চাকৰিয়ালসকলক পিতৃ-মাতৃৰ স’তে এদিন হ’লেও থাকিবলৈ বাধ্য কৰাবলগীয়া হৈছে— যিহেতু এইবোৰ অন্তৰত ঠাই পোৱা বিষয়। সেয়ে এইক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা কৰাটোৰে একপ্ৰকাৰ চাকৰিয়ালসকলক এটা শিক্ষা দিছে। নীতিশিক্ষা যেতিয়া চৰকাৰে শিকাবলগীয়া হৈছে তেতিয়াই বুজিব পাৰিব পিতৃ-মাতৃৰ প্ৰতি কাৰ কিমান শ্ৰদ্ধা-ভক্তি ইত্যাদি। পিতৃ-মাতৃৰ স’তে সময় অতিবাহিত কৰা, কথোপকথন হোৱাৰ বাবে সময়ৰ প্ৰয়োজন জানো? যিকোনো দিনত, যিকোনো সময়তে সম্ভৱ। মাথোঁ ইয়াৰ বাবে প্ৰয়োজন মানসিকতাৰ। চাকৰিয়ালসকলে সাপ্তাহিক বন্ধৰ উপৰি উৎসৱ-পাৰ্বণ আদিত বন্ধ নাপাই জানো? তেতিয়াও যদি পিতৃ-মাতৃৰ কাষলৈ যায়, তেনেহ’লে আজি চৰকাৰে এনে সিদ্ধান্ত ল’বলগীয়া নহ’লহেঁতেন। ৰাজ্যত যাতে দিনক দিনে বৃদ্ধাশ্ৰম, বৃদ্ধালয় আদিৰ সংখ্যা বৃদ্ধি নাপায় তাৰ বাবেই হয়তো চৰকাৰে এনে আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। আজিকালি ৰাজ্যত বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে উদ্বেগজনকভাৱে। সমান্তৰালভাৱে বৃদ্ধি পাইছে সন্তানৰ অত্যাচাৰত ঘৰত থাকিব নোৱাৰি পদপথ অথবা ৰাস্তাত পৰি থকা লোকৰ সংখ্যা। আনকি সন্তানে সম্পত্তি আদিৰ লালসাত পৰি অসহায় পিতৃ-মাতৃক নিশা অকলশৰে ৰাজপথত এৰি যোৱাৰ ঘটনাও সংঘটিত হৈছে। ক্ৰমাৎ যেন পিতৃ-মাতৃৰ স’তে সন্তানৰ ব্যৱধান বৃদ্ধি পাবলৈ ধৰিছে। এনেধৰণৰ ব্যৱধান হ্ৰাস কৰাৰ লগতে বৃদ্ধাশ্ৰম আদিৰ সংখ্যা যাতে বৃদ্ধি নহয় তাৰ বাবে হয়তো চৰকাৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। যেতিয়া নিয়ম বা চৰকাৰীভাৱে নিৰ্দেশ জাৰি কৰা হয় তেতিয়া সকলোৰে ইয়াক মানিবলৈ বাধ্য। সকলো কৰ্মচাৰীয়ে কেৱল অতিৰিক্ত বন্ধৰ দিনতেই নহয়, সদায় পিতৃ-মাতৃৰ স’তে অলপ সময় হ’লেও কটাবলৈ চেষ্টা কৰা উচিত। *ফোন ঃ ৯৪৩৫১-০৩৯৭৭*

ৰাজ্যিক কৰ্মচাৰীলৈ অহা ছয় আৰু সাত জানুৱাৰীত চৰকাৰে অতিৰিক্ত বন্ধ প্ৰদান কৰাৰ সিদ্ধান্তটোক লৈ বিগত দুই-তিনিদিন ধৰি ব্যাপক চৰ্চা হৈছে। চৰকাৰী কৰ্মচাৰীসকলে পিতৃ-মাতৃ আৰু শহুৰ-শাহুৰ স’তে সময় অতিবাহিত কৰিবলৈ এই দুদিন অতিৰিক্ত বন্ধ চৰকাৰে ঘোষণা কৰিছে। নিঃসন্দেহে এয়া এক আদৰণীয় পদক্ষেপ। পিতৃ-মাতৃৰ লগতে শহুৰ-শাহুৰ স’তে সময় কটাবলৈ যি অতিৰিক্ত বন্ধ ঘোষণা কৰিছে সেয়া এক সুন্দৰ সিদ্ধান্ত।

দৈনিক অগ্ৰদূত

# দেশ-দেশান্তৰ

গুৱাহাটী, ৪ জানুৱাৰী, ২০২২ মঙলবাৰ, পৃষ্ঠা ৭

## ১.২২ লাখ কোটি টকাৰ ‘শ্বেয়াৰ’ বিক্ৰী মাস্কৰ, কি কামত কৰিব ব্যয় ?



**নিউজ ব্যুৰ’, টেক্সাছ, ৩ জানুৱাৰী ঃ** বিগত কে’বামাহত বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে তেওঁৰ কোম্পানী টেছলাৰ প্ৰায় ১৬.৪ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১.২২ লাখ কোটি টকাৰ ‘শ্বেয়াৰ’ বিক্ৰী কৰিলে। এই ধনৰাশি তেওঁ প্ৰথমে কৰ আদায়ৰ বাবে ব্যয় কৰিব। কৰ আদায়ৰ পাছত মাস্কৰ হাতত প্ৰায় ৫.৪ বিলিয়ন ডলাৰ ৰাহি হ’ব আৰু এইখিনি ধন মাস্কে আন কামত ব্যয় কৰিব। প্ৰথমে মাস্কে ১১ বিলিয়ন ডলাৰৰ যুক্তৰাষ্ট্ৰীয় কৰ আদায় দিব লাগিব। প্ৰকাশিত বাতৰি অনুসৰি, যুক্তৰাষ্ট্ৰীয় কৰ আদায়ৰ পাছত টেছলাৰ মুৰব্বীয়ে প্ৰায় দুই বিলিয়ন ডলাৰ কেলিফ’ৰ্ণিয়াত অতিৰিক্ত কৰ আদায়ৰ বাবে ব্যয় কৰিব পাৰে। বৰ্তমানে টেছলাৰ মুখ্য কাৰ্যালয় টেক্সাছত যদিও পূৰ্বে এই কোম্পানীটোৰ কাম-কাজ কেলিফ’ৰ্ণিয়াত আৰম্ভ কৰা হৈছিল। ইয়াৰ বাবদ প্ৰায় দুই বিলিয়ন ডলাৰৰ কৰ মাস্কে আদায় দিবলৈ আছে। কেলিফ’ৰ্ণিয়াৰ উক্ত কৰ আদায়ৰ পাছতো মাস্কৰ হাতত ‘শ্বেয়াৰ’ বিক্ৰীৰে লাভ কৰা ধনৰ ৩.৪ বিলিয়ন ডলাৰ থাকিব। এইখিনি ধন বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে নিজৰ মহাকাশ গৱেষণা প্ৰতিষ্ঠান স্পেচএক্সত বিনিয়োগ কৰিব পাৰে। ‘শ্বেয়াৰ’ বিক্ৰীৰে লাভ কৰা ধন মাস্কে দান হিচাপেও আগবঢ়াব পাৰে। অৱশ্যে এই সন্দৰ্ভত মাস্কে বৰ্তমানলৈকে কোনো পৰিকল্পনা গ্ৰহণৰ কথা ৰাজহুৱা কৰা নাই।

## ২০২১ বৰ্ষত বিশ্বত ৪৫ কৰ্মৰত সাংবাদিকৰ হ’ল মৃত্যু



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ জানুৱাৰী ঃ** ২০২১ বৰ্ষত কৰ্মৰত অৱস্থাত বিশ্বত প্ৰাণ হেৰুৱালে ৪৫ জন সাংবাদিক আৰু সংবাদকৰ্মীয়ে। সৰ্বাধিকসংখ্যক সাংবাদিকৰ মৃত্যু হ’ল গৃহযুদ্ধ বিধ্বস্ত আফগানিস্তানত। পাকিস্তান আৰু ভাৰততো বিগত বৰ্ষটোত কে’বাজনো সাংবাদিকে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱাইছিল। বিশ্বৰ সৰ্ববৃহৎ সাংবাদিকৰ সংস্থা ইণ্টাৰনেচনেল ফেডাৰেচন অৱ জাৰ্ণেলিষ্ট (আই এফ জে)ৰ দ্বাৰা এক প্ৰতিবেদনত এই তথ্য সদৰী কৰা হৈছে। আই এফ জেৰ তথ্য অনুসৰি, বিগত ৩০ বছৰৰ পাছত বিশ্বত কৰ্তব্যৰত অৱস্থাত সাংবাদিকৰ মৃত্যুৰ সংখ্যা ২০২১ বৰ্ষত সৰ্বনিম্ন হ’ল। ২০২০ বৰ্ষত বিশ্বত ৬৫ জন সাংবাদিকে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱাইছিল। যোৱা বছৰত আফগানিস্তানত নজন, মেক্সিকোত আঠজন, ভাৰতত চাৰিজন আৰু পাকিস্তানত তিনিজন সাংবাদিকে কৰ্তব্যৰত অৱস্থাত মৃত্যুক সাবটি লৈছিল। বিগত ৩০ বছৰত বিশ্বত ২,৭২১ জন সাংবাদিকে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুৱালে। আনহাতে, ২০২১ বৰ্ষত বিশ্বজুৰি ৪৮৮ জন সাংবাদিকক কাৰাবন্দী কৰা হৈছিল।

## সংকটাপন্ন ছুডানত হঠাতে পদত্যাগ প্ৰধানমন্ত্ৰীৰ



**নিউজ ব্যুৰ’, খাৰ্তুম, ৩ জানুৱাৰী ঃ** ছুডানৰ প্ৰধানমন্ত্ৰী অব্দুল্লা হমডুকে সামৰিক অভ্যুত্থানৰ পাছত দেশখনত উদ্ভৱ হোৱা ৰাজনৈতিক জটিলতা আৰু গণতান্ত্ৰিক প্ৰতিবাদৰ মাজতে যোৱা নিশা পদত্যাগৰ কথা ঘোষণা কৰিলে। উল্লেখ্য যে যোৱা অক্টোবৰত ছুডানত সামৰিক অভ্যুত্থান সংঘটিত হৈছিল আৰু পাছত এক বুজাবুজিৰ জৰিয়তে দেশখনৰ সেনাই হমডুকক পুনৰ প্ৰধানমন্ত্ৰী নিযুক্ত কৰিছিল। কিন্তু যোৱা নিশা হমডুকে হঠাতে টেলিভিছনৰ জৰিয়তে দেশবাসীক সম্বোধন কৰি নিজৰ পদত্যাগৰ কথা ঘোষণা কৰে। ‘মই প্ৰধানমন্ত্ৰীৰ পদৰ পৰা ইস্তফা দিয়াৰ সিদ্ধান্ত ল’লো।’ হমডুকে টেলিভিছনত এইদৰে কয়।

## বিজেপিত যোগদানৰ ছদিন পাছত কংগ্ৰেছলৈ উভতিল বিধায়ক বলবিন্দৰ



**নিউজ ব্যুৰ’, চণ্ডীগড়, ৩ জানুৱাৰী ঃ** বিজেপিত যোগদানৰ মাত্ৰ ছদিন পাছতে পঞ্জাৱৰ বিধায়ক বলবিন্দৰ সিং লাডীয়ে বিজেপি ত্যাগ কৰি পুনৰ কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন ঘটালে। লাডীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, যোৱা নিশা কংগ্ৰেছৰ পঞ্জাৱৰ প্ৰভাৰী হৰিশ চৌধুৰী আৰু মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীৰ উপস্থিতিত তেওঁ কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন কৰে। উল্লেখ্য যে যোৱা ২৮ ডিচেম্বৰত লাডীয়ে বিধায়ক ফটেহজংগ সিং বাজৱাৰ স’তে নতুন দিল্লীত বিজেপিত যোগদান কৰিছিল। কিন্তু এসপ্তাহ পাছতে লাডীয়ে বিজেপি ত্যাগ কৰি কংগ্ৰেছলৈ উভতিল।

### সংক্ৰমণৰ নিৰিখত শীৰ্ষস্থানত আছে মহাৰাষ্ট্ৰ ঃ দেশত যোৱা ২৪ ঘণ্টাত অ’মিক্ৰনত আক্ৰান্ত হ’ল ১,৭০০ জন লোক

# সাতদিনত দেশত কৰ’নাৰ দৈনিক সংক্ৰমণ ৪৩১ শতাংশ বৃদ্ধি



**নিউজ ব্যুৰ’ নতুন দিল্লী, ৩ জানুৱাৰী ঃ** দেশজুৰি দ্ৰুতহাৰত কৰ’নাৰ দৈনিক সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। বৰদিন আৰু নৱবৰ্ষৰ সময়তে দেশত ক’ভিডৰ সংক্ৰমণে পুনৰ নতুন ত্ৰাস সৃষ্টি কৰিব বুলি জল্পনা-কল্পনা অব্যাহত আছিল আৰু ইয়াকে সত্য প্ৰমাণিত কৰি বিগত সাত দিনত ভাৰতত ক’ভিডৰ দৈনিক সংক্ৰমণ ৪৩০.৮৩ শতাংশ বৃদ্ধি পালে। যোৱা ২৮ ডিচেম্বৰৰ পুৰা দেশত কৰ’না আক্ৰান্তৰ সংখ্যা উল্লেখযোগ্য হাৰত বৃদ্ধি পাবলৈ লৈছে। ২৮ ডিচেম্বৰত দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ৬,৩৫৮ জন। ইয়াৰ সাতদিন পাছত আজি ভাৰতত দৈনিক কৰ’না আক্ৰান্তৰ সংখ্যা ৩৩,৭৫০ জনলৈ বৃদ্ধি পালে। অৰ্থাৎ এসপ্তাহত দৈনিক সংক্ৰমণ বৃদ্ধি পালে প্ৰায় ৪৩১ শতাংশ। সংক্ৰমণৰ নিৰিখত শীৰ্ষস্থানত আছে মহাৰাষ্ট্ৰ। ৰাজ্যখনত যোৱা ২৪ ঘণ্টাত নতুনকৈ ক’ভিডত সংক্ৰমিত হ’ল ১১,৮৭৭ জন লোক। ইয়াৰ পাছতে দ্বিতীয় সৰ্বাধিক ৬,১৫৩ জন লোক কৰ’নাত আক্ৰান্ত হ’ল পশ্চিমবংগত। অৱশ্যে আক্ৰান্তৰ সংখ্যা বাঢ়িলেও মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে। দেওবাৰে দেশত ২৮৪ জন ক’ভিড ৰোগীৰ মৃত্যু হৈছিল। সোমবাৰে দেশত কৰ’নাত মৃত্যুকৰ সংখ্যা ১২৩ জনলৈ হ্ৰাস পালে। দেশত যোৱা ২৪ ঘণ্টাত অ’মিক্ৰনত আক্ৰান্ত হ’ল ১,৭০০ জন লোক। অ’মিক্ৰন আক্ৰান্তৰ ক্ষেত্ৰতো শীৰ্ষ স্থানত আছে মহাৰাষ্ট্ৰ। ৰাজ্যখনত সোমবাৰলৈকে ৫১০ জন লোক ক’ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হ’ল। আনহাতে, দিল্লীত ৩৫১ জন অ’মিক্ৰন আক্ৰান্তক সোমবাৰলৈকে চিনাক্ত কৰা হৈছিল।



## কাশ্মীৰত সেনাৰ গুলিত ধৰাশায়ী হ’ল পাকিস্তানী সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ’ শ্ৰীনগৰ, ৩ জানুৱাৰী ঃ** ভাৰতীয় নিৰাপত্তা বাহিনীৰ তৎপৰতাত পুনৰ ব্যৰ্থ হ’ল পাকিস্তানী সন্ত্ৰাসবাদীৰ ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা। জম্মু-কাশ্মীৰৰ আৰনিয়া খণ্ডত পাকিস্তানী সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা প্ৰত্যক্ষ কৰি নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীলৈ গুলিবৰ্ষণ কৰাত এজন অনুপ্ৰৱেশকাৰী নিহত হয়। উল্লেখ্য যে কালিও কুপৱাড়াত পাকিস্তানী সন্ত্ৰাসবাদী এজনক ভাৰতীয় সেনাই অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱাৰ সময়তে ধৰাশায়ী কৰিছিল।



## বুষ্টাৰ প্ৰতিষেধক লোৱাৰ পাছতো ক’ভিড আক্ৰান্ত মাৰ্কিন প্ৰতিৰক্ষা সচিব অষ্টিন

**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ৩ জানুৱাৰী ঃ** আমেৰিকাৰ প্ৰতিৰক্ষা সচিব লয়েড অষ্টিন কৰ’নাত সংক্ৰমিত হ’ল। আজি টুইট কৰি নিজে এই কথা অৱগত কৰে অষ্টিনে। নিজৰ টুইটাৰ হেণ্ডেলত মাৰ্কিন প্ৰতিৰক্ষা সচিবজনে ক’ভিড-১৯ত আক্ৰান্ত হোৱাৰ কথা প্ৰকাশ কৰি কয়, ‘আজি পুৱাতে ক’ভিড পৰীক্ষণৰ ফলাফলত লাভ কৰা তথ্য অনুসৰি, মই কৰ’নাত সংক্ৰমিত হ’লো। অৱশ্যে চিকিৎসকে জনোৱা মতে, যিহেতু মই দুপালি প্ৰতিষেধক আৰু যোৱা অক্টোবৰত বুষ্টাৰ প্ৰতিষেধকো লৈছিলো, সেয়েহে সংক্ৰমণ মাৰাত্মক হোৱা নাই। বৰ্তমানে চিকিৎসকৰ পৰামৰ্শ অনুসৰি দৰৱ গ্ৰহণ কৰিছো।’

## ইউৰোপত কৰ’না আক্ৰান্তৰ সংখ্যা ১০ কোটিলৈ বৃদ্ধি



**নিউজ ব্যুৰ’, পেৰিছ, ৩ জানুৱাৰী ঃ** ইউৰোপ বাৰে বাৰে কৰ’না সংক্ৰমণৰ কেন্দ্ৰত পৰিণত হৈছে। এক আন্তৰ্জাতিক সমীক্ষাৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, অতিমাৰীৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে ইউৰোপত কৰ’না আক্ৰান্তৰ সংখ্যাই ১০ কোটিৰ সীমা অতিক্ৰম কৰিলে। এই পৰিসংখ্যা হৈছে সমগ্ৰ বিশ্বৰ মুঠ কৰ’না আক্ৰান্তৰ এক-তৃতীয়াংশৰো অধিক। বিগত দুবছৰত ইউৰোপীয় অঞ্চলৰ ৫২ খন দেশত মুঠ ১০ কোটি ৭৪ হেজাৰ ৭৫৩ জন লোক কৰ’নাত সংক্ৰমিত হ’ল। আনহাতে, বিশ্বত বৰ্তমানলৈকে মুঠ ২৯ কোটি ৫৪ হেজাৰ ৪৮৯ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। বিশেষজ্ঞসকলৰ বাবে সবাতোকৈ চিন্তাৰ বিষয় হৈছে, ইউৰোপৰ এই ১০ কোটি ক’ভিড আক্ৰান্তৰ মাজত অৰ্দ্ধেকাংশ সংক্ৰমণ সংঘটিত হ’ল বিগত সাতদিনত। ৫২খন ইউৰোপীয় দেশৰ ১৭ খনত প্ৰায় প্ৰতিদিনে সংক্ৰমণে নতুন অভিলেখ ৰচিছে। কেৱল ফ্ৰান্সতে এসপ্তাহত ১০ লাখৰ অধিক সংক্ৰমণ হ’ল। ডেনমাৰ্ক, চাইপ্ৰাছ, আয়াৰলেণ্ড আদি দেশতো কৰ’নাৰ সংক্ৰমণ শেহতীয়াভাৱে উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। নতুনকৈ আক্ৰান্ত হোৱা লোকসকলৰ সৰহসংখ্যকে অ’মিক্ৰন প্ৰজাতিত সংক্ৰমিত হৈছে। অৱশ্যে আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পালেও ডেল্টা প্ৰজাতিৰ তুলনাত অ’মিক্ৰনত মৃত্যুৰ হাৰ এতিয়াও যথেষ্ট সীমিত হৈ আছে। বিগত সপ্তাহত ইউৰোপত দৈনিক গড় মৃত্যু আছিল ৩,৪১৩ জন।

## তৃতীয়টো ঢৌৰ আগমন, বিহাৰত পুনৰ হ’ব তলাবন্ধ, নীতিশে দিলে ইংগিত



**নিউজ ব্যুৰ’, পাটনা, ৩ জানুৱাৰী ঃ** বিহাৰত কৰ’না ভাইৰাছৰ সংক্ৰমণত তৃতীয়টো ঢৌৰ আগমন ঘটিল। যোৱা ২৯ ডিচেম্বৰত ৰাজ্যখনত ৭৭ লোকৰ শৰীৰত ক’ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। কালি বিহাৰত নতুনকৈ ৩৫২ কৰ’না ৰোগীক ধৰা পেলোৱা হৈছিল। কৰ’নাৰ নতুনকৈ সংক্ৰমণ বৃদ্ধিৰ পাছতে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আকৌ এবাৰ ৰাজ্যখনত তলাবন্ধ হোৱাৰ ইংগিত দিলে। আজি মুখ্যমন্ত্ৰীজনে কয় যে মঙলবাৰে শীৰ্ষ বিষয়াৰ স’তে এখন বৈঠকত বিহাৰত পুনৰ তলাবন্ধৰ সন্দৰ্ভত তেওঁ আলোচনা কৰিব। কৰ’না প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় কঠোৰতা অৱলম্বন কৰিব বুলিও নীতিশে জানিবলৈ দিয়ে। বিহাৰত সম্প্ৰতি বাহাল থকা তলাবন্ধ প্ৰত্যাহাৰ প্ৰক্ৰিয়াৰ অহা পাঁচ জানুৱাৰীত অন্ত পৰিব আৰু ইয়াৰ পূৰ্বে ৰাজ্যখনত সম্ভাব্য তলাবন্ধৰ সন্দৰ্ভত সিদ্ধান্ত লোৱা হ’ব বুলি নীতিশে আজি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

## ক’ভিডৰ প্ৰভাৱ, নৱবৰ্ষৰ দ্বিতীয়দিনা আমেৰিকাত বাতিল দুহেজাৰ বিমান সেৱা



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৩ জানুৱাৰী ঃ** কৰ’নাৰ ব্যাপক সংক্ৰমণৰ পৰিণতিত আমেৰিকাত এদিনতে সৰ্বাধিক ২২০০ খন বিমানৰ উৰণ বাতিল হ’ল। বছৰৰ দ্বিতীয়দিনা অৰ্থাৎ দুই জানুৱাৰীত ইমান বৃহৎসংখ্যক বিমানৰ সেৱা বাতিল কৰা হৈছিল। ইফালে, বিভিন্ন কাৰণত প্ৰায় ২৪০০ খন বিমানৰ উৰণো বিলম্বিত হৈছিল। চিকাগো বিমানকোঠত কালি প্ৰচণ্ড তুষাৰপাত হৈছিল আৰু এই কাৰণতো বিমানকোঠত যথেষ্টসংখ্যক বিমানৰ উৰণ বাতিলৰ লগতে বিলম্বিত হৈছিল। বৰদিন আৰু নৱবৰ্ষৰ ছুটী উপভোগ কৰি মাৰ্কিন নাগৰিকসকলে নিজৰ ঘৰলৈ উভতি যাবলৈ সাজু হোৱাৰ সময়তে এইদৰে আমেৰিকাত বৃহৎসংখ্যক বিমানৰ সেৱা বাতিল আৰু বিলম্ব হোৱাত যাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।



## চীনত ৫.৫ প্ৰাবল্যৰ ভূমিকম্পত কমেও ২২ জন লোক আহত

**নিউজ ব্যুৰ’, বেইজিং, ৩ জানুৱাৰী ঃ** দক্ষিণ-পশ্চিম চীনৰ যুনান প্ৰদেশৰ নিংগলাংগ কাউণ্টিত দেওবাৰে বিয়লিবেলা হোৱা এটা ৫.৫ প্ৰাবল্যৰ ভূমিকম্পত কমেও ২২ জন লোক গুৰুতৰভাৱে আহত হ’ল। স্থানীয় প্ৰশাসনে প্ৰকাশ কৰা তথ্য অনুসৰি, ৰিখটাৰ স্কেলত মধ্যমীয়া প্ৰাবল্যৰ ভূমিকম্পটোৰ ফলত অঞ্চলটোৰ বহু বাসগৃহৰ ক্ষতিসাধন হ’ল। ভূমিকম্পটোৰ কেন্দ্ৰ লিজিয়াংগ চহৰৰ নিংগলাংগ কাউণ্টিৰ পৰা ৬০ কিলোমিটাৰ নিলগত অৱস্থিত। ভূমিকম্পৰ প্ৰভাৱিত অঞ্চলটোৰ কমেও ২৪০০০ লোকৰ ঘৰ-দুৱাৰৰ যথেষ্ট ক্ষতি হোৱা বুলি স্থানীয় প্ৰশাসনে প্ৰকাশ কৰিছে।

## কন্যাৰ বিবাহৰ ন্যুনতম বয়স পৰ্যালোচনাৰ সমিতিত মহিলা সদস্য এজন




**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ জানুৱাৰী ঃ** কন্যা সন্তানৰ বিবাহৰ ন্যুনতম বয়স বৰ্তমানৰ ১৮ৰ পৰিবৰ্তে ২১ বছৰলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে লোকসভাৰ বিগত শীতকালীন অধিবেশনত কেন্দ্ৰীয় চৰকাৰে বাল্যবিবাহ প্ৰতিৰোধ (সংশোধিত) আইন ২০২১ দাখিল কৰিছিল। প্ৰস্তাৱিত বিধেয়কখন পৰ্যালোচনাৰ বাবে ইতিমধ্যে সংসদীয় স্থায়ী সমিতিলৈ প্ৰেৰণ কৰা হৈছে। কিন্তু ইয়াকে লৈ এক বিতৰ্কৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ অনুসৰি উক্ত সংসদীয় স্থায়ী সমিতিৰ মুঠ ৩১ জন সদস্যৰ মাজত মহিলা সদস্য আছে মাত্ৰ এগৰাকী। উক্ত মহিলা সদস্যগৰাকী হৈছে তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱ। মহিলাৰ স’তে জড়িত গুৰুত্বপূৰ্ণ এক বিষয়ৰ পৰ্যালোচনাৰ বাবে গঠিত সংসদীয় সমিতিত ৩১ জন সদস্যৰ মাত্ৰ এগৰাকী মহিলা কিয় বুলি প্ৰশ্ন উত্থাপিত হৈছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এন চি পিৰ সাংসদ সুপ্ৰিয়া ছুলেয়ে কয়, ‘ছোৱালীৰ বিবাহৰ বয়স ন্যুনতম কিমান হ’ব পাৰে সেয়া সম্পূৰ্ণৰূপে মহিলাৰ সম্পৰ্কিত বিষয়। সেয়েহে উক্ত সমিতিত অধিক সংখ্যক মহিলা সাংসদৰ উপস্থিতিৰ প্ৰয়োজন আছিল। সমিতিৰ অধ্যক্ষৰ হাতত অন্যান্যক আমন্ত্ৰণ জনোৱাৰ ক্ষমতা আছে। এই বিষয়ত বিস্তৃত আলোচনাৰ বাবে অধ্যক্ষই অন্যান্য মহিলা সাংসদক আমন্ত্ৰণ জনাব পাৰিব।’

## গাজাত হামাছৰ ঘাটিত আক্ৰমণ ইজৰাইলী সেনাৰ, পুনৰ উত্তপ্ত পৰিস্থিতি



**নিউজ ব্যুৰ’ গাজা, ৩ জানুৱাৰী ঃ** সন্ত্ৰাসবাদী সংগঠন হামাছ নিয়ন্ত্ৰিত অঞ্চলৰ পৰা এটাৰ পাছত আন এটা ৰকেট আক্ৰমণৰ পাছতে পৰিস্থিতি উত্তপ্ত হৈ উঠিছিল। এইবাৰ গাজা ভূখণ্ডত বিমানেৰে আক্ৰমণ সংঘটিত কৰিলে ইজৰাইলী সেনাই। গাজা ভূখণ্ডৰ দক্ষিণৰ খান ইউনুছত তোলা ভিডিঅ’ত ধৰা পৰা দৃশ্য অনুসৰি, তিনিটাকৈ বৃহৎ বিস্ফোৰণ সংঘটিত কৰি অঞ্চলটোৰ আকাশেদি ইজৰাইলী যুঁজাৰু বিমানে উৰা মাৰিছিল। ইজৰাইলৰ সেনাবাহিনীৰ দাবী অনুসৰি গাজাত হামাছৰ এটা ৰকেট উৎপাদন কেন্দ্ৰ আৰু এটা সামৰিক ঘাটিক লক্ষ্য হিচাপে লৈ এই আক্ৰমণ চলোৱা হৈছিল। নিয়ন্ত্ৰিত অঞ্চলৰ পৰা হিংসা বিয়পাই দিয়াৰ বাবে সন্ত্ৰাসবাদী ইছলামিক গোষ্ঠীকো দোষাৰোপ কৰিলে ইজৰাইলে। উল্লেখ্য যে যোৱা শনিবাৰে গাজাৰ পৰা দুটাকৈ ৰকেট উৎক্ষেপণ কৰি ইজৰাইলত আক্ৰমণ সংঘটিত কৰাৰ পাছত এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ ইজৰাইলে গাজাত বিমানেৰে বোমাবৰ্ষণ কৰে। উভয় দেশৰ শেহতীয়া আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পাছত অঞ্চলটোৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ উঠিছে।



## দুপালি প্ৰতিষেধক গ্ৰহণৰ পাছতো পত্নীসহ কৰ’নাত আক্ৰান্ত জন

**নিউজ ব্যুৰ’, মুম্বাই, ৩ জানুৱাৰী ঃ** এইবাৰ কৰ’নাত সংক্ৰমিত হ’ল বলিউডৰ অভিনেতা জন আব্ৰাহাম। জনৰ লগতে তেওঁৰ পত্নী প্ৰিয়া ৰুঞ্চালো সংক্ৰমিত হ’ল কৰ’নাত। সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰি অভিনেতাজনে জনোৱা অনুসৰি তেওঁ আৰু পত্নীয়ে কৰ’নাত দুপালি প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছতো এই ভাইৰাছত সংক্ৰমিত হ’ল। সম্প্ৰতি অভিনেতাজনৰ লগতে পত্নীও নিভৃতবাসত আছে। উভয়ৰে শৰীৰত ক’ভিডৰ মৃদু উপসৰ্গ আছে।

## কৰ’নাতংক বৃদ্ধি দিল্লীত, মুঠ আক্ৰান্তৰ ৮৪ শতাংশ অ’মিক্ৰনত সংক্ৰমিত



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ জানুৱাৰী ঃ** ক’ভিডৰ নতুন প্ৰজাতি অ’মিক্ৰনৰ আগমনৰ পাছৰে পৰা দিল্লীত বিগত ১০-১৫ দিন ধৰি কৰ’নাৰ সংক্ৰমণ বৃদ্ধি অব্যাহত আছে। বিগত দুদিনত দেশৰ ৰাজধানীত ধৰা পৰা ক’ভিড ৰোগীসকলৰ ৮৪ শতাংশই অ’মিক্ৰনত সংক্ৰমিত হৈছে। দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দ্ৰ জৈনে আজি দিল্লীবাসীক কৰ’নাৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত সজাগ-সচেতন হ’বলৈ আহ্বান জনালে। দৰাচলতে দিল্লীত কৰ’নাৰ সংক্ৰমণৰ হাৰ ৩.৬৪ শতাংশৰ পৰা ৪.৫৯ শতাংশলৈ বৃদ্ধি পালে। কালি ৰাজধানীত ৩,১৯৪ জন ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। বিগত ২২৭ দিনৰ পাছত দিল্লীত দেওবাৰে কৰ’নাত আক্ৰান্তৰ সংখ্যা সৰ্বাধিক হ’ল। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ২০ মে’ত দিল্লীত এদিনতে ৩,২৩১ জন ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছে। যোৱা ২৪ ঘণ্টাত দিল্লীত পুনৰ এজন ক’ভিড ৰোগীৰ মৃত্যু হ’ল। সম্প্ৰতি দিল্লীত ৩০৭ জন ক’ভিড ৰোগী চিকিৎসাধীন হৈ আছে। লোকনায়ক হাস্পতালত চিকিৎসাধীন হোৱা ১৩৮ কৰ’না ৰোগীৰ ৯৫ জনক ইতিমধ্যে সুস্থ হোৱা হেতুকে ঘৰলৈ যোৱাৰ অনুমতি দিয়া হৈছে। চিকিৎসালয়খনৰ স্বাস্থ্য সঞ্চালক ডাঃ সুৰেশ কুমাৰে প্ৰকাশ কৰা অনুসৰি, বৰ্তমানলৈকে দিল্লীত তিনিটা শিশুৰ শৰীৰত অ’মিক্ৰনৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। ইতিমধ্যে দুটা অ’মিক্ৰন আক্ৰান্ত শিশুক ঘৰলৈ যোৱাৰ অনুমতি দিয়া হৈছে আৰু আনটো শিশুৰ অৱস্থা সুস্থিৰ হৈ আছে। দিল্লীত সোমবাৰলৈকে ৩৫১ জন লোক ক’ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হ’ল।

## ‘স্পাইডাৰমেন’ৰ ভাৰতীয় বক্স অফিচত চমক, ভাৰতত দুশ কোটি উপাৰ্জনকাৰী তৃতীয়খন হলিউড ছবি



**নিউজ ব্যুৰ’, মুম্বাই, ৩ জানুৱাৰী ঃ** অতিমাৰীৰ ব্যাপক সংক্ৰমণৰ মাজতে মুক্তি লাভ কৰা হলিউডৰ চলচ্চিত্ৰ ‘স্পাইডাৰমেন-ন’ ৱে হোম’-এ বিশ্বৰ লগতে ভাৰতৰো বক্স অফিচত নতুন অভিলেখ ৰচিলে। ছ’নী পিকাচাৰ্ছ এণ্টাৰটেইনমেণ্টৰ দ্বাৰা নিৰ্মিত এইখন হলিউডৰ ছবিয়ে ভাৰতৰ বক্স অফিচত তৃতীয়টো সপ্তাহান্তিকত দুশ কোটি টকাৰ অধিক ব্যৱসায় সম্পূৰ্ণ কৰিবলৈ সফল হ’ল। এইদৰে ‘স্পাইডাৰমেন-ন’ ৱে হোম’ ভাৰতত ২০২১ বৰ্ষত মুক্তি লাভ কৰা সবাতোকৈ অধিক বাণিজ্যিকভাৱে সফল ছবি হিচাপে স্বীকৃত হ’ল। যোৱা শনিবাৰে বক্স অফিচত ছবিখনে পুনৰ তিনি কোটি টকাৰ ব্যৱসায় কৰাৰ জৰিয়তে ‘স্পাইডাৰমেন-ন’ ৱে হোম’-এ মুঠ দুশ কোটি টকা সংগ্ৰহ কৰিলে। উল্লেখ্য যে ‘স্পাইডাৰমেন-ন’ ৱে হোম’ হৈছে ভাৰতৰ বক্স অফিচত ২০০ কোটি টকা সংগ্ৰহ কৰা তৃতীয়খন হলিউডৰ ছবি। ইয়াৰ পূৰ্বে ২০১৯ত এভেঞ্জাৰ্ছ এণ্ডগে’ম ছবিখনে ভাৰতত ৩৬৫ কোটি টকা আৰু ২০১৮ত এভেঞ্জাৰ্ছ ইনফিনিটি ৱাৰ ছবিখনে ২২২ কোটি টকাৰ ব্যৱসায় কৰিছিল।



## ৰেহামৰ গাড়ীলৈ গুলিবৰ্ষণ, এয়াই নতুন পাকিস্তান নেকি ঃ প্ৰশ্ন ইমৰানৰ প্ৰাক্তন পত্নীৰ

**নিউজ ব্যুৰ’, ইছলামাবাদ, ৩ জানুৱাৰী ঃ** যোৱা নিশা পাকিস্তানৰ ইছলামাবাদৰ ৰাজপথত গুলি আক্ৰমণৰ সন্মুখীন হ’ল দেশখনৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ প্ৰাক্তন পত্নী ৰেহাম খান। প্ৰকাশিত বাতৰি অনুসৰি, ভাগিনৰ বিবাহ অনুষ্ঠানৰ পৰা ঘৰলৈ যাত্ৰা কৰাৰ সময়তে অজ্ঞাত পৰিচয় ব্যক্তিয়ে ৰেহামৰ গাড়ীলৈ গুলিবৰ্ষণ কৰিছিল। পাছত ৰেহামে কথমপি নিজৰ প্ৰাণ ৰক্ষা কৰি আন গাড়ীত উঠি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাৰ পাছতে আতংকিত ৰেহামে টুইট কৰি এই কথা প্ৰকাশ কৰি কয়, ‘এয়াই কি ইমৰান খানৰ নতুন পাকিস্তান? কাপুৰুষ, গুণ্ডা আৰু লুভীয়াৰ দেশত আপোনাক স্বাগতম।’ উল্লেখ্য যে ২০১৪ত ইমৰানৰ স’তে ৰেহামৰ নিকাহ সম্পন্ন হৈছিল যদিও ২০১৫ৰ অক্টোবৰত তেওঁলোকৰ বিবাহ বিচ্ছেদ সম্পন্ন হৈছিল।

# ঠেঙাল পৰিষদীয় নিৰ্বাচনৰ তামোলবাৰীত বিজেপিত বিসম্বাদ

## ■ নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়নপত্ৰ দাখিল পৰিষদৰ উপাধ্যক্ষ গোপীনাথ শইকীয়াৰ


*গোলাঘাটৰ শিক্ষানুষ্ঠান শিক্ষাৰ্থীক ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগ, সোমবাৰে।*

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ৩ জানুৱাৰী ঃ** ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে তিতাবৰৰ তামোলবাৰী সমষ্টিত ইতিমধ্যে চাৰি প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ লক্ষেশ্বৰ শইকীয়া, চিপিআইৰ পৰা বিশ্ব শইকীয়া, অগপৰ পৰা অম্বিকা শইকীয়া আৰু নিৰ্দলীয় প্ৰাৰ্থীৰূপে পূৰ্বৰ এই সমষ্টিৰ সদস্য তথা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপাধ্যক্ষ গোপীনাথ শইকীয়াই মনোনয়নপত্ৰ দাখিল কৰিছে। উল্লেখ্য যে বিজেপিয়ে এই সমষ্টিটো মিত্ৰদল অগপক এৰি দিছে। এই সংক্ৰান্তত বিজেপিত বিসম্বাদ সৃষ্টি হৈছে। ইতিমধ্যে গোপীনাথ শইকীয়াই বিজেপি ত্যাগ কৰি নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতাত নামিছে আৰু এই সমষ্টিৰ বিজেপি কৰ্মীসকলো দলৰ সিদ্ধান্তৰ প্ৰতি অসন্তুষ্ট হৈ গোপীনাথ শইকীয়াৰ সহযোগী হোৱা বুলি জানিব পৰা গৈছে। বিজেপিৰ নিষ্ঠাবান কৰ্মীৰূপে বিগত কাৰ্যকালত গোপীনাথ শইকীয়াই তামোলবাৰী সমষ্টিত পৰিষদৰ আঁচনি ৰূপায়ণত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি সমষ্টিৰ উন্নয়নত ৰাইজৰ পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কাজেই আগন্তুক পৰিষদীয় নিৰ্বাচনত নিৰ্দলীয় হ'লেও তামোলবাৰী সমষ্টিত গোপীনাথ শইকীয়াই প্ৰত্যাহ্বান সৃষ্টি কৰিবলৈ সক্ষম হ'ব। গোপীনাথ শইকীয়াই জানিবলৈ দিয়া মতে, দুই এদিনতে তামোলবাৰী সমষ্টিত বহুতো বিজেপিৰ নেতৃস্থানীয় কৰ্মী দলত্যাগ কৰি নিৰ্দলীয় শইকীয়াৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব। ইফালে, সমষ্টিটোত বৰ্তমান অগপৰ ভেটি সবল নহয় বুলি তেওঁ মত প্ৰকাশ কৰিছে। কাজেই কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থী গোপীনাথ শইকীয়াই নিৰ্বাচনী যুঁজত মূল প্ৰতিদ্বন্দ্বী হ'ব। ইফালে, কংগ্ৰেছৰ প্ৰাৰ্থী লক্ষেশ্বৰ শইকীয়া সমষ্টিৰ ভোটাৰ ৰাইজৰ মাজত নতুন মুখ। পূৰ্বৰ এই সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি নিৰ্বাচিত হোৱা আৰু বিগত নিৰ্বাচনত পৰাজয় হোৱা ভীমকান্ত হাজৰিকাই এইবাৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হৈ দলৰ বিৰুদ্ধাচৰণ কৰিলে নিৰ্বাচনত কংগ্ৰেছৰ অৱস্থাও শোচনীয় হ'ব। আগন্তুক ২০ জানুৱাৰীত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ২৪ জানুৱাৰীত ফলাফল ঘোষণা কৰিব।

## আমগুৰিত আৰম্ভ ১৮ অনূৰ্ধ্বৰ ছাত্ৰ-ছাত্ৰীৰ ক'ভিড প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ৩ জানুৱাৰী ঃ** আজি আমগুৰিত আৰম্ভ হ'ল ছাত্ৰ-ছাত্ৰীক ক'ভিডৰ প্ৰথম পালি প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী। ১৫ৰ পৰা ১৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীক দিয়া এই প্ৰতিষেধকৰ প্ৰথম পালি আৰম্ভ হৈছে আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। বিদ্যালয়খনৰ নৱম, দশম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ অধীনত ৩০০ জনক প্ৰথম পালি কভাক্সিন প্ৰদান কৰা হৈছে। জিলাখনৰ ১৫খন বিদ্যালয়ৰ মুঠ ৪৫০০ জন ছাত্ৰ-ছাত্ৰীক আজি স্বাস্থ্য বিভাগৰ অধীনত ক'ভাক্সিন প্ৰদান কৰা হয়। এই কাৰ্যসূচীত আমগুৰি আৰু ম'ৰাবজাৰ চিকিৎসালয়ৰ স্বাস্থ্যকৰ্মীসকলে অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰে ছাত্ৰ-ছাত্ৰীসকলক পৰীক্ষাৰ আগতে প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী লোৱাৰ বাবে অসম চৰকাৰক ধন্যবাদ জনায়।

## ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব -মান নিৰূপক কোষৰ কুইজ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৩ জানুৱাৰী ঃ** ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপক কোষৰ উদ্যোগত, ঢেকিয়াজুলি সোণিৰ গাঁও মজলীয়া বিদ্যালয়ত যোৱা ২৩ ডিচেম্বৰত এখন বিদ্যালয় পৰ্যায়ৰ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চুমী কলিতাই আদৰণি জনোৱা অনুষ্ঠানত চতুৰ্থৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা প্ৰতিযোগিতা সভাত পৌৰোহিত্য কৰে উদ্যোক্তা মহাবিদ্যালয়ৰ বিভাগৰ মুৰব্বী উত্তম নাথে। অধ্যাপিকা ৰূপলেখা দেৱীয়ে আঁত ধৰা অনুষ্ঠানত ক্ৰমে সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা ৰশ্মিৰেখা বৰগোহাঁই, আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক ড° হিমন্ত প্ৰতিম বৰগোহাঁই উপস্থিতি থাকে। শিক্ষক লাটু শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, অভিভাৱকে অংশগ্ৰহণ কৰে। অনুষ্ঠানতেই ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ দ্বাৰা গীত পৰিৱেশনৰ পাছতেই বঁটা প্ৰদান অনুষ্ঠানত বিজয়ী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, কিতাপৰে পুৰস্কৃত কৰে।

## চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অটল টিনকাৰিং লেব'ৰ উদ্বোধন



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩ জানুৱাৰী ঃ** ভাৰত চৰকাৰৰ 'নীতি' আয়োগৰ প্ৰত্যক্ষ অৰ্থ সাহায্যত নগাঁও জিলাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত 'অটল টিনকাৰিং লেব'ৰ যোৱা ২৮ ডিচেম্বৰত উদ্বোধন কৰা হয়। অত্যাধুনিক বিজ্ঞানাগাৰটো উদ্বোধন কৰে নগাঁও সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে। এই উপলক্ষে বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অকন চন্দ্ৰ শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত সভাৰ আৰম্ভণিতে এটি বৰগীত পৰিবেশন কৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী কস্তুৰী শইকীয়াই। বিষয় শিক্ষক খগেন শইকীয়াই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষা বৃন্দামাই দেৱীয়ে। সভাত 'অটল টিনকাৰিং লেব'ৰ উদ্বোধক বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে কয় যে আমাৰ গাঁৱলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰি খেল-ধেমালিৰ মাজেদি শিক্ষাৰ প্ৰতি আগ্ৰহী কৰিবলৈ এই 'অটল টিনকাৰিং লেব'ৰ মুখ্য উদ্দেশ্য'। চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এই ক্ষেত্ৰত আন্তৰিকতাৰে আগভাগ লৈ গ্ৰাম্য অঞ্চলটোৰ নৱপ্ৰজন্মৰ শিক্ষাৰ্থীসকলক আধুনিক তথ্য-প্ৰযুক্তিৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ লগতে আহ্বান জনায়। সভাত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপদেষ্টা আৰু সদস্য ক্ৰমে ক্ষীতেশ্বৰ বৰা, দেৱ কলিতা, দিলীপ কলিতা উপস্থিত থকাৰ উপৰি হাতীচোং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন কুমাৰ নাথ আৰু শংকৰদেৱ শিশু বিদ্যা নিকেতন হাতীচোঙৰ প্ৰধানাচাৰ্যা তৰুলতা বৰা হাজৰিকা আদি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত বিশেষভাৱে অৰিহণা আগবঢ়াই 'অটল টিনকাৰিং লেব'ৰ নৱনিযুক্ত সমন্বয়ক তথা সহকাৰী শিক্ষক শিৱপ্ৰসাদ হাজৰিকা, বিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ ইনচাৰ্জ দীপশিখা দেৱী আৰু 'অটল টিনকাৰিং লেব'ৰ প্ৰকল্প অভিযন্তা দীপাংকৰ দাসে।

## বৰহোলা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন



বিশেষ সংবাদদাতা

**নগাবাট, ৩ জানুৱাৰী ঃ** যোৰহাট জিলাৰ অন্তৰ্গত বৰহোলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সমাৰোহ যোৱা ২৬ ডিচেম্বৰত অনুষ্ঠিত হয়। উল্লেখ্য যে ১৯৯৬তে প্ৰতিষ্ঠা হোৱা অসমীয়া বিভাগৰ পৰা সফলতাৰে বহুতো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিছে। এই সমাৰোহ বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা মামণি গগৈৰ বন্তি প্ৰজ্বলনেৰে মুকলি কৰা হয়। মুৰব্বী অধ্যাপিকা বন্দনা শইকীয়াই আঁত ধৰা অনুষ্ঠানত সভাপতিত্বত কৰে অধ্যাপিকা ড° দীপ্তি বৰুৱাই। সভাত বিভাগৰ শিক্ষক মামণি গগৈ, ড° দীপ্তি বৰুৱা, বন্দনা শইকীয়া আৰু মৃদুস্মৃতা ফুকনক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে একোখন ফুলাম গামোচাৰে আদৰণি জনায়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ লগতে ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে সকলোৱে মতামত আগবঢ়ায়। শিক্ষকসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে মনৰ অনুভৱ প্ৰকাশ কৰাৰ লগতে আটকধুনীয়া সাংস্কৃতিক অনুষ্ঠানত সকলোৱে অংশগ্ৰহণ কৰে। ৫০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সমাৰোহত অধ্যাপিকা মামণি গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

## ঘগ্ৰাপাৰত 'ভিজিলেন্স কমিটী' গঠন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩ জানুৱাৰী ঃ** প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ তদাৰকী প্ৰক্ৰিয়াটোক অধিক কাৰ্যক্ষম আৰু গতিশীল কৰিবলৈ নলবাৰীৰ বড়িগোগ-বনভাগ শিক্ষাখণ্ডত গঠন হৈছে এখন তদাৰকী সমিতি। অসম চৰকাৰ প্ৰদত্ত নিৰ্দেশনা আৰু নিৰ্ধাৰিত গঠন প্ৰক্ৰিয়া অনুসৰি আঞ্চলিক পঞ্চায়তৰ মুখ্য কাউন্সিলাৰ তৰুণ বুজৰবৰুৱাক সভাপতি আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাক সদস্য সচিবৰূপে লৈ এখন ১১ জনীয়া সমতি গঠন কৰা হৈছে। বড়িগোগ-বনভাগ উন্নয়ন খণ্ডৰ বিষয়া নৰেন্দ্ৰ কুমাৰ তালুকদাৰ, স্বাস্থ্য বিভাগৰ বিষয়া ডাঃ এন বিনয় সিং, সংহত শিশু উন্নয়ন আৰু প্ৰকল্প বিষয়া নাচৰিণ চুলতানা, অসম ৰাজ্যিক বিদ্যুৎ নিগমৰ কাৰ্যবাহী অভিযন্তা হৰিশ কুলী, জলসিঞ্চন বিভাগৰ কনিষ্ঠ অভিযন্তা পিংকু পাঠক, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, আঞ্চলিক পঞ্চায়তৰ সদস্য মনেশ্বৰ ভৰালীক পদেন সদস্য আৰু ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক বনভাগ-খাতা দিহজাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেশ্বৰ বাৰ্মাৰ লগতে বিশিষ্ট সমাজসেৱক তথা বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ পৰা অৱসৰপ্ৰাপ্ত সমল ব্যক্তি নগেন দাসক সদস্যৰূপে নিৰ্বাচিত কৰি সমিতিখন গঠন কৰা হৈছে।

## নতুন বছৰটোত চাহ মজদুৰ সংঘক শক্তিশালী কৰাৰ সংকল্প শ্ৰমিকৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩ জানুৱাৰী ঃ** সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অৰ্থাৎ আই এন টি ইউ চিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনসমূহৰ ভিতৰত ৰাজ্যখনৰ অন্যতম শক্তিশালী শ্ৰমিক সংগঠন হৈছে অসম চাহ মজদুৰ সংঘ। লাখ লাখ চাহ শ্ৰমিকৰ একতা, সমৰ্থন আৰু সহায়-সহযোগত প্ৰতিষ্ঠা হোৱা বৰ্তমান ৭৩ বছৰ গৰকা এই শ্ৰমিক সংগঠনৰ গুৰি ধৰোতা আত্ম বলিদান দিয়া শ্ৰমিক নেতাসকলৰ অৱদানৰ বিষয়ে নজনা, সংঘৰ ইতিহাস সম্বন্ধে জ্ঞান নথকা ৰাজ্যখনৰ এচাম সুবিধাবাদী, তথাকথিত নেতা-পালিনেতাই সময়ে সময়ে সংঘৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰা, সংঘক দুৰ্বল আৰু বিভাজন কৰাৰ ব্লুপ্ৰিন্ট তৈয়াৰ কৰা আদি বা-বাতৰিৰ দৃষ্টিগোচৰ হোৱাত অসম চাহ মজদুৰ সংঘৰ অন্যতম সক্ৰিয় শাখা মৰাণৰ তৰফৰ কৰা ষড়যন্ত্ৰকাৰীসকললৈ সংঘৰ সংগঠন শক্তিক অৱজ্ঞা নকৰিবলৈ সকীয়াই দিয়ে। বিগত বছৰটো বিদায় উপলক্ষে ৩১ ডিচেম্বৰত সংঘত অনুষ্ঠিত এক বৈঠকত শাখা সংঘৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে স্বাধীনতাৰ পূৰ্বে চাহ শ্ৰমিকৰ মাজত সংঘ গঠন কৰা প্ৰয়াত শ্ৰমিক নেতাসকলে দেখুৱাই যোৱা বাটেৰে আগুৱাই গৈ তেওঁলোকৰ আদৰ্শ আৰু কৰ্মৰাজিক স্মৰণ কৰি অসম চাহ মজদুৰ সংঘক অধিক গতিশীল, কাৰ্যক্ষম আৰু শক্তিশালীৰে ন-ৰূপত গঢ়ি তুলিবলৈ সভাত উপস্থিত থকা সংঘৰ বিষয়ববীয়া আৰু কৰ্মীসকলে সংকল্প গ্ৰহণ কৰে। আনহাতে, শ্ৰমিকসকলৰ বাবে প্ৰযোজ্য বাগিচা শ্ৰমিক আইনখন সম্পূৰ্ণকৈ কাৰ্যকৰী কৰা আৰু প্ৰাপ্যসমূহ আদায়ৰ বাবে বাগিচা কৰ্তৃপক্ষ আৰু শ্ৰমিকৰ মাজত এক সু-সম্পৰ্ক, গঢ়ি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈও আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## সাংবাদিক ভাস্কৰ শৰ্মাৰ সপত্নীক মৰণোত্তৰ দেহ দানৰ ইচ্ছাপত্ৰত স্বাক্ষৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৩ জানুৱাৰী ঃ** শনিবাৰে নতুন বছৰৰ প্ৰথম দিনটোত জ্যেষ্ঠ সাংবাদিক, লেখক, নাট্যকৰ্মী ভাস্কৰ শৰ্মাই চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ সাধন আৰু মানুহৰ কল্যাণৰ অৰ্থে ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে সপত্নীক মৰণোত্তৰ দেহ দানৰ ইচ্ছা-পত্ৰত স্বাক্ষৰ কৰে। গুৱাহাটীৰ হেদায়েৎপুৰস্থিত ইলোৰা বিজ্ঞান মঞ্চৰ কাৰ্যালয়ত মঞ্চৰ উপ-সভাপতি ইছফাকুৰ ৰহমানৰ উপস্থিতিত ভাস্কৰ শৰ্মা আৰু তেওঁৰ পত্নী, গুৱাহাটীৰ পাব্লিক স্কুলৰ সংস্কৃত বিষয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা শৰ্মাই গুৱাহাটী মহাবিদ্যালয়লৈ চিকিৎসা বিজ্ঞানৰ সহায় হোৱাকৈ মৰণোত্তৰ দেহ দানৰ ইচ্ছা-পত্ৰত স্বাক্ষৰ কৰে।

## অধ্যৱসায়ৰ দ্বাৰাহে জীৱনত সফলতা লাভ কৰিব পাৰি



### ■ জাতীয় বিদ্যালয়, জালাহৰ ১৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**জালাহ, ৩ জানুৱাৰী ঃ** 'ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভ কৰিবলৈ হ'লে নিজৰ একাণপতীয়া প্ৰচেষ্টা লাগিব। জীৱনত সফলতা লাভ কৰাৰ কোনো চমু পথ নাই।' আজি বাগ্‌সা জিলাৰ জালাহস্থ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান জাতীয় বিদ্যালয়, জালাহৰ ১৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰি বি বি কিষাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক মনজিৎ কুমাৰ দাসে এইদৰে কয়। তেওঁ কয় যে বৰ্তমান প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলে অধ্যৱসায়ৰ জৰিয়তে সফলতা লাভ কৰিব পাৰিব। তেওঁ অনলাইন শিক্ষা ব্যৱস্থাক শ্ৰেণীকোঠাৰ শিক্ষা ব্যৱস্থাৰ বিকল্প হিচাপে গ্ৰামাঞ্চলত হ'ব নোৱাৰে বুলি মতামত প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে প্ৰগতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক বিৰাজ দাসে। তেওঁৰ বক্তব্যত ছাত্ৰ-ছাত্ৰীসকলক পুথিগত শিক্ষাৰ উপৰি খেল-ধেমালি, গীত-নৃত্য আদিও বিদ্যালয়ৰ পাঠ্যক্ৰমৰ অংগ বুলি মতপোষণ কৰি ছাত্ৰ-ছাত্ৰীসকলক এইবিলাক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সাংস্কৃতিক অনুষ্ঠানৰ আঁত ধৰে সহকাৰী শিক্ষক পিনাক ঠাকুৰীয়াই।

### ■ কলিয়াবৰত এম্বুলেন্স প্ৰদান সাংসদ গৌৰৱ গগৈৰ

## স্বাস্থ্য বিভাগে কৰিব লগা কাম এতিয়া বিৰোধী সাংসদ-বিধায়কেহে কৰিবলগীয়া হৈছে



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩ জানুৱাৰী ঃ** 'ৰাজ্যত বৰ্তমানে স্বাস্থ্য বিভাগৰ কাম মাথো বিৰোধী দলৰ সাংসদ-বিধায়কেহে কৰিব লগা হৈছে। চৰকাৰ নিজৰ নাম-যশ গোৱাতে ব্যস্ত থাকি ৰাইজলৈ পিঠি দিছে।' আজি কলিয়াবৰৰ জখলাবন্ধা চিকিৎসালয়ত সাংসদ পুঁজিৰ এখন এম্বুলেন্স প্ৰদান কৰি চৰকাৰক এইদৰে কয় কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈয়ে। আজিৰ দিনটোতে কলিয়াবৰৰ জখলাবন্ধা চিকিৎসালয়ৰ লগতে জুৰীয়া আৰু ৰূপহী গৰাজান অঞ্চলতো একোখনকৈ এম্বুলেন্স প্ৰদান কৰে সাংসদজনে। সাংসদ অঞ্চল উন্নয়ন পুঁজিৰে জখলাবন্ধা চিকিৎসালয়লৈ এম্বুলেন্সৰ লগতে অক্সিজেন চিলিণ্ডাৰকে ধৰি যাৱতীয়া সা-সঁজুলিও প্ৰদান কৰে সাংসদ গগৈয়ে। উক্ত অনুষ্ঠানতে বৰ্তমানৰ চৰকাৰখনক দুখীয়া বিৰোধী চৰকাৰ বুলিও কয় সাংসদ গগৈয়ে। বৰ্তমানৰ ৰাজনীতিকসকল ক্ষমতাৰ খকত বলীয়ান বুলি কটাক্ষ কৰে সাংসদজনে। ইফালে, জনজাতিকৰণ সন্দৰ্ভত ৰাজ্য চৰকাৰে জনজাতিসকলক প্ৰৱঞ্চনা কৰাৰ লগতে মিথ্যাচাৰৰ আশ্ৰয় লৈছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সাংসদ গগৈয়ে। ইয়াৰ পাছতে সাংসদজনে জখলাবন্ধাস্থিত কলিয়াবৰ প্ৰেছ ক্লাবৰ কাৰ্যালয়ত উপস্থিত হৈ সংবাদ সেৱীৰ অনুষ্ঠানটোৰ আগন্তুক আয়োজিত ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীৰ বুজ লয়।

## পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৩ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন সন্মিলন মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। তদুপলক্ষে আবেলি অনুষ্ঠিত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ লংকেশ্বৰ কলিতাই। সভাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মা, প্ৰাক্তন ছাত্ৰ ভৱজ্যোতি ডেকা, মৃণাল কলিতা, গগন কলিতা, মোজাম্মিল হক, চৰিফ আলী, কৰ্মচাৰী কিশোৰ গোস্বামী, অধ্যাপক তপন কুমাৰ শৰ্মা আদিয়ে বক্তব্য আগবঢ়ায়। সভাত কিশোৰ কুমাৰ গোস্বামীক সভাপতি, আব্দুল মালিক, মৃণাল কলিতা, চৰিফ আহমেদক উপ-সভাপতি, ভৱজ্যোতি ডেকাক প্ৰধান সম্পাদক, গগন কলিতাক সম্পাদক, বিশ্বজিৎ পাটোৱাৰীক সাংস্কৃতিক সম্পাদক, জিণ্টু লহকৰক সাংস্কৃতিক সহ-সম্পাদক হিচাপে লৈ এখন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন গঠন কৰে। উল্লেখ্য যে ১৯৮৪ত অঞ্চলটোৰ ৰাইজে উক্ত মহাবিদ্যালয়খন স্থাপন কৰিছিল।

## পংকজ সভাপণ্ডিতলৈ শিৱাজী বঁটা

বিশেষ সংবাদদাতা

**লখিমপুৰ, ৩ জানুৱাৰী ঃ** ক'ভিডকালীন সময়ত এজন স্বাস্থ্যকৰ্মী হিচাপে নিজৰ দায়িত্ব আৰু কৰ্তব্য সম্পাদনৰ উপৰি সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ চহকী কৰি লিখা গল্প আৰু কবিতাৰ বাবে এছ কে এম ফিল্ম প্ৰডাকচন আৰু দাৰ্শনিক বাতৰি কাকতে ছত্ৰপতি শিৱাজী মহাৰাজ গৌৰৱ বঁটা ২০২১ত লখিমপুৰৰ কবি-গল্পকাৰ পংকজ সভাপণ্ডিতলৈ আগবঢ়াইছে। যোৱা ছয় আগষ্টত মুম্বাইৰ বান্দ্ৰাস্থিত ৰংছেন্দা হোটেলত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটা প্ৰেৰক হিচাপে তেওঁ নাম ঘোষণা কৰিছিল যদিও স্বাস্থ্য বিভাগৰ অতি জৰুৰী সেৱাৰ লগত জড়িত থকাৰ বাবে পংকজ সভাপণ্ডিতে উক্ত অধিবেশনলৈ যাব পৰা নাছিল। কালি এই বঁটাটো গুৱাহাটীৰ প্ৰেছ ক্লাবত আন্তৰ্জাতিক সম্পন্ন কৰি নীলিম কুমাৰে পংকজ সভাপণ্ডিতক প্ৰদান কৰে। উল্লেখ্য ক'ভিডকালীন সময়ত এজন স্বাস্থ্যকৰ্মী হিচাপে নিজৰ কৰ্তব্য কৰি যোৱাৰ লগতে বিভিন্ন গল্প আৰু কবিতা বিগত দুটা বছৰে প্ৰতিদিনে যি লিখাৰ প্ৰচেষ্টা কৰিছিল তাৰেই এক ৰাষ্ট্ৰীয় স্বীকৃতিৰূপে সভাপণ্ডিতে এই সন্মান লাভ কৰিলে। ক'ভিডকালীন সময়ত লিখা কে'বাটাও গল্প আৰু কবিতা ইংৰাজীলৈ অনুবাদ হৈছে। লগতে গুৱাহাটীৰ ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰ্গেনাইজেছনে এই অনুষ্ঠানতে ক'ভিড যোদ্ধা হিচাপেও আন এক বঁটা প্ৰদান কৰে। উল্লেখ্য যে যোৱা দুটা বছৰত ক'ভিডৰ সংক্ৰমণ সময়ত পংকজ সভাপণ্ডিতে নিজৰ গাঁঠিৰ ধন ব্যয় কৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত এন ৯৫ মাস্ক, ছেনিটাইজাৰ বটল, গ্ল'ভছ লগতে খাদ্য সামগ্ৰী বিতৰণ কৰি সমাজৰ প্ৰতি থকা নিজৰ কৰ্তব্য পৰিচয় দি থৈছে। নিজৰ সৃষ্টিশীল কৰ্মৰে উজলি উঠা পংকজ সভাপণ্ডিতে স্বৰচিত কে'বাটাও কবিতা আজিৰ অনুষ্ঠানত আবৃত্তি কৰি সাহিত্য প্ৰেমীৰ ৰাইজৰ মন জয় কৰে। ইয়াৰ আগতে কলকাতাৰ আনন্দমুখ পত্ৰিকা আৰু পৰিষদে ২০২০ত পংকজ সভাপণ্ডিতক 'কবিৰত্ন' সন্মান প্ৰদান কৰিছিল। তেওঁৰ এই সন্মান প্ৰাপ্তিত ৰাইজে আদৰণি জনাইছে।

### ■ 'ৰাষ্ট্ৰীয় সংহতিত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক বক্তাতানুষ্ঠান

## অভয়াপুৰী মহাবিদ্যালয়ৰ এন এছ এছৰ সপ্তাহজোৰা শিবিৰৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ৩ জানুৱাৰী ঃ** অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা এন এছ এছ গোটৰ এটা বিশেষ শিবিৰ যোৱা ২৫ৰ ৩১ ডিচেম্বৰলৈ ভোমাপাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰথমদিনা মহাবিদ্যালয়ৰ উপাধ্যক্ষ চিন্তামণি দেৱশৰ্মাই ৰাষ্ট্ৰীয় সেৱা যোজনাৰ পতাকা উত্তোলনেৰে শিবিৰৰ উদ্বোধন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ কাৰ্যক্ৰম বিষয়া জয়ন্ত বৰা, সহকাৰী অধ্যাপক ক্ৰমে ড° নৱজিৎ মজুমদাৰ, ড° পংখী হাজৰিকা, বিক্ৰম ৰঞ্জন ৰয়ৰ লগতে এনএছএছৰ প্ৰাক্তন তথা বৰ্তমানৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকল উপস্থিত থাকে। বিয়লি অনুষ্ঠিত 'ৰাষ্ট্ৰীয় সংহতিত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে 'অসমীয়া প্ৰতিদিন' কাকতৰ সাংবাদিক তথা এন এছ এছৰ প্ৰাক্তন স্বেচ্ছাসেৱক ধৰম ৰঞ্জন ৰয়ে। তেওঁ ৰাষ্ট্ৰীয় সংহতিত যুৱ প্ৰজন্মৰ সক্ৰিয় সহযোগিতা প্ৰয়োজনীয় কথা বিভিন্ন উদাহৰণেৰে দাঙি ধৰে। দ্বিতীয় দিনা অন্যান্য কাৰ্যসূচীৰ লগতে দিনৰ ভাগত' নাৰী সৱলীকৰণ'ৰ বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰে অভয়াপুৰী মহাবিদ্যালয়ৰ মহিলা কোষৰ সভানেত্ৰী তথা ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা সুৰীতি ব্ৰহ্মচৌধুৰী আৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী সৰজু দেৱীয়ে। দুয়োগৰাকী বক্তাই সাম্প্ৰতিক সময়ত নাৰী সৱলীকৰণৰ প্ৰয়োজনীয়তা তথা এই ক্ষেত্ৰত নাৰীসকলৰ কৰণীয় সম্পৰ্কে মনোগ্ৰাহী আলোচনা আগবঢ়ায়। তৃতীয় দিনা বিয়লি 'পৰিৱেশ সুৰক্ষা'ৰ ওপৰত অনুষ্ঠিত সজাগতামূলক অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অভয়াপুৰী মহাবিদ্যালয় উদ্ভিদ বিজ্ঞানৰ সহকাৰী অধ্যাপক ড° অশোক কুমাৰ দাস আৰু ড° সুব্ৰত সৰকাৰে। বক্তাদ্বয়ে পৰিৱেশ বিনষ্ট কৰাৰ পৰা দূৰত্ব থকাৰ কাৰণে যুৱ প্ৰজন্মই কি কি সাৱধানতা অৱলম্বন কৰিব পাৰে সেই সম্পৰ্কে তথ্য সহকাৰে তথা বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ জৰিয়তে উদাহৰণসহ আলোচনা আগবঢ়ায়। চতুৰ্থ দিনা দুৰ্যোগ ব্যৱস্থাপনাৰ বিশেষজ্ঞসকলে ছাত্ৰ-ছাত্ৰী তথা ভোমাৰপাৰাবাসী ৰাইজৰ সন্মুখত দুৰ্যোগৰ সময়ত কিদৰে সমস্যা সমাধান কৰিব পাৰি তাৰ এক প্ৰশিক্ষণ দিয়ে। সমল ব্যক্তি হিচাপে পৰেশ



শৰ্মা আৰু উৎপল ভূএগ্ৰাৰ লগতে দুৰ্যোগ ব্যৱস্থাপনাৰ আন আন সদস্য উপস্থিত থাকে। আবেলি অনুষ্ঠিত কৃষি বিষয়ক সজাগতা সভাত কৃষি বিষয়া আব্দুল আৱাল আহমেদ উপস্থিত থাকে। পঞ্চম দিনা স্বেচ্ছাসেৱক আৰু গাঁওবাসীৰ কাৰণে স্বাস্থ্য সম্পৰ্কীয় এখন সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত গাঁওবাসীক স্বাস্থ্য সম্পৰ্কে ভাষণ আগবঢ়ায় সমল ব্যক্তি বঙাইগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন বৈশ্য, অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ উপ-আৰক্ষীক ডাঃ মুনীন্দ্ৰ কাকতি, শিশু বিশেষজ্ঞ ডাঃ ছজিদুল ইছলামে। বক্তৃতানুষ্ঠানৰ পাছত স্বেচ্ছাসেৱকসকল আৰু গাঁওবাসীৰ লগত সমল ব্যক্তিসকলৰ এক মত বিনিময় অনুষ্ঠান হয়। ষষ্ঠ দিনা দুপৰীয়া অনুষ্ঠিত আইন সম্পৰ্কীয় সজাগতা সভাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে বঙাইগাওঁ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব তৰুণ দে আৰু আইন সাহায্য পৰামৰ্শদাতা জফিৰুদ্দিন। ইয়াপ পাছতেই দুপৰীয়া আৰম্ভ হোৱা মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদানন্দ নাথ আৰু মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট কবি ড° মৰমী বৰঠাকুৰ তালুকদাৰ। সভাত এন এছ এছৰ প্ৰাক্তন কাৰ্যক্ৰম বিষয়া বাবুৰাম শৰ্মা, মহাবিদ্যালয়ৰ শিক্ষক ক্ৰমে ড° ৰাজেশ তিৱাৰী সুৰীতি ব্ৰহ্মচৌধুৰী, ড° নৱজিৎ মজুমদাৰ, ড° পংখী হাজৰিকা, অভিজিৎ বৰ্মন, জগন্নাথ দাস, বিক্ৰম ৰঞ্জন ৰয়, চন্দনা চৌধুৰীৰ লগতে ভোমাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন ৰায়, অভয়াপুৰী মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ প্ৰাক্তন জ্যেষ্ঠ সহায়ক অনিল ৰায় উপস্থিত থাকে। সভাৰ মাজতেই স্থানীয় মহিলাসকলে থিয় নাম পৰিৱেশন কৰে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক ভাৰ্গৱজ্যোতি দাস, প্ৰাক্তন শ্ৰেষ্ঠ গায়িকা পল্লৱী ৰায়, কণ্ঠশিল্পী মানৱ ৰায়ৰ লগতে অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° মৰমী বৰঠাকুৰ তালুকদাৰে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

■ লখিমপুৰত আছুৰ আদৰণি

# প্ৰকৃতি সুৰক্ষা-ৰক্তদানেৰে সজাগতাৰ হকে যুৱকৰ পদযাত্ৰা



বিশেষ সংবাদদাতা


**লখিমপুৰ, ৩ জানুৱাৰী ঃ** প্ৰকৃতিৰ সুৰক্ষা আৰু ৰক্তদানৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে দৰঙৰ এজন যুৱকে ৰাজ্যৰ প্ৰতিখন জিলালৈ বুলি পদযাত্ৰা আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় পতাকা আৰু গছৰ পুলি হাতত লৈ পদব্ৰজে অসম ভ্ৰমণ কৰিবলৈ ওলাইছে দৰঙৰ গৌৰীশংকৰ নামৰ যুৱকজন। ৰক্তদানৰ প্ৰয়োজনীয়তা আৰু প্ৰকৃতি সুৰক্ষাৰ সচেতনতা, সজাগতা সৃষ্টিৰ উদ্দেশ্যে তেওঁ যোৱা ৩০ ডিচেম্বৰত পদব্ৰজে অসম ভ্ৰমণৰ বাবে ওলাই আহে। আজি লখিমপুৰত আহি উপস্থিত হোৱা গৌৰীশংকৰক দুলীয়াজান ছাত্ৰ সন্থাই আদৰণি জনায়। তেওঁ ছহিদ বেদীৰ সমীপত এটি গছৰ পুলি ৰুই ছাত্ৰ সন্থাৰ আদৰণি গ্ৰহণ কৰি ধেমাজি অভিমুখে ৰাওনা হয়। উল্লেখ্য যে একেই উদ্দেশ্যেত তেওঁ ২০১৯ত দিল্লীলৈও পদযাত্ৰা কৰিছিল। যি সময়ত আন ১০জনে ভোগ বিলাসত ডুব গৈ যন্ত্ৰবৎ জীৱন পাৰ কৰিছে সেই সময়ত গৌৰীশংকৰ সমাজৰ হকে, প্ৰকৃতিৰ হকে এনেদৰে সজাগতা সৃষ্টিৰ বাবে পদযাত্ৰা কৰা কাৰ্যক সকলোৱে আদৰণি জনাইছে। উল্লেখ্য যে যুৱকজনৰ এই পদক্ষেপক ছাত্ৰ সন্থা আৰু আৰক্ষী বিভাগে সহায় কৰিছে।

# দৰঙত শিক্ষাৰ্থীক প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচীৰ আৰম্ভণি

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ জানুৱাৰী ঃ** অসমৰ অন্য জিলাসমূহৰ সমান্তৰালকৈ আজি দৰং জিলাতো ১৫ বছৰৰ পৰা ১৮ বছৰ বয়সৰ সীমাৰ ভিতৰৰ শিক্ষাৰ্থীসকলক ক'ভিডৰ বিৰুদ্ধে প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীৰ লগতে জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ উপস্থিতিত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থকা বিদ্যালয়খনৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্দেশ্যে বিধায়ক ৰাজবংশীয়ে ক'ভিডৰ ভয়াৱহতাৰ কথা উল্লেখ কৰি অসম চৰকাৰে ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ শিক্ষাৰ্থীসকলক সামৰি লৈ আৰম্ভ কৰা এই কাৰ্যসূচীৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নিজৰ লগতে সমাজখনক সুৰক্ষিত কৰি ৰখাত সহায়-সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ লগতে শিক্ষাৰ্থী তথা শিক্ষকসকলক ক'ভিডৰ বিৰুদ্ধে যুঁজখনত প্ৰশাসনক সহযোগিতা আগবঢ়াই গৈ থাকিবলৈ আহ্বান জনায়। অনুষ্ঠানত উপৰোক্ত ব্যক্তিসকলৰ উপৰি অতিৰিক্ত উপায়ুক্তদ্বয় পল্লৱী কছাৰী, সঞ্জীৱ বৰা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন চন্দ্ৰ মালাকাৰ, জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ৰূপলাল নুনিছা, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল লটিফৰ লগতে আন কে'বাজনো উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। দৰং জিলা প্ৰশাসনে আজিৰ দিনটোৰ বাবে ২৯ টাকৈ বিশেষ প্ৰতিষেধক প্ৰদান কেন্দ্ৰ সাজু কৰি ৰাখিছে, য'ত কেৱল ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ শিক্ষাৰ্থীসকলক প্ৰতিষেধক প্ৰদান কৰা হ'ব। চাহিদা অনুসৰি এই সংখ্যা বৃদ্ধি বা হ্ৰাস হ'ব বুলি জিলা প্ৰশাসনে উল্লেখ কৰিছে।

# কুকুৰমাৰাৰ নেহৰু ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ লাইখুঁটা স্থাপন



**ছয়গাঁও, ৩ জানুৱাৰী ঃ** দক্ষিণ কামৰূপ ছয়গাঁও সমষ্টিৰ কুকুৰমাৰা গাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান নেহৰু ক্লাবে এইবেলি ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰে। অহা ২১, ২২ আৰু ২৩ জানুৱাৰীত বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰিব ওলোৱা অনুষ্ঠানৰ আজি লাইখুঁটা স্থাপন কাৰ্যসূচী। লাইখুঁটা স্থাপন উপলক্ষে কুকুৰমাৰা গাঁৱৰ ৰাজহুৱা খেলপথাৰত প্ৰায় দুই শতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত এক ধৰ্মীয় ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কৰা হয়। বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য কুমাৰ দাসে লাইখুঁটা স্থাপন কৰাৰ পূৰ্বে একশৰণ ভাগৱতী সমাজৰ ১৩ পৃষ্ঠাত চাওক

# যোৰহাটৰ ছাত্ৰীক দুৰ্বৃত্তৰ আক্ৰমণ, চিকিৎসাধীন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩ জানুৱাৰী ঃ** যোৰহাট জিলাৰ গৰখীয়া দ'লৰ ন-আলিৰ নিবাসী এগৰাকী ছাত্ৰীক দুজন দুৰ্বৃত্তই আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা এক ঘটনা ২৮ ডিচেম্বৰত সংঘটিত হয়। অঞ্চলটোৰ নিবাসী প্ৰয়াত বকুল হাজৰিকা আৰু টুটুমণি হাজৰিকাৰ কন্যা যোৰহাট কলেজৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী জানমণি হাজৰিকাক যোৱা ২৮ ডিচেম্বৰত দুজন দুৰ্বৃত্তই কলেজলৈ আহি থকা অৱস্থাতে ঘৰৰ সমীপতে আক্ৰমণ কৰে। মটৰ চাইকেলত অহা দুৰ্বৃত্তৰ আক্ৰমণত জানমণিয়ে বুকু আৰু মূৰত গুৰুতৰভাৱে আঘতপ্ৰাপ্ত হয়। ততাতৈয়াকৈ ছাত্ৰীগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে পাছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। বৰ্তমান ছাত্ৰীগৰাকী গুৱাহাটীত চিকিৎসাধীন হৈ আছে। পাছত ঘটনাটো সন্দৰ্ভত পৰিয়ালৰ লোকে যোৰহাট সদৰ থানাত এজাহাৰ দাখিল কৰিছে।

# চাবুৱাত প্ৰথম গ্ৰন্থমেলাৰ বিশেষ সভা

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ৩ জানুৱাৰী ঃ** চাবুৱাত বহুদিন বিৰতিৰ অন্তত প্ৰথম গ্ৰন্থমেলা আয়োজনৰ প্ৰস্তুতি অব্যাহত আছে। যোৱা ২৭ ডিচেম্বৰত আয়োজক সমিতি গঠন হৈ যোৱাৰ পাছত আজি চাবুৱাৰ বহুমুখী প্ৰকল্প ভৱনত এখন সভা অনুষ্ঠিত হয়। প্ৰশান্ত নেওগৰ সভাপতিত্বত অনুষ্ঠিত সভাত চাবুৱাৰ বহু ব্যক্তি উপস্থিত থাকে। বিভিন্নজনৰ দিহা-পৰামৰ্শত গঠিত আয়োজক সমিতিখন পূৰ্ণাংগ কৰা হয়। তদুপৰি আয়োজনৰ ক্ষেত্ৰত আনুষাংগিক দিশসমূহ আলোচনা কৰি পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলা সফল কৰি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিছে আয়োজক সমিতিয়ে। চলিত বৰ্ষৰ ২৫ৰ পৰা ৩০ জানুৱাৰীলৈকে অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থমেলাখনত বিস্তৃত কাৰ্যসূচী হাতত লোৱা হৈছে। সভাত বিধায়ক তথা আয়োজক সমিতিৰ সভাপতি পোনাকণ বৰুৱা, যুটীয়া সম্পাদক ক্ৰমে দেৱঋষি চেতিয়া, নিপুল কোঁৱৰকে আদি কৰি বহু ব্যক্তি উপস্থিত থাকে।

# নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ কংগ্ৰেছ বিধায়ক

## ঠেঙাল পৰিষদীয় নিৰ্বাচনৰ বাবে তিতাবৰত কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয় মুকলি



**তিতাবৰ, ৩ জানুৱাৰী ঃ** সমাগত ঠেঙাল পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি তিতাবৰত তৎপৰ হৈছে কংগ্ৰেছ। তিতাবৰত থকা পৰিষদৰ ১০ টা সমষ্টি কংগ্ৰেছে দখল কৰি পৰিষদ গঠনৰ লক্ষ্যৰে প্ৰস্তুতি তীব্ৰতৰ কৰিছে। প্ৰাক্তন প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পৃষ্ঠপোষকতাত ঠেঙাল জনগোষ্ঠীৰ জনসাধাৰণে এখন স্বায়ত্ত শাসিত পৰিষদ লাভ কৰিবলৈ সক্ষম হোৱা বুলি পুনৰ আৱেগিক ৰাজনীতিৰে ভোটাৰৰ মন জয় কৰিবলৈ কংগ্ৰেছে চেষ্টা কৰিছে। আজি কংগ্ৰেছে তিতাবৰৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ১০টা সমষ্টিতে দলীয় নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। তিতাবৰৰ দিহিঙীয়া সমষ্টিত আজি প্ৰথমটো দলীয় কাৰ্যালয় মুকলি কৰে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী অচিন্ত্য শইকীয়াৰ হৈ দলীয় নিৰ্বাচনী কাৰ্যালয় আৰম্ভ কৰি বিধায়ক বৰুৱাই বিগত আঠমহীয়া কাৰ্যকালত ১৩ পৃষ্ঠাত চাওক

# দুদিনীয়াকৈ কৰ্মত অসহযোগ অসম সাহিত্য সভাৰ কৰ্মচাৰীৰ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৩ জানুৱাৰী ঃ** যোৰহাট জিলাৰ অসম সাহিত্য সভাৰ কৰ্মচাৰীসকলে আজিৰে পৰা দুদিনীয়াকৈ কৰ্মত অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰিছে। অভিযোগ মতে, অসম সাহিত্য সভাৰ কৰ্মচাৰীসকলে দীৰ্ঘদিন ধৰি প্ৰাপ্য দৰমহা নোপোৱাত চৰম অৰ্থ সংকটত পৰিছে। সভাৰ কৰ্মচাৰীসকলক ২০২১ৰ জুনৰ পৰা দুই-তিনিমাহৰ মূৰত এমাহৰ দৰমহা প্ৰদানৰ বিপৰীতে ছেপ্টেম্বৰ, অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰৰ পৰা ধাৰাবাহিকভাৱে দৰমহা নোপোৱা আৰু এই সম্পৰ্কত কোনো ধৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰা, কৰ্মচাৰীসকলৰ মাহিলি দৰমহাৰ পৰা কৰ্তন কৰা ইপিএফ জমা নোহোৱা আৰু শেহতীয়াকৈ পাঁচমাহে এই বিভাগত ধন জমা নিদিয়া, কৰ্মচাৰীক মাহিলি দৰমহা প্ৰদান কৰিব নোৱাৰিলেও যিকোনো পৰিস্থিতিত এই বিভাগত ধন প্ৰতিমাহে জমা ১৩ পৃষ্ঠাত চাওক

# শোণিতপুৰত নিৰ্মাণ সম্পূৰ্ণ হোৱা নাই পাঁচ সহস্ৰাধিক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ


অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩ জানুৱাৰী ঃ** তেজপুৰত সম্প্ৰতি দিন হাজিৰা কৰাৰ লগতে ৰিক্সা চলাই পৰিয়াল চলোৱা বহুসংখ্যক লোক আছে যিয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা বাসগৃহৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। কিন্তু এইসকল দৰিদ্ৰ হিতাধিকাৰীৰ দুখ নতুবা অনুনয় বিনয় শুনাৰ সময় বা আগ্ৰহ কৰ্তৃত্বশীল কাৰোৰে নাই। উল্লেখ্য যে বিগত তিনি বছৰ ধৰি শোণিতপুৰতে বহুসংখ্যক প্ৰধানমন্ত্ৰী আৱাসৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠা নাই। ইয়াকে কেন্দ্ৰ কৰি জিলাখনৰ দৰিদ্ৰ হিতাধিকাৰী পৰিয়ালসমূহৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলাখনত ২০১৯-২০ বিত্তীয় বৰ্ষত অনুমোদন হোৱা নহেজাৰ ৯৭৬২টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত এহেজাৰটা গৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠা নাই। আনহাতে, ২০১৯-২০ত জিলাখনৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ বালিপৰা উন্নয়ন খণ্ডত অনুমোদিত ৩৯৫৪টা প্ৰধানমন্ত্ৰী আৱাসৰ ভিতৰত ২৫০ টা এই পৰ্যন্ত অসম্পূৰ্ণ হৈ থকাৰ বিপৰীতে, ৰঙাপৰা উন্নয়ন খণ্ড অঞ্চলত ১৬১৫টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত ৩১৫ টা অসম্পূৰ্ণ হৈ আছে। একেদৰে বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহগুৰি উন্নয়ন খণ্ডত অঞ্চলত অনুমোদন প্ৰধানমন্ত্ৰী আৱাস গৃহৰ ৪৩টা অসম্পূৰ্ণ হৈ থকাৰ বিপৰীতে সমষ্টিটোৰ বৰছলা উন্নয়ন খণ্ডলৈ অনুমোদন হোৱা ৮৪৪ টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত ১৭৬ টা অসম্পূৰ্ণ হৈ আছে। ইফালে, ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ অনুমোদন হোৱা ২১১১টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত ১৯১৮টা সম্পূৰ্ণ হোৱাৰ বিপৰীতে ১৯৪টা আজিও অসম্পূৰ্ণ। একেদৰে তেজপুৰ বিধানসভা সমষ্টিৰ গাভৰু উন্নয়ন খণ্ডলৈ অনুমোদন হোৱা ৩৫৩ টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত ৬৩ টাৰ আৰু চতিয়া সমষ্টিৰ নদুৱাৰ উন্নয়ন খণ্ডলৈ অনুমোদন হোৱা ৪৮৭টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত ১৯ টা অসম্পূৰ্ণ হৈ আছে। বিভাগীয় তথ্য অনুসৰি ২০১৯-২০ত জিলাখনলৈ অনুমোদন হোৱা ৯৭৬২ টা প্ৰধানমন্ত্ৰী আৱাসগৃহৰ ভিতৰত চাৰিহেজাৰ সাতশটা সম্পূৰ্ণ হোৱাৰ বিপৰীতে এতিয়ালৈকে এহেজাৰ ৫৯ টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ বাকী আছে। উল্লেখ্য যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ প্ৰথম অৱস্থাত ২০১৬-১৭ত শোণিতপুৰলৈ অনুমোদন হোৱা প্ৰধানমন্ত্ৰী আৱাসগৃহৰো কিছু ১৩ পৃষ্ঠাত চাওক

# ৰাজ্যৰ শিক্ষাৰ্থীসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি অধিক আগ্ৰহী হ'বলৈ আহ্বান ৰাজ্যপাল জগদীশ মুখীৰ

**আলোপতি, ৩ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ যোগীপাৰা লাল বাহাদুৰ শাস্ত্ৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ আজি মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে অংশগ্ৰহণ কৰে। সোণালী জয়ন্তীৰ মুকলি সভাত ৰাজ্যপাল মুখীয়ে কয় যে যিকোনো অনুষ্ঠান এটাই সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়াটো অতি কঠিন। তেওঁ তাহানিতে লাল বাহাদুৰ শাস্ত্ৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খন জন্ম দিয়াসকলক ধন্যবাদ জ্ঞাপন কৰি ৰাজ্যৰ শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলক বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনায়। তেওঁ কয়, 'পৌৰাণিক ভাৰতবৰ্ষ বিজ্ঞান ১৩ পৃষ্ঠাত চাওক

বকোৰ যোগীপাৰা লাল বাহাদুৰ শাস্ত্ৰী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ



# আজি গোলাঘাট কেন্দ্ৰীয় শিক্ষাখণ্ডত বিশেষ মূল্যায়ন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ৩ জানুৱাৰী ঃ** গোলাঘাট কেন্দ্ৰীয় শিক্ষাখণ্ডৰ অন্তৰ্গত ঢেকীয়াল আৰু বেতিয়নী মণ্ডল সমল কেন্দ্ৰৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহত কাইলৈ এক বিশেষ মূল্যায়ন অনুষ্ঠিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক পৰ্যায়তে অ' এম আৰ আৰ্হিত মূল্যায়ন অনুষ্ঠিত কৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু কৰাৰ প্ৰয়াসেৰে এই পদক্ষেপ লোৱা হৈছে বুলি সমন্বয়ক জাগৃতি বৰঠাকুৰে সদৰী কৰিছে। আজি খণ্ডটোৰ প্ৰাথমিক শিক্ষা বিষয়া প্ৰমোদ বৰুৱাৰ উপস্থিতিত প্ৰতিখন বিদ্যালয়লৈকে অ'এমআৰ আৰু প্ৰশ্নকাকত প্ৰেৰণ কৰা হয়। প্ৰশ্নকাকত আৰু অ'এমআৰ বিতৰণ কাৰ্যসূচীত চিআৰচিচি চন্দন কলিতা আৰু দিব্যজ্যোতি বৰা উপস্থিত থাকে।

# প্ৰথমবাৰৰ বাবে ৰাজ্যত শ্ৰীমদ্ভাগৱতৰ ইণ্টাৰনেটে অসমীয়া সংস্কৰণ উন্মোচন



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**গোলাঘাট/বৰুৱাবামুণগাঁও, ৩ জানুৱাৰী ঃ** বেদান্ত সূৰ্য, পুৰাণ শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ অসমীয়া অনুবাদৰ ইণ্টাৰনেট সংস্কৰণ যোৱা দুই জানুৱাৰীত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, গোলাঘাট জিলা শাখাৰ দ্বাৰা উন্মোচন কৰা হয়। জিলা শাখাৰ ঢেকীয়ালস্থিত জিলা নামঘৰত শতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত অসমীয়া ভাগৱতৰ ইণ্টাৰনেট সংস্কৰণ উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। উল্লেখ্য যে ৰাজ্যত প্ৰথমবাৰৰ বাবে শ্ৰীমদ্ভাগৱতৰ ইণ্টাৰনেটত সম্পূৰ্ণভাৱে অসমীয়া সংস্কৰণ উন্মোচন কৰি উপলব্ধ কৰাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘই প্ৰথমবাৰৰ পদক্ষেপ গ্ৰহণ কৰে। জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাই সভাপতিত্ব কৰা উন্মোচনী অনুষ্ঠানত মূল সংঘ আৰু জিলা শাখাৰ বহুকেইগৰাকী ১৩ পৃষ্ঠাত চাওক

# ৰঙাপৰা মহোৎসৱ স্থগিত

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ৩ জানুৱাৰী ঃ** অ'মিক্ৰনৰ আশংকাত ৰঙাপৰা মহোৎসৱ স্থগিত কৰা হৈছে বুলি মহোৎসৱ পৰিচালনা সমিতিৰ সম্পাদক গণেশ বসুমতাৰীয়ে আজি এক বিবৃতিযোগে সদৰী কৰিছে। অহা আঠৰ পৰা ১১ জানুৱাৰীলৈকে অনুষ্ঠিত হ'বলগীয়া ৰঙাপৰা মহোৎসৱ ১৩ পৃষ্ঠাত চাওক



*টিহুৰ ৰণাকুছি দীঘেলী-বড়াগাঁও মিলন হাইস্কুলৰ পকী দেৱালয়ৰ আধাৰশিলা বিধায়ক ভূপেন বড়োৰ, সোমবাৰে।*

ইংৰাজী নৱবৰ্ষ উপলক্ষে ৯৮গৰাকী বয়োজ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা

# ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ উদ্যোগত ছহিদ উদ্যানত 'জ্যেষ্ঠসকলৰ স'তে এখন্তেক' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ৩ জানুৱাৰী ঃ** যোৱা পহিলা জানুৱাৰীৰ দিনটোত ঢেকিয়াজুলি ছহিদ উদ্যানত অঞ্চলটোৰ ৯৮গৰাকী বয়োজ্যেষ্ঠ নাগৰিকক ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চই সম্বৰ্ধনা জনায়। ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ উদ্যোগত প্ৰতিবছৰে পহিলা জানুৱাৰীত আয়োজন কৰা 'জ্যেষ্ঠসকলৰ স'তে এখন্তেক' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠানটি পৰহি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। ইংৰাজী নৱবৰ্ষ উপলক্ষে আয়োজন কৰা এই ব্যতিক্ৰমী অনুষ্ঠানত বৃহত্তৰ ঢেকিয়াজুলি অঞ্চলৰ ৯৮গৰাকী বয়োজ্যেষ্ঠ নাগৰিকক নাগৰিক মঞ্চৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে ক'ভিডকেন্দ্ৰিক পৰিস্থিতিত যোদ্ধাৰ দৰে কাম কৰা স্বেচ্ছাসেৱী অনুষ্ঠানৰ কৰ্মকৰ্তা, মানৱ অধিকাৰ কৰ্মী আদিক সম্বৰ্ধনা জনোৱা হয়। দিনৰ ১০-৩০ বজাত ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সভাপতি খগেন্দ্ৰনাথ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত জ্যেষ্ঠসকলৰ স'তে এখন্তেক শীৰ্ষক অনুষ্ঠানটি ঢেকিয়াজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা প্ৰবীণ সাংবাদিক-শিক্ষাবিদ ৰমেশ চন্দ্ৰ বৰাই উদ্বোধন কৰে। তেওঁ কয়, 'জ্যেষ্ঠ নাগৰিকসকল সমাজৰ পথ প্ৰদৰ্শক। সমাজৰ উত্তৰণত তেওঁলোকৰ অৰিহণা থাকে।' নাগৰিক মঞ্চই পহিলা জানুৱাৰীত জ্যেষ্ঠ নাগৰিকসকলক একত্ৰিত কৰি সম্বৰ্ধনা জনোৱাটো অতি উত্তম আৰু প্ৰশংসনীয় কাৰ্য বুলি তেওঁ ভাষণত উল্লেখ কৰে। উল্লেখ্য যে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে আৰম্ভ হোৱা অনুষ্ঠানটিত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰকাশন আৰু প্ৰণয়ন নিগমৰ উপাধ্যক্ষ তুলসী বৰঠাকুৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হেমচন্দ্ৰ গৌতম, ঢেকিয়াজুলি শাখা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱভূষণ মহন্ত, ঢেকিয়াজুলি শাখা পেঞ্চনাৰ সন্থাৰ সভাপতি কৰুণাদত্ত বৰা, বৰগাঁও নাহৰবাৰী স্নাতক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুৰেন্দ্ৰ খনাল, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাকৰ বৰ্মন, মহকুমা নাগৰিক ১৩ পৃষ্ঠাত চাওক

# জনজাতিকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ মন্তব্যত সৰব কোচ-ৰাজবংশী সংগ্ৰাম সমিতি

বিশেষ সংবাদদাতা

**লখিমপুৰ ৩ জানুৱাৰী ঃ** অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে। এক প্ৰেছ বিবৃতিৰ কোচ-ৰাজবংশী সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, বিশিষ্ট কবি ৰূপজ্যোতি দত্ত, সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়াই উল্লেখ কৰে যে-১৯৯৬ ৰ ২৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাও নেতৃত্বাধীন চৰকাৰে অধিসূচনা জাৰি কৰি কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰি পৰৱৰ্তী সময়ত তিনিবাৰকৈ নবীকৰণ কৰি মূৰকত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰে সংসদত বিধেয়ক উত্থাপন নকৰি প্ৰতাৰণাৰে জনগোষ্ঠীটোক চৰম বিশ্বাসঘাটকতা কৰিলে। ১৯৯৭ত কেন্দ্ৰীয় চৰকাৰে জনগোষ্ঠীটোক জনজাতি তালিকাভূক্ত কৰিব পাৰি নে ১৩ পৃষ্ঠাত চাওক

# ধোপাবৰৰ বাকৰিত এজাক শিশুৰ কলকলনি ঃ মইনা পাৰিজাতৰ মইনা মেল

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ৩ জানুৱাৰী ঃ** নৱবৰ্ষৰ উপলক্ষত ৰাজ্যৰ চুকে-কোণে এতিয়া বনভোজৰ পয়োভৰ। কোনোৱে প্ৰকৃতিৰ মনোমোহা নয়নাভিৰাম সুদৃশ্য উপভোগৰ বাবে গৈছে নদীৰ বালিচৰলৈ আৰু কোনোৱে গৈছে পাহাৰৰ ওখ চূড়ালৈ। মুঠতে চৌদিশ উখল-মাখলৰ ব্যস্তভৰা পৰিৱেশ। এনে উখল-মাখলৰ পৰিৱেশৰ মাজতে দুই জানুৱাৰীত এজাক শিশুৰ কলকলনিৰে মুখৰ কৰি তোলে। চাবুৱা নগৰৰ নিকটৱৰ্তী ধোবাৰ মাইজানৰ বাকৰিত ধোপাবৰ মাইজান মইনা পাৰিজাতৰ সৌজন্যত মইনা মেলৰ আয়োজনেৰে এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰে। হেমন্ত দত্ত, প্ৰণৱ দিহিংগীয়া, মুনিন দত্ত, মোহন দত্ত আৰু যুগল দত্তকে ধৰি অঞ্চলটোৰ যুৱ চামে আয়োজন কৰা উক্ত মইনা মেলত অৰ্ধশতাধিক কণ কণ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। গীত, কবিতা, সাধু কোৱা, সাঁথৰ, অসমীয়া শব্দ বানান কোৱা আদি বিভিন্ন কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈ জীপাল কৰি তোলে মেলখনি। অনুষ্ঠান পৰিচালনা কৰে শিক্ষক তথা সাংবাদিক অনুপম বুঢ়াগোহাঁয়ে। তদুপৰি পৰিচালক অনুপম বুঢ়াগোহাঁয়ে পৰিৱেশন কৰা বাঁহী বাদনে অনুষ্ঠান অধিক মনোগ্ৰাহী কৰি তোলে। অনুষ্ঠানৰ পৰিৱেশত একেলগে এসাঁজ ভাত গ্ৰহণ কৰে।

# নতুন বছৰটো আমি এটা ভাল কামৰে আৰম্ভ কৰিছো ঃ শিক্ষামন্ত্ৰী ডাঃ পেগু

**নগাঁৱত ১৫ বছৰৰ পৰা ১৮ বছৰ বয়সৰ শিক্ষাৰ্থীক প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ**



বিশেষ সংবাদদাতা

**নগাঁও, ৩ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ নিৰ্দেশনা অনুসৰি নগাঁও জিলা প্ৰশাসনে আজিৰে পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত ১৫ বছৰৰ পৰা ১৮ বছৰ বয়সৰ শিক্ষাৰ্থীসকলক ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ কৰিছে। নগাঁও জিলা স্বাস্থ্য সেৱা বিভাগে আজি জিলাখনৰ ২২খন বিদ্যালয়ক সামৰি ইয়াৰ শিক্ষাৰ্থীসকলক প্ৰতিষেধক প্ৰদান কৰে। পুৰা নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত এই কাৰ্যৰ আৰম্ভ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। অনুষ্ঠানটো উদ্বোধন কৰি মন্ত্ৰী ডাঃ পেগুৱে কয়, 'নতুন বছৰটো আমি এটা ভাল কামৰে আৰম্ভ কৰিছো। আজিৰে পৰা ১৫ বছৰৰ পৰা ১৮ বছৰৰ সকলোকে ক'ভিড-১৯ৰ প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰিছো। নগাঁও জিলাতো সৰ্বমুঠ ২২খন বিদ্যালয়ত আজি ক'ভিড প্ৰতিষেধক দিছো। ক'ভিডে মহামাৰী ১৩ পৃষ্ঠাত চাওক

# পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ক'ভিড প্ৰতিষেধক প্ৰদান আৰম্ভ

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ৩ জানুৱাৰী ঃ** বিগত তিনিটা বছৰে ক'ভিড অতিমাৰীয়ে দেশৰ জনগণক জুৰুলা কৰাৰ পাছত চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত টিকাকৰণ ইতিমধ্যে ৯৯ শতাংশ সম্পন্ন হৈছে। তেনে সময়তে বয়স অনুপাতে প্ৰদান এই টিকাকৰণত ১৫ৰ পৰা ১৮ বছৰ বয়সৰ সকলোকে টিকাকৰণ অভিযান আজিৰে পৰা সমগ্ৰ দেশত আৰম্ভ হোৱাত চাবুৱাৰ পানীতোলাত মুকলি কৰে চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য বিভাগে আয়োজন কৰা কাৰ্যসূচীত যথেষ্ট সংখ্যকৰ উপস্থিতি পৰিলক্ষিত হয়। বিধায়ক বৰুৱাই আশা প্ৰকাশ কৰে এই অতিমাৰীৰ বিৰুদ্ধে সকলোৱে এই টিকাকৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিলেহে দেশখনে এই দুৰ্যোগৰ পৰা উদ্ধাৰ হ'ব পাৰিব।

**কুঁৱৰী পুখুৰী বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন**

# লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ দুই মেধাৱীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৩ জানুৱাৰী ঃ** ন-আলি কুঁৱৰী পুখুৰী শিৱ মন্দিৰৰ কুঁৱৰী পুখুৰী উচ্চ মাধ্যমিক (পাব্লিক) বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস যোৱা ৩১ ডিচেম্বৰত অনুষ্ঠিত হয়। ১৯৭০তেই স্থানীয় শিক্ষানুৰাগী ৰাইজৰ দান-বৰঙণিৰে স্থাপন কৰা বালিকা বিদ্যালয়খনত পৰৱৰ্তী সময়ত সহ শিক্ষা প্ৰৱৰ্তিত কৰি কুঁৱৰী পুখুৰী পাব্লিক বিদ্যালয়ৰূপে নামকৰণ কৰা হয়। অঞ্চলটোত জ্ঞানৰ পোহৰ বিলাই অহা বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা পতাকা উত্তোলন কৰে প্ৰধান শিক্ষয়িত্ৰী মামণি বৰুৱাই। লগতে বিদ্যালয় প্ৰতিষ্ঠা কালৰ প্ৰয়াত ব্যক্তিসকলৰ প্ৰতিচ্ছবিত এগছি বন্তি প্ৰজ্বলন কৰি সেই সকলক শ্ৰদ্ধাৰে সোঁৱৰে পৰিচালনা ১৩ পৃষ্ঠাত চাওক

# নলবাৰীত স্বচ্ছতাৰ দৌৰ 'ৰাণ ফৰ স্বচ্ছতা' সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ জানুৱাৰী ঃ** স্বচ্ছ ভাৰত অভিযানৰ অংশৰূপে কালি নলবাৰীত স্বচ্ছতাৰ দৌৰ 'ৰাঁণ ফৰ স্বচ্ছতা' অনুষ্ঠিত হয়। নলবাৰী জিলা প্ৰশাসনৰ পূৰ্ণ সহযোগিতাত 'টিপকাই' নামৰ এক বেচৰকাৰী সংস্থাই স্বচ্ছতাৰ প্ৰতি ৰাইজক সজাগ-সচেতন কৰাৰ উদ্দেশ্যে পুৱা আয়োজদন কৰা এই মিনি মাৰাথনৰ আৰম্ভণি কৰে জিলা ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতাই। পুৱা ছয় বাজি ১৫ ১৩ পৃষ্ঠাত চাওক

■ গানু গাঁৱৰ গেলামালৰ দোকানত হেলেম আৰক্ষীৰ অভিযান

# গহপুৰত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ



অগ্ৰদূত বাৰ্তা

**গহপুৰ, ৩ জানুৱাৰী ঃ** গহপুৰ মহকুমাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত অবৈধ অৰুণাচলী সুৰাৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰেণ গগৈয়ে। ইতিমধ্যে আৰক্ষী থানাখনৰ অন্তৰ্গত বিভিন্ন ঠাইৰ পৰা বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰিবলৈ সক্ষম হোৱা আৰক্ষী বিষয়াজনে শেহতীয়াকৈ আজি পুৱা এক অভিযান চলাই সৰ্বমুঠ ৫২ কাৰ্টন বিভিন্ন ব্ৰেণ্ডৰ অৰুণাচলী সুৰা জব্দ কৰে। এই সন্দৰ্ভত জানিব পৰা মতে, এক বিশেষ সূত্ৰৰ ভিত্তিত আজি পুৱাৰ ভাগত আৰক্ষী বিষয়া গগৈয়ে হেলেম আৰক্ষী থানাৰ অন্তৰ্গত টকৌবাৰীৰ গানু গাঁৱৰ কৃষ্ণ মিলিৰ ঘৰত অভিযান চলাই অৰুণাচলী সুৰাৰ বটলসমূহ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানকাৰী দলটোৱে কৃষ্ণ মিলিৰ বাসগৃহ সংলগ্ন গেলামালৰ দোকানৰ পৰা উক্ত ৫২ কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰে। অৱশ্যে আৰক্ষীৰ আগমনৰ উমান পাই সুৰা ব্যৱসায়ী কৃষ্ণ মিলিয়ে পলায়ণ কৰে। উল্লেখ্য যে গহপুৰ মহকুমাত এটা আবকাৰী বিভাগ থকাৰ পাছতো এনেদৰে বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰাৰ বেহা অব্যাহত থকাৰ ঘটনাই আবকাৰী বিভাগটোৰ ব্যৰ্থতাকে প্ৰতিপন্ন কৰিছে বুলি সচেতন ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আনহাতে, হেলেম আৰক্ষীৰ অৰুণাচলী সুৰা বিৰোধী অভিযানত সন্তুষ্টি প্ৰকাশ কৰি সচেতন ৰাইজে হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গগৈৰ এনে তৎপৰতাৰ শলাগ লৈছে। অবৈধ অৰুণাচলী সুৰা বেপাৰীৰ বিৰুদ্ধে কঠোৰতম পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে সচেতন ৰাইজে গহপুৰৰ মহকুমা প্ৰশাসনৰ লগতে বিশ্বনাথৰ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

## মানাহত পৰ্যটকৰ বাহনলৈ বন্যহস্তীৰ চোঁচা



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩ জানুৱাৰী ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাহনলৈ এইবাৰ গঁড়ৰ চোঁচা নহয়। এইবাৰ পৰ্যটকৰ বাহনলৈ চোঁচা ল'লে উদ্যানখনৰ দুটাকৈ বনৰীয়া হাতীয়ে। বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত মথনগুৰিৰ পাঁচ মাইলত সংঘটিত হৈছে এই ঘটনা। উল্লেখ্য যে কালি আবেলি কে'বাখনো পৰ্যটকৰ জীপ ভাৰত-ভূটান সীমান্তৱৰ্তী মানাহৰ মথনগুৰিৰ পৰা বাঁহবাৰীলৈ উভতি অহাৰ পথত দুটা বনৰীয়া হাতীয়ে পৰ্যটকৰ এখন জীপলৈ লক্ষ্য কৰি চোঁচা লৈ বাট আগুচি ধৰে। পাছত জীপত থকা বনকৰ্মীয়ে ফটকা ফুটাই বনৰীয়া হাতী দুটাক খেদাৰ চেষ্টা কৰে যদিও বহুসময় ধৰি বাট এৰি দিয়া নাছিল বনৰীয়া হাতী দুটাই। অৱশেষত বহু সময় অপেক্ষা কৰি থকাৰ অন্তত বনৰীয়া হাতী দুটা আঁতৰি যোৱাৰ পাছত পৰ্যটক থকা জীপ কেইখন বাঁহবাৰীলৈ সুকলমে উভতি আহিবলৈ সক্ষম হয়। উল্লেখ্য যে কেইদিনমান পূৰ্বে মানাহৰ প্ৰকাণ্ড গঁড় এটাই পৰ্যটকৰ জীপলৈ লক্ষ্য কৰি বহু দূৰ পৰ্যন্ত খেদি গৈছিল যদিও বাহন আৰু কথমপি প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছিল পৰ্যটকৰ দলটো।

## বাইহাটা চাৰিআলিত পথ দুৰ্ঘটনাত নিহত এক

### ৰাইজৰ পথ অৱৰোধ

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ৩ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ তিনিআলিত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ বিপৰীতে এগৰাকী মহিলা আহত হয়। নিহত-আহতদ্বয় সম্পৰ্কত স্বামী-স্ত্ৰী। তথ্যমতে, তামুলপুৰৰ পলকাটা নিবাসী অতুল স্বৰ্গীয়াৰী আৰু তেওঁৰ পত্নী ৰূপালী স্বৰ্গীয়াৰীয়ে এ এছ-২৫ এছ-৭১৬২ নম্বৰৰ স্কুটী এখনেৰে গুৱাহাটী অভিমুখে গৈ আছিল। বাইহাটা চাৰিআলিৰ টেঙাবাৰী তিনিআলিত একে দিশৰ পৰা আহি থকা এ এছ-০১ এ এ-৩৯৫৭ নম্বৰৰ ট্ৰাকখনে স্কুটীখন মহতিয়াই নিয়ে। ফলত ঘটনাস্থলীতে অতুলৰ মৃত্যু হোৱাৰ বিপৰীতে পত্নী ৰূপালী গুৰুতৰভাৱে আহত হয়। আহত মহিলাগৰাকীক স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাটো ইমানেই ভয়ানক আছিল যে নিহত লোকজনে হেলমেট পিন্ধি থকাৰ পাছত হেলমেটটো গুৰি হৈ মূৰটোও গুৰি হৈ যায়। আৰক্ষীৰ ভুলৰ বাবে বিয়লি ১-২০ বজাত দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি অভিযোগ তুলি স্থানীয় ৰাইজে উত্তেজিত হৈ প্ৰায় এঘণ্টা ধৰি ৰাষ্ট্ৰীয় পথটো অৱৰোধ কৰি ৰাখে। ৰাইজে অভিযোগ কৰা মতে, ৰাষ্ট্ৰীয় পথৰ পৰা বাইহাটা চাৰিআলিলৈ অহা বাইপাছত যান-বাহনৰ নিয়ন্ত্ৰণৰ বাবে নিয়োজিত গৃহৰক্ষী জোৱানে তিনিআলি বাইপাছত থকাৰ বিৰুদ্ধে দূৰৰ গছৰ তলত ৰৈ গাড়ীৰ পৰা ধন সংগ্ৰহৰ নামতহে ব্যস্ত থাকে। যাৰ বাবে 'আৰক্ষী হায় হায়' ধ্বনি দি আজি ৰাইজে পথ অৱৰোধ কৰে।

## বৰছলা আৰক্ষীৰ অভিযানত জব্দ বৃহৎ পৰিমাণৰ ড্ৰাগছ

■ দুই ড্ৰাগছ সৰবৰাহকাৰীক জেললৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ৩ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ বৰছলা আৰক্ষীয়ে আজি বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। ড্ৰাগছৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়তে আৰক্ষীৰ চকুত ধূলি দি লাহৰীঘাটৰ বৰছলা অঞ্চলত একাংশ ড্ৰাগছ ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি চলাই আহিছে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। লাহৰীঘাটৰ বৰছলা আৰক্ষী চকীৰ এটা আৰক্ষীৰ দলে এক বিশেষ সূত্ৰৰ পম খেদি অভিযান চলাই আজি ড্ৰাগছ সৰবৰাহ কৰি থকাৰ সময়তে ৪০টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজন নাজিম উদ্দিন আহমেদ আৰু মজিবুৰ ৰহমান। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনক আজি বৰছলা আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰে।


## হোজাইত এটিএম চুৰিত বিফল

অগ্ৰদূত বাৰ্তা

**হোজাই, ৩ জানুৱাৰী ঃ** যোৱা নিশা হোজাইৰ চোৰে মেইন ৰোডৰ ইউকো বেংকৰ এটিএম ভাঙিবলৈ চেষ্টা কৰি বিফল হয়। আজি পুৱা বেংক কৰ্তৃপক্ষই এই কথা জানিব পাৰি হোজাই আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। হোজাইৰ জনবহুল অঞ্চলত সংঘটিত এই ঘটনাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## প্ৰতিষেধক গ্ৰহণ কৰি চৰকাৰক সহযোগৰ আহ্বান মন্ত্ৰী ইউ জি ব্ৰহ্মৰ

■ বাসুগাঁও কলেজত ক'ভিড প্ৰতিষেধক কাৰ্যসূচী



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩ জানুৱাৰী ঃ** চিৰাঙৰ বাসুগাঁও কলেজত ১৫ৰ পৰা ১৮ বছৰ ভিতৰৰ ল'ৰা-ছোৱালী ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচী উদ্বোধন কৰে চিৰাঙৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। চিৰাঙত আজি ছহেজাৰ লোকক প্ৰতিষেধক প্ৰদানৰ লক্ষ্যৰে জিলা প্ৰশাসনে আগবঢ়া বুলিও উল্লেখ কৰে মন্ত্ৰীজনে। মন্ত্ৰীজনে লগতে কয় যে এই প্ৰতিষেধকৰ নামত নানা ধৰণৰ অপপ্ৰচাৰ চলাই অন্যান্য ব্যৱসায় চলাইছে এটা চক্ৰই। গতিকে আমি শিক্ষিত লোক আমি অইনৰ কথাত ভোল নগৈ চৰকাৰক সহযোগ কৰিব লাগে। ইতিমধ্যে চিৰাঙত তিনি লক্ষাধিক লোকে প্ৰথম পালি আৰু দুই লক্ষাধিক লোকে দ্বিতীয় পালি প্ৰতিষেধক গ্ৰহণ কৰিছে। গতিকে সকলোৱে প্ৰতিষেধক লৈ বিশ্বৰ অইন দেশতকৈ ভাৰতবৰ্ষক অধিক সুৰক্ষিত কৰিব লাগে। এনেও ভাৰত অইন দেশৰ তুলনাত সুৰক্ষিত বুলি কয় মন্ত্ৰীজনে। মন্ত্ৰীজনৰ স'তে চিৰাং জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিজয় বৈষ্ণৱ, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ৰাতুল বৰদলৈ, অতিৰিক্ত উপায়ুক্তসকল, জিলা প্ৰশাসনৰ আন বিষয়ববীয়াৰ লগতে বাসুগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যক্ষ-প্ৰবক্তাসকল উপস্থিত থাকে। উদ্বোধনৰ পাছতে বাসুগাঁও কলেজৰ ছাত্ৰ-ছাত্ৰীৰ স'তে ক'ভিড প্ৰতিষেধক সন্দৰ্ভত সজাগতা সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী ব্ৰহ্মই। তেওঁ বাসুগাঁৱৰ বিজয়গাঁও হাইস্কুল কেন্দ্ৰ আৰু চিদলীৰ ৰাজা অজিত নাৰায়ণ হাইস্কুলৰ প্ৰতিষেধক কেন্দ্ৰৰ বুজ লয়।

## মানাহ ৰাষ্ট্ৰীয় উদ্যানত চুৰি হ'ল পৰ্যটকৰ বিলাসী বাহন



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩ জানুৱাৰী ঃ** নিৰাপত্তা নাই মানাহ ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকৰ বাহনৰ। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বনভোজস্থলীৰ সমীপৰ পৰা চুৰি হ'ল পৰ্যটকৰ এখন বিলাসী বলেৰ' বাহন। চুৰি হোৱা বলেৰ'খনৰ নম্বৰ এ এছ-১৯ এম-৮৬১৮। উল্লেখ্য যে ধুবুৰীৰ বিলাসীপাৰাৰ পৰা মানাহলৈ কালি দিনত আহিছিল এটি সাতজনীয়া পৰ্যটকৰ দল। আবেলি মানাহৰ বনভোজস্থলীৰ কাষত ন' পাৰ্কিং অঞ্চলত বলেৰ' বাহনখন থৈ জীপ ছাফাৰী কৰিবলৈ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰৰ জংঘলত সোমাইছিল সাতজনীয়া পৰ্যটকৰ দলটো। জীপ ছাফাৰী কৰি সন্ধিয়া উভতি আহি বাহনখন বিচাৰি নোপোৱাত এক হুলস্থূল পৰিৱেশৰ সৃষ্টি হয়। এই সন্দৰ্ভত গাড়ীখনৰ গৰাকী আজহাৰ আলীয়ে নিশাৰ ভাগত মানাহৰ স্থানীয় বাঁহবাৰী আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে বলেৰ' বাহনখনৰ চালকজনক ইতিমধ্যে বাঁহবাৰী আৰক্ষীয়ে আটক কৰি ঘটনা সন্দৰ্ভত সোধপোছ অব্যাহত ৰাখিছে। বাতৰি যুগুতোৱাৰ পৰলৈকে বিলাসী বলেৰ' বাহনখনৰ কোনো সম্ভেদ লাভ কৰিব পৰা নাই আৰক্ষীয়ে।

## অসম সাহিত্য সভাৰ লখিমপুৰ কাৰ্যালয়ৰ কৰ্মচাৰীৰ দুদিনীয়া কৰ্মবিৰতি

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ সকলো কাৰ্যালয়ৰ লগতে লখিমপুৰ জিলা সাহিত্য সভাৰ কাৰ্যালয়তো বিভিন্ন দাবীৰ সমৰ্থনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৰ্মবিৰতি পালন কৰা হৈছে। উল্লেখ্য যে ২০২১ৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈ চাৰিমাহ বেতন নোপোৱা, স্বাস্থ্য বীমা আঁচনিৰ কিস্তি জমা নিদিয়া আদি কে'বাটাও দাবীৰ প্ৰতিবাদত এই কৰ্মবিৰতি পালন কৰে। উল্লেখ্য যে ইতিমধ্যে কৰ্মচাৰীসকলে এই সন্দৰ্ভত কেন্দ্ৰীয় সমিতিক আবেদন জনাইছে যদিও এতিয়ালৈকে কোনো ধৰণৰ কাৰ্যপন্থা নোলোৱাত শীঘ্ৰে এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ কেন্দ্ৰীয় সমিতিক আহ্বান জনায়।

## অৱসৰপ্ৰাপ্ত শিক্ষক-অভিনেতা বলীন্দ্ৰ নাথ বৰাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ৩ জানুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়া তেলিয়া গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট অভিনেতা, বায়ন পৰিচালক, সমাজসেৱী বলীন্দ্ৰ নাথ বৰাৰ আজি পুৱা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। ১৯৪১ত জন্মলাভ কৰা বৰা সৰুৰে পৰাই অভিনয়ৰ প্ৰতি ধাউতি আছিল। 'ভিক্ষুক, আনাৰকলি, মোগল তাৰা' আদি ৪০খনতকৈও অধিক নাটকত অভিনয় কৰাৰ লগতে নিজেই বাংলা ভাষাৰ পৰা অসমীয়া ভাষালৈ ৰূপান্তৰ কৰি 'মণিকাঞ্চন, দুটি পইচা' আদি কে'বাখনো নাট মঞ্চস্থ কৰাৰ লগতে পৰিচালনাও কৰিছিল। ১৯৬৪ত গড়াজান জয়নাৰায়ণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰ জীৱন আৰম্ভ কৰি সুখ্যাতিৰে ২০০১ত অৱসৰ গ্ৰহণ কৰা বৰাই অৱসৰৰ পাছতো বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত থকাৰ লগতে সমান্তৰালভাৱে নাট্যচৰ্চাতো জড়িত হৈ পৰিছিল। নতুন প্ৰজন্মৰ মাজত নাট্যচৰ্চাৰ প্ৰতি হাবিয়াস গঢ়াৰ উদ্দেশ্যে বহুকেইখন নাটকত অভিনয়ৰ লগতে পৰিচালনাৰ দায়িত্বও গ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুত সমগ্ৰ জুৰীয়া অঞ্চলত শোকৰ ছাঁ পেলাইছে। জুৰীয়া প্ৰেছ ক্লাব, জুৰীয়া নাট্য সমিতি, জুৰীয়া ভোগালী বিহু সমিতি, তেলিয়া বেবেজীয়া ৰাস উৎসৱ সমিতি প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীসহ চাৰি পুত্ৰ আৰু এগৰাকী কন্যাকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## মৰিগাঁৱত লাচিত সেনাৰ জোঁৰ সমদলকাৰীক আটক

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৩ জানুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ বাছনি পৰীক্ষাত অসমীয়া বিষয়ৰ বাধ্যতামূলক প্ৰশ্ন কাকতৰ ব্যৱস্থা বাতিল কৰি অসম চৰকাৰে লোৱা শেহতীয়া সিদ্ধান্ত শীঘ্ৰেই বাতিল কৰাকে আদি কৰি ১২টা দাবী কাৰ্যকৰী কৰাৰ দাবীত আজি মৰিগাঁৱত লাচিত সেনাই গ্ৰহণ কৰা জোঁৰ সমদল প্ৰতিবাদীক আৰক্ষীয়ে বাধা আৰোপ কৰে। আৰক্ষীৰ বাধা নেওচি গ্ৰহণ কৰিব বিচৰা প্ৰতিবাদকাৰীসকলক অৱশেষত আৰক্ষীয়ে আটক কৰি মৰিগাঁও থানালৈ লৈ আহে। মৰিগাঁও চহৰৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ সমীপৰ পৰা আৰক্ষীয়ে আটক কৰা লাচিত সেনাৰ প্ৰতিবাদকাৰীসকলৰ ভিতৰত জিলা সমিতিৰ সভাপতি সপোন অসম, উপ-সভাপতি দিপু শইকীয়া, হেমন্ত দাস, সচিব দ্বীপমণি হীৰাকে আদি কৰি কে'বাজনো।

## শক্তিৰ ব্যাপক ব্যৱহাৰে প্ৰকৃতি জগতত বিৰূপ প্ৰভাৱ পেলাইছে

■ খাগৰিজান মহাবিদ্যালয়ত 'বৰ্ধিত শক্তিৰ চাহিদা-নিৰ্বননীকৰণ আৰু জলবায়ু পৰিৱৰ্তন' শীৰ্ষক সজাগতা অনুষ্ঠান

বিশেষ সংবাদদাতা

**নগাঁও, ৩ জানুৱাৰী ঃ** নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ত আজি 'বৰ্ধিত শক্তিৰ চাহিদা-নিৰ্বননীকৰণ আৰু জলবায়ু পৰিৱৰ্তন' শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰি খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে কয়, 'বতৰৰ পৰিৱৰ্তন হাবি-বননিৰ ধ্বংসযজ্ঞ আৰু গোলকীয় উষ্ণতা বৰ্ধনৰ লগে লগে পৃথিৱীখন কেনে এক ভাৰসাম্যহীন অৱস্থালৈ গতি কৰিছে, সেই সম্পৰ্কে সজাগতা সৃষ্টি কৰাটোৱেই হ'ল অনুষ্ঠানৰ মুখ্য উদ্দেশ্য। অনুষ্ঠানত সমল ব্যক্তি হিচাপে ৰাষ্ট্ৰসংঘৰ ঔদ্যোগিক উন্নয়ন সংস্থাৰ ৰাষ্ট্ৰীয় প্ৰকল্প সমন্বয়ক দেৱজিৎ দাসে কয়, 'মানুহে নিজৰ প্ৰয়োজনত বিভিন্ন ক্ষেত্ৰত শক্তিৰ ব্যাপক ব্যৱহাৰ কৰাৰ ফলস্বৰূপে পৰিৱেশ আৰু প্ৰকৃতি জগতত বিভিন্ন ধৰণে বিৰূপ প্ৰভাৱ পৰিবলৈ ধৰিছে। ইয়াৰ লগে লগে প্ৰাকৃতিক সম্পদসমূহ ক্ৰমাগতভাৱে হ্ৰাস পাবলৈ ধৰিছে। যাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে এক বিভীষিকাময় পৰিস্থিতি সৃষ্টি হ'বলৈ গৈ আছে। প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ লগতে পৰিৱেশ আৰু প্ৰকৃতি ধ্বংস হোৱা কাৰকসমূহৰ ওচৰত যাতে সকলোৱে সতৰ্ক দৃষ্টি নিক্ষেপ কৰি আগবাঢ়ে তাৰ বাবে দাসে সকলোকে আহ্বান জনায়। সমগ্ৰ বিশ্বতে এই দিশটোৰ ওপৰত কেনেদৰে পৰিকল্পনা গ্ৰহণ কৰা হৈছে সেই সম্পৰ্কেও তেওঁ কিছু তথ্য আগবঢ়ায়। সমল ব্যক্তিৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ এক মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। সভাত মহাবিদ্যালয়খনৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা মৈত্ৰেয়ী দত্তই।

## পৰিষদৰ নিৰ্বাচনত বেলেগ দলক গালি পাৰিবলৈ সময় দিয়া হৈছে ঃ সাংসদ তাছা

■ কমাৰগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থীৰ হৈ সাংসদ তাছাৰ প্ৰচাৰ

**খুমটাই, ৩ জানুৱাৰী ঃ** খুমটাই বিধানসভা সমষ্টিৰ অন্তৰ্গত কচুপথাৰ গাঁও পঞ্চায়তৰ ঠেঙাল গাঁৱত ঠেঙাল স্বায়ত্ত শাসিত পৰিষদৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী হৰপ্ৰভা ঠেঙালৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলায় সাংসদ কামাখ্যা প্ৰসাদ তাছাই। ঠেঙাল গাঁৱৰ নিবাসী তথা বিজেপিৰ জ্যেষ্ঠ কৰ্মী পুনিন্দ্ৰ বড়াৰ বাসগৃহত ঠেঙাল স্বায়ত্ত পৰিষদৰ মিত্ৰজোটৰ প্ৰাৰ্থী হৰপ্ৰভা ঠেঙালৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি সাংসদ তাছাই কংগ্ৰেছক কটাক্ষ কৰি কয়, 'কংগ্ৰেছ ডুবিব ধৰা নাও, নাওখন আধা ডুবিলেই। ৭৫ বছৰ কংগ্ৰেছৰ উন্নয়ন ৰাইজে দেখিলে আৰু বিজেপিৰো পাঁচটা বছৰ উন্নয়ন ৰাইজে দেখিলে। সেইবাবে ঠেঙাল স্বায়ত্তশাসিত নিৰ্বাচনত গোলাঘাটৰ আটাইকেইটা সমষ্টিতে বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীসকল জয় হ'ব ইয়াত কোনো শংকা নাই। এই নিৰ্বাচনত কেৱল বেলেগ দলক গালি পাৰিবলৈ সময় দিয়া হৈছে আৰু কাম কৰা কাৰণে তেওঁলোকৰ কোনো স্কোপ নাই।' উক্ত সভাত বিজেপিৰ গোলাঘাট জিলাৰ সভাপতি দেৱপ্ৰদীপ বৰা, খুমটাই জিলা পৰিষদৰ সদস্য মুনিন্দ্ৰ মোহন গগৈ, কঠালগুৰি মণ্ডলৰ সভাপতি নবীন হাজৰিকা, মহুৰা মণ্ডলৰ সভাপতি বেদব্ৰত বৰা, মিত্ৰজোটৰ প্ৰাৰ্থী হৰপ্ৰভা ঠেঙাল উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

## ডাম্পিং গ্ৰাউণ্ডৰ অভাৱত জাবৰৰ দ'ম

■ লালুক দৈনিক বজাৰত অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত মাছ-মাংসৰ বজাৰ

অগ্ৰদূত বাৰ্তা

**লালুক, ৩ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ লালুকৰ মাছ-মাংসৰ বজাৰখনৰ কদৰ্য ৰূপ তথা দুৰ্গন্ধই জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বজাৰখনৰ পৰিচালনা সমিতি তথা লেছীসকলৰ মইমতালি স্বভাৱৰ বাবে সম্পূৰ্ণৰূপে অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত লালুকৰ ব্যৱসায়ীসকলে ব্যৱসায় চলাই যাবলগীয়া হৈছে। যিটো সময়ত চৰকাৰে প্ৰদূষণমুক্ত পৰিৱেশ গঢ় দিবৰ বাবে নানা আঁচনি ৰূপায়ণ কৰিছে তেনে এক সময়ত লালুক দৈনিক বজাৰত থকা মাছ, মাংসৰ বজাৰখনে ওলোটা ছবি এখনহে প্ৰকট কৰি তুলিছে।



লালুক মাছ বজাৰৰ কাষে কাষে ব্ৰইলাৰ, ছাগলী, মুৰ্গী, গাহৰি কটা পেলনীয়া বস্তুৰ লগতে মাছৰ বাকলি, বৰ্জনীয় সামগ্ৰীসমূহ দীৰ্ঘদিন ধৰি একে ঠাইতে পেলাই ৰখাৰ বাবে মাছ-মাংসৰ বজাৰখন দুৰ্গন্ধময় হৈ পৰাৰ লগতে কদৰ্যময় হৈ পৰে। যাৰ বাবে মাখিৰে ঠাহ খাই পৰে মাছ-মাংসৰ বজাৰখন। মাছ-মাংসৰ পৰা ওলোৱা পেলনীয়া সামগ্ৰীসমূহৰ লগতে চালানী মাছ অনা থাৰ্মকলৰ বাকচসমূহ পকীকৈ নিৰ্মাণ কৰি ৰখা বজাৰ গৃহৰ দেৱালৰ ভিতৰত দ'ম পাতি প্ৰতিদিনে পেলাই গৈ থকাৰ বাবে পৰিৱেশটো অতি প্ৰদূষিত হৈ পৰে। বজাৰ পৰিচালনা সমিতিয়ে দীৰ্ঘদিন বিৰতিৰ পাছত বজাৰখনৰ সেই দুৰ্গন্ধময় সামগ্ৰীসমূহৰ লগতে বজাৰৰ অন্যান্য পেলনীয়া সামগ্ৰীৰ স'তে ট্ৰেক্টৰৰ দ্বাৰা কঢ়িয়াই লৈ যায়। কিন্তু লালুক অঞ্চলত ক'তো ডাম্পিং গ্ৰাউণ্ড নথকাৰ বাবে পেলনীয়া সামগ্ৰীসমূহ পেলোৱাত সমস্যাৰ সন্মুখীন হৈ আহিছে। লালুকৰ সচেতন ৰাইজে লালুক দৈনিক বজাৰৰ মাছ-মাংসৰ বজাৰখনৰ অস্বাস্থ্যকৰ পৰিৱেশ নাইকিয়া কৰিবলৈ প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। লগতে লালুকৰ আশে-পাশে মাটিৰ ব্যৱস্থা কৰি সমগ্ৰ অঞ্চলটোৰে সুবিধা হোৱাকৈ লালুকৰ দীৰ্ঘদিনীয়া সমস্যা এখন ডাম্পিং গ্ৰাউণ্ডৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ তথা জিলা প্ৰশাসনক দাবী উত্থাপন কৰিছে।





## অসুস্থতাৰ বাবে বাদ পৰিল শ্ৰেয়াছ আয়াৰো

# আঘাতৰ বাবে দ্বিতীয় টেষ্টত খেলিব নোৱাৰিলে বিৰাট কোহলিয়ে

**জোহান্সবাৰ্গ, ৩ জানুৱাৰী ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰে পৰা আৰম্ভ হৈছে। কিন্তু আঘাতৰ বাবে এই টেষ্টত খেলিব নোৱাৰিলে টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিয়ে। ইফালে, অসুস্থতাৰ বাবে দলত নাই শ্ৰেয়াছ আয়াৰো। সেয়ে লোকেছ ৰাহুলক প্ৰথমবাৰৰ বাবে টেষ্ট দলৰ অধিনায়কৰ দয়িত্ব দিয়াৰ বিপৰীতে সহঃঅধিনায়কৰ দায়িত্ব লাভ কৰিছে যশপ্ৰীত বুমৰাহে। উল্লেখ্য যে পিঠিৰ আঘাতৰ বাবে বিৰাটে চলিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্টত খেলিব নোৱাৰিলে। আঘাতৰ বাবে খেলিব নোৱাৰাত দক্ষিণ আফ্ৰিকাৰ মাটিত বিৰাটৰ শততম টেষ্ট মেচ পিছুৱাই গ'ল। উল্লেখ্য যে বিৰাটে কেৰিয়াৰৰ ৯৯ সংখ্যক টেষ্ট মেচখন জোহান্সবাৰ্গত খেলিলেহেতেন, আনহাতে কেপ টাউনত অনুষ্ঠিত হ'বলগা তৃতীয় টেষ্ট মেচখনত তেওঁ শততম টেষ্ট মেচখন খেলিলেহেতেন। অৱশ্যে কেপ টাউনত অনুষ্ঠিত হ'বলগা তৃতীয় টেষ্ট মেচখনত বিৰাটে খেলিব। কিন্তু আজিৰ মেচখনত খেলিব নোৱাৰাৰ বাবেই, তেওঁ বেংগালুৰুত তেওঁৰ কেৰিয়াৰৰ শততম টেষ্ট মেচখন খেলাৰ সম্ভাৱনা আছে।



## ২০২ ৰাণতে সামৰিলে প্ৰথম ইনিংছ ঃ ব্যৰ্থতা অব্যাহত পূজাৰা- ৰাহানেৰ

# জোহান্সবাৰ্গ টেষ্টত ভাৰতৰ বেটিং বিপৰ্যয়



**জোহান্সবাৰ্গ, ৩ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে চলিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টৰ প্ৰথম ইনিংছত কিন্তু নিজৰ দৃঢ়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আজিৰে পৰা জোহান্সবাৰ্গত আৰম্ভ হৈছে। পোনতে বেটিং কৰা ভাৰতে প্ৰথমদিনাই ২০২ ৰাণত প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয়। অধিনায়ক তথা অপেনাৰ লোকেছ ৰাহুলে ৫০ তথা অশ্বিনে ৪৬ আৰু মায়ং আগৰৱালে ২৬ ৰাণ কৰাৰ বাদে পূজাৰা (৩), ৰাহানে (০) সহ ভাৰতৰ বাকী বেটছমেনসকল ব্যৰ্থ হয়। উল্লেখ্য যে আঘাতৰ বাবে এই টেষ্টত খেলিব নোৱাৰিলে টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিয়ে। ইফালে, অসুস্থতাৰ বাবে দলত নাই শ্ৰেয়াছ আয়াৰো। সেয়ে লোকেছ ৰাহুলক প্ৰথমবাৰৰ বাবে টেষ্ট দলৰ অধিনায়কৰ দায়িত্ব দিয়াৰ বিপৰীতে সহঃঅধিনায়কৰ দায়িত্ব লাভ কৰিছে যশপ্ৰীত বুমৰাহে। বিৰাটৰ অনুপস্থিতিত ৰাহানে আৰু পূজাৰৰ পৰা দলে ৰাণ আশা কৰিছিল যদিও উভয় জ্যেষ্ঠ ক্ৰিকেটাৰৰ ব্যৰ্থতা অব্যাহত আছে। সুন্দৰ আৰম্ভণি কৰিও বিফল হয় হনুমা বিহাৰি (২০) আৰু ঋষভ পণ্ট (১৭)। দক্ষিণ আফ্ৰিকাৰ হৈ মাৰ্কোই চাৰিটা তথা ৰাবাডা আৰু অলিভিয়েৰে তিনিটাকৈ উইকেট দখল কৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই মাৰ্কৰামৰ (২০) উইকেটতো হেৰুৱাই ৩৫ ৰাণ কৰিছে। ভাৰতৰ হৈ ছামিয়ে উইকেটতো পায়। দক্ষিণ আফ্ৰিকা ১৬৭ ৰাণত পিছ পৰি আছে। উল্লেখ্য যে, ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লাভ কৰিছে। এতিয়া টীম ইণ্ডিয়াৰ লক্ষ্য দ্বিতীয় টেষ্ট জয়ৰে শৃংখলা দখল কৰা। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই



## নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথম টেষ্ট

# প্ৰথম ইনিংছত অগ্ৰগতিৰে দৃঢ় স্থিতিত বাংলাদেশ

**মাউণ্ট মৌনগানুই, ৩ জানুৱাৰী ঃ** নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা প্ৰথমখন টেষ্টত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে বাংলাদেশে। উল্লেখ্য যে নিউজিলেণ্ডৰ প্ৰথম ইনিংছৰ ৩২৮ ৰাণৰ প্ৰত্যুত্তৰত আজি তৃতীয়দিনাৰ খেলৰ অন্তত বাংলাদেশে প্ৰথম ইনিংছত ছটা উইকেট হেৰুৱাই ৪০১ ৰাণ কৰিছে। চাৰিটা উইকেট হাতত থকা অৱস্থাত বাংলাদেশে প্ৰথম ইনিংছত লাভ কৰিছে ৭৩ ৰাণৰ অগ্ৰগতি। বাংলাদেশৰ হৈ মোমিনুল হকে ৮৮, লিটন দাসে ৮৬, মহমুদুল্লা হাছানে ৭৮ আৰু নাজমুলে ৬৪ ৰাণ কৰে। ইয়াৰপূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩২৮ ৰাণ কৰিছিল। ঘৰুৱা দলৰ হৈ ক'নৱে ১২২ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে নিকলছে ৭৫ আৰু ইয়ঙে ৫২ ৰাণ কৰে।



## দক্ষিণ আফ্ৰিকালৈ নাযায় এদিনীয়াৰ অধিনায়ক ৰোহিত

# লোকেছ ৰাহুল অধিনায়ক, যশপ্ৰীত বুমৰাহ সহঃঅধিনায়ক

**মুম্বাই, ৩ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অহা ১৯ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া এদিনীয়া শৃংখলাত টীম ইণ্ডিয়াক নেতৃত্ব দিব তাৰকা অ'পেনাৰ লোকেছ ৰাহুলে। শেহতীয়াকৈ ভাৰতীয় এদিনীয়া দলৰ অধিনায়ক হিচাপে দায়িত্ব পোৱা ৰোহিত শৰ্মাই আঘাতৰ পৰা আৰোগ্য লাভ নকৰাত ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে ৰাহুলৰ কান্ধত এই দায়িত্ব অৰ্পণ কৰিছে। ইফালে, পেচ বলাৰ যশপ্ৰীত বুমৰাহক এদিনীয়া শৃংখলাটোৰ বাবে টীম ইণ্ডিয়াৰ সহঃ অধিনায়ক নিযুক্ত কৰা হৈছে। উল্লেখ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলি থকা টেষ্ট শৃংখলালৈ প্ৰস্তুতি চলাই থকাৰ সময়তে ৰোহিত শৰ্মাই হেমষ্ট্ৰিঙৰ আঘাতৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ তেওঁ বাংগালুৰুস্থিত ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত নিজকে সুস্থ কৰি তোলাৰ প্ৰক্ৰিয়া চলাই আছিল। কিন্তু সময় মতে সুস্থ হৈ উঠিব নোৱাৰাত ৰোহিত এদিনীয়া শৃংখলাৰ পৰাও বাহিৰ হয়। টেষ্ট শৃংখলাত চমকপ্ৰদ বলিং প্ৰদৰ্শন দাঙি ধৰা তাৰকা বেগী বলাৰ মহম্মদ ছামিক এদিনীয়া শৃংখলাৰ পৰা বাহিৰত ৰখা হৈছে। ইফালে, তাৰকা অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা আৰু অক্ষৰ পেটেল এতিয়াও আনফিট হৈ আছে। উল্লেখ্য যে বি চি চি আয়ে শেহতীয়াকৈ কোহলিক নেতৃত্বৰ পৰা আঁতৰাই ৰোহিত শৰ্মাক এদিনীয়া দলৰ অধিনায়ক নিযুক্ত কৰিছিল। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আগন্তুক এদিনীয়া শৃংখলাত ৰোহিতে ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব গ্ৰহণৰ কথা আছিল। কিন্তু আঘাতৰ বাবে তেওঁ দক্ষিণ আফ্ৰিকালৈ যাব নোৱাৰিলে। ঘোষিত দলটো হ'ল ঃ লোকেছ ৰাহুল, শিখৰ ধাৱন, ৰিতুৰাজ গাইকোৱাড, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, সূৰ্য কুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, ঋষভ পণ্ট, ঈশান কিষণ, ৰবিচন্দ্ৰন অশ্বিন, য়ুজবেন্দ্ৰ চাহাল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ভুবনেশ্বৰ কুমাৰ, দীপক চহৰ, প্ৰসিদ্ধ কৃষ্ণ, শাৰ্দূল ঠাকুৰ আৰু মহম্মদ ছিৰাজ।



## পাঁচ জানুৱাৰীত অসম গ্ৰন্থমেলাত ক্ৰীড়া বিষয়ৰ আলোচনাচক্ৰ

**গুৱাহাটী, ৩ জানুৱাৰী ঃ** অসম প্ৰকাশন পৰিষদ তথা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা চলিত অসম গ্ৰন্থমেলাত অহা পাঁচ জানুৱাৰীত অনুষ্ঠিত হ'ব ক্ৰীড়া বিষয়ৰ এখন বিশেষ আলোচনা চক্ৰ। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অহা পাঁচ জানুৱাৰীৰ দিনা দিনৰ এক বজাত অনুষ্ঠিত হ'ব এই আলোচনা চক্ৰ। আলোচনাৰ বিষয় হ'ল ঃ 'অবহেলিত অসমৰ ক্ৰীড়া সাহিত্য, বিন্দুৰ পৰা সিন্ধুলৈ'। উল্লেখ্য যে চান্দমাৰি খেলপথাৰত চলি থকা অসম গ্ৰন্থমেলাৰ এই বিশেষ ক্ৰীড়া বিষয়ৰ আলোচনা চক্ৰখন উদ্বোধন কৰিব অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপসভাপতি তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। আনহাতে, সঞ্চালকৰ দায়িত্বত থাকিব বিশিষ্ট শিক্ষাবিদ-লেখক ড০ শ্যামাপ্ৰসাদ শৰ্মা। আলোচক অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ সাংবাদিক তথা ক্ৰীড়া লেখক সুবোধ মল্ল বৰুৱা, পৰিত্ৰ গগৈ, কুলপ্ৰদীপ ভাগৱতী, বিদ্যুৎ কলিতা, যুগল লোচন দাস আৰু ধাৰাভাষ্যকাৰ নয়ন প্ৰসাদ। উক্ত অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সম্পাদক গোস্বামীয়ে। উল্লেখ্য যে অসম গ্ৰন্থমেলাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব ক্ৰীড়া বিষয়ৰ এখন বিশেষ আলোচনা চক্ৰ।

# পাকিস্তানৰ অলৰাউণ্ডাৰ মহম্মদ হাফিজৰ অৱসৰ



**লাহোৰ, ৩ জানুৱাৰী ঃ** পাকিস্তান ক্ৰিকেট দলৰ অলৰাউণ্ডাৰ মহম্মদ হাফিজে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে ৪১ বছৰীয়া মহম্মদ হাফিজ পাকিস্তান ক্ৰিকেট দলৰ সুদক্ষ বেটছমেন হোৱাৰ লগতে সফল অফস্পীনাৰ। হাফিজ হ'ল পাকিস্তান দলৰ হৈ দীৰ্ঘ সময় খেলা ক্ৰিকেটাৰসকলৰ মাজৰ এজন অন্যতম সদস্য। স্মৰ্তব্য যে পাকিস্তানৰ অন্যতম সফল খেলুৱৈ হাফিজৰ অন্তিম টুৰ্ণামেণ্ট আছিল ২০২১ ত অনুষ্ঠিত হোৱা আই চি চি টি-২০ বিশ্বকাপ। টেষ্ট ক্ৰিকেটত হাফিজে পাকিস্তানৰ হৈ ৫৫ খন মেচ খেলিছে আৰু ১০ টা শতকৰ সহায়ত ৩৬৫২ ৰান সংগ্ৰহ কৰিছে। আন্তৰ্জাতিক টেষ্টত হাফিজে ৫৩ টা উইকেট দখল কৰিছে। ইফালে, এদিনীয়া কেৰিয়াৰত হাফিজে ২১৮ খন এদিনীয়াত ১১ টা শতকসহ ৬৬১৪ ৰান সংগ্ৰহ কৰে। আনহাতে, ১৩৯ টা উইকেট লাভ কৰিছে।


# বংগৰ ফালাকাটা দল কোৱাৰ্টাৰ ফাইনেলত

**অগ্ৰদূত ব্যুৰ',**
**বঙাইগাঁও, ৩ জানুৱাৰী ঃ** বিজনী যুৱক সংঘৰ উদ্যোগত চলি থকা টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত পশ্চিমবংগৰ ফালাকাটা দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত আজিৰ খেলত ফালাকাটাই টুফানগঞ্জক পাঁচ উইকেটত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি টুফানগঞ্জে নিৰ্দ্ধাৰিত ২০ অভাৰত সাত উইকেটৰ বিনিময়ত ১৪১ ৰাণ কৰাৰ বিপৰীতে ফালাকাটাই ১৯ অ'ভাৰত পাঁচ উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। বিজয়ী দলৰ বিশাল দত্ত মেন অৱ দ্য মেচ বিবেচিত হয়।

# প্ৰিয় ক্ৰীড়া বন্ধুক সোঁৱৰণ কৰি আবেগিক অৰ্জুন ভোগেশ্বৰ বৰুৱা

## ৰাজ্যৰ প্ৰাক্তন ৰাষ্ট্ৰীয় এথলীট ত্ৰৈলোক্য দুৱৰাৰ পৰলোক

**ডিব্ৰুগড়, ৩ জানুৱাৰী ঃ** নতুন বছৰৰ প্ৰথমটো দিনতে প্ৰিয় বন্ধুক সোঁৱৰণ কৰি আবেগিক হৈ পৰিল অৰ্জুন বঁটা বিজয়ী উত্তৰ-পূবৰ প্ৰথমজন ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱা। উল্লেখ্য যে বৰুৱাৰ লগতে একেলগে খেলা ক্ৰীড়াবিদ ত্ৰৈলোক্য দুৱৰা অলপতে পৰলোকগামী হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সভাত অংশ লৈ প্ৰিয় বন্ধুক সোঁৱৰণ কৰি অৰ্জুন বঁটা বিজয়ী ক্ৰীড়াবিদ গৰাকীয়ে কয় যে মোৰ এই ৮০ বছৰ উৰ্ধৰ জীৱনত বহু মানুহ লগ পোৱাৰ সৌভাগ্য হ'ল । খেল আৰু খেলুৱৈৰ মাজত জীৱন অতিবাহিত কৰাৰ সময়ত ডিব্ৰুগড়ৰ ত্ৰৈলোক্য নাথ দুৱৰাৰ সৈতে স্কুলীয়া কালৰে পৰা মোৰ লগত যি বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিল সেয়া আজীৱন অব্যাহত থাকিল । অসমৰ ক্ৰীড়া ক্ষেত্ৰত প্ৰয়াত দুৱৰা এসময়ত জিলিকি উঠিছিল । স্কুল টুৰ্ণামেন্টত তেওঁ বহুবাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছিল। দুৱৰাই ভাল ফুটবল খেলিছিল। আনহাতে ১০০, ২০০, ৪০০ মিটাৰ তথা ৰিলে দৌৰ, লং জাম্প, ট্ৰিপল জাম্প আৰু প'লভল্টত তেওঁক পৰাভূত কৰিব পৰা খেলুৱৈ সেইসময়ত অসমত নাছিল । ১৯৫৯ ত অসম জুনিয়ৰ এথলেটিছ দলৰ হৈ তেওঁ মুম্বাইত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত ১০০ মিটাৰ দৌৰ, লং আৰু ট্ৰিপল জাম্পত সোণৰ পদক দখল কৰিছিল। অৱশ্যে মেকানিকেল ইঞ্জিনিয়াৰিঙৰ অধ্যয়ন কৰাৰ বাবে পঞ্জাবলৈ যোৱাত তেওঁৰ ক্ৰীড়া জীৱন আদিতে অন্ত পৰে। শেহতীয়াকৈ তেওঁ মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতা আয়োজন আৰু তদাৰক কৰাত মোৰ লগত কৰি আছিল। নামৰূপ সাৰ কাৰখানাৰ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা দুৱৰাৰ মৃত্যুত অসমে এগৰাকী আগশাৰীৰ খেলুৱৈ আৰু সংগঠক হেৰুৱালে। পঢ়াশুনাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ বাবেই তেওঁৰ ক্ৰীড়া প্ৰতিভা অকালতে মৰহি গ'ল। অন্যথা ত্ৰৈলোক্য দুৱৰাৰ ক্ৰীড়া প্ৰতিভাই দেশ অতিক্ৰম কৰি বিদেশতো সুনাম অৰ্জন কৰাৰ



## প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা

# ভূৰবন্ধা জি বি ক্ৰিকেট ক্লাবৰ অগ্ৰগতি লাভ




**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৩ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত ভূৰবন্ধা জি.বি.ক্ৰিকেট ক্লাবে অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত জি.বি.ক্ৰিকেট ক্লাবে মায়ং পবিতৰা ইলেভেন ষ্টাৰ ক্লাবক চাৰি ৰাণত পৰাজিত কৰে। খেলখনত ভূৰবন্ধা জি.বি.ক্ৰিকেট ক্লাবে পোনতে বেট ধৰি ১৫ অভাৰত নটা উইকেটৰ বিনিময়ত ১২৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পবিতৰা ইলেভেন ষ্টাৰ ক্লাবে বেট ধৰি ১৪.১ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১২৪ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত জি.বি.ক্ৰিকেট ক্লাবৰ হৈ দিবাকৰ দাসে পাঁচটা, হিমাংশু দাস আৰু অমৰ কোঁৱৰে দুটাকৈ তথা ধীৰাজ পাটৰে এটা উইকেট দখল কৰে। মঙলবাৰে প্ৰতিযোগিতাৰ কোনো খেল নাই। বুধবাৰৰ খেলত ধিঙৰ ডি.চি.চি.য়ে ৰাইদঙীয়াৰ আৰ.চি.চি.ৰ বিৰুদ্ধে প্ৰতিদণ্ডিতা কৰিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।

## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

# উদয়জ্যোতিৰ বিৰুদ্ধে জেন নেট ক্লাবৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**মাজুলী, ৩ জানুৱাৰী ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত অনুষ্ঠিত হোৱা খেলত উদয়জ্যোতি ক্লাবে ২৬ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰাণ কৰে । প্ৰত্যুত্তৰত জেন নে'ট ক্লাবে ২০ অভাৰতে ছটা উইকেটৰ বিনিময়ত ১০৭ ৰাণ কৰি বিজয় লক্ষ্যত উপনীত হয় । খেল পৰিচালনা কৰে বিজয় দত্ত আৰু সঞ্জীৱ প্ৰসাদে । কালিলৈ খেল লিঅ'পাৰ্ডছ ক্লাব বনাম টপ ইলেভেন ক্ৰিকেট ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে মাজুলীত চলি থকা অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত মুঠ ১২ টা দলে অংশ লৈছে। অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাবে মাজুলী জিলা ক্ৰিকেট সন্থাক স্বীকৃতি প্ৰদান কৰাৰ পাছতে এতিয়া মাজুলীত আৰম্ভ হৈছে চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল। উল্লেখ্য যে অলপতে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাবে স্বীকৃতি প্ৰদান কৰিছিল মাজুলী জিলা ক্ৰিকেট সন্থাক। অসম ক্ৰিকেট সন্থাৰ ৪২ নম্বৰ গোট হ'ল মাজুলী জিলা ক্ৰিকেট সন্থা। এই স্বীকৃতিৰ পাছতেই মাজুলীয়ে অসম ক্ৰিকেট সন্থাৰ সকলো ৰাজ্যিক প্ৰতিযোগিতাত অংশ ল'বলৈ সক্ষম হৈছে।

## বিলাসনন্দন চ'ৰা



# আই এম অ'মিক্ৰনিক

**সকলোৰে** কৈ আছে—বহু আশাৰে বহুদিনৰে পৰা ৱেইট কৰি থকা থাৰ্ড ৱেভ আহি গ'ল। এই ৱেভটো আহিলে আমাৰ মিউট চেনেলবোৰো বাচি যায়। অন্ততঃ কিছুদিনৰ কাৰণে আচল আচল নিউজবোৰ ঢাকি ৰাখি দিল্লীৰ বাদশ্বাহৰ লগত কোনো ধৰণৰ ৰিলেছন নথকা অদ্ভুত আৰু কিম্ভূত নিউজবোৰ বিচাৰি মৰিব লগা নহয়। দিনে-ৰাতিয়ে ডাক্তৰবোৰক মাতি আনি ক'ভিডৰ থাৰ্ড ৱেভৰ নিউজবোৰ দেখুৱাই থাকিব পৰা যাব। আগেয়ে এই নিউজবোৰ আছিল ভয় লগা। আজিৰ মানুহ অভ্যস্ত হৈ গ'ল। আগেয়ে সেই বগা বগা ড্ৰেছ পিন্ধা মানুহবোৰ দেখিলে 'কি অ' এইবোৰ' বুলি চিঞৰ এটা মাৰি হাত-ভৰি কোঁচাই বিছনাত বহি গৈছিল। কিন্তু আজি-কালি মানুহে এই নিউজবোৰ 'স্পেচ মুভী' চাই থকা যেন পায়। সেই মূৰৰ পৰা ভৰিলৈকে বগা ড্ৰেছ পিন্ধি ফুৰাবোৰক দেখিলে স্পেচ মুভীৰ এলিয়েন-চেলিয়েন বুলি ভাবে। এই থাৰ্ড ৱেভটোৰ আকৌ ফাৰ্ষ্ট বা ছেকেণ্ড ৱেভতকৈ অলপ গ্লেমাৰো বেছি আছে। ফাৰ্ষ্ট বা ছেকেণ্ড ৱেভটো আহিছিল চাইনাৰ পৰা। চাইনীজ মাল বুলি কথা এটা আছে। সৰেই দুই নম্বৰী বুলি ভাবে। কিন্তু থাৰ্ড ৱেভটো আহিছে ইউৰোপৰ পৰা। সেই কাৰণে ইয়াৰ নামটোৰো এটা গাম্ভীৰ্য আছে— অ'মিক্ৰন। আগৰ নামবোৰ আছিল কিবা আলফা, ডেল্টা...! কিবা উচ্চ গণিতৰ কিতাপ পঢ়ি থকা যেন লাগে। অ'মিক্ৰন বুলি ক'লেই কিবা পপকৰ্ণলৈ মনত পৰে। এনে এটা ভাব হয় যেন পপকৰ্ণ চোবাই চোবাই অ'মিক্ৰন পাৰ কৰাই দিব পৰা যাব। টেনছন নাই। ইউৰোপীয়ান ট্ৰেণ্ডবোৰ সোনকালে সোঁচৰেও! ইউৰোপত যি ফেশ্বন চলে, সেয়া লগালগ ট্ৰেণ্ডিঙত আহি যায়। আমাৰ জীনছ্-টি ছাৰ্টবোৰলৈ চাওকচোন! আৰু পিজ্জা-বাৰ্গাৰ-চেণ্ডুইচ। এইবোৰ নাখালেতো আজিৰ ল'ৰা-ছোৱালীৰ পেটেই নভৰে। ইউৰোপৰ ড্ৰেছৰ পৰা ফুডলৈকে সৰ বস্তুৰে ইমান জল্দী সোঁচৰে যেতিয়া ভাইৰাছতো সোঁচৰিবই। সেইটো একো ডাঙৰ কথা নহয়। লাহে লাহে এই ভাইৰাছে লম্ভাটো এটা গৰ্বৰ কথাত পৰিণত হ'ব। ক'ভিড পজিটিভ বা নিগেটিভ বুলি কোনেও নকয়।



চোলাৰ বুটাম দুটামান খুলি বুকু ফিন্দাই ক'ব— 'আই এম অ'মিক্ৰনিক!' কৈও ভাল লাগে— অ'মিক্ৰনিক। ইটোৱে-সিটোক সুধিব—'আৰ ইউ অ'মিক্ৰনিক?' সিটোৱে এনছাৰ দিব— 'নো মেন, আই এম জাষ্ট বমিক্ৰনিক!' মানে ৰাতিৰ ভোজটো বেছি হ'ল, দিনটো বমি কৰি আছে। তথাপি সুধিও ভাল লাগে, কৈও ভাল লাগে। এটা স্পেচিয়েল ষ্টেণ্ডাৰ্ড আছে এই থাৰ্ড ৱেভটোৰ।

কিন্তু এই থাৰ্ড ৱেভটোক লৈ দিল্লীৰ বাদশ্বাহ বৰ চিন্তিত হোৱা নাই যেন লাগে। আগৰ দুবাৰ তেওঁ যি ছিৰিয়াছনেছ দেখুৱাইছিল, সেয়া এইবাৰ হোৱা নাই যেন লাগে। দুজনমানে গৈ বাদশ্বাহক এই থাৰ্ড ৱেভৰ খবৰবোৰ যোগানো ধৰি আছে, কিন্তু তেওঁ বৰ এটা হাৱা দিয়া নাই। আহিছে যদি আহিছে আৰু, সেইটোনো কি ডাঙৰ কথা হ'ল! ঘড়ীত এক বাজিছে যদি দুয়ো বাজিব। দুই বাজিলে তিনিও বাজিব। তাকে লৈ ইমান বেছি উৎসাহী হ'বৰ একো দৰকাৰ নাই নহয়। এনেহেন ভাৱ বাদশ্বাহৰ। দুজনমানে গৈ বাদশ্বাহক ক'লে—'জাহাপনা!'

ঃ কি হ'ল?
ঃ আহি গ'ল।
ঃ কি আহি গ'ল? ২০২৪।
ঃ নহয়।
ঃ ইউৰোপ ট্যুৰ কৰি পাপ্পু আহিল নেকি?
ঃ নহয় জাহাপনা।
ঃ দিদি আকৌ আহিছে নেকি দিল্লীলৈ?
ঃ নাই অহা জাহাপনা।
ঃ খেতিয়কবোৰ আকৌ আহিছে নেকি ৰাস্তালৈ।
ঃ নাই অহা।
ঃ তেন্তে কা কা কৰি কাউৰীবোৰ আহিছে নেকি?
ঃ নাই অহা।
ঃ তেন্তে কোন আহিছেনো?
ঃ থাৰ্ড ৱেভ আহিছে।
ঃ কিহৰ থাৰ্ড ৱেভ?
ঃ কৰ'নাৰ।
ঃ তাতে কি হ'ল?
ঃ দেছবাচীয়ে ভয় খাইছে জাহাপনা।
ঃ তাতকৈ মই বেছি ভয় খাই আছো।
ঃ আপুনি কিয় ভয় খাইছে জাহাপনা?
ঃ থাৰ্ড ৱেভ নাহে বুলি।
ঃ কিন্তু থাৰ্ড ৱেভতো আহি গৈছে!

বাদশ্বাহে গেঙেৰাই উঠিল— 'কৰ'নাৰহে আহিছে। মোৰ থাৰ্ড ৱেভ নাহে যদি ২০২৪ত! তেতিয়া কি হ'ব? ক'ত লুকাম মই?'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

পৰকীয়া বা অবৈধ সম্পৰ্কক কেন্দ্ৰ কৰি দ্বিধা-দ্বন্দ্বৰ অন্ত নাই। তথাপি থমকিও ৰোৱা নাই পৰকীয়াৰ প্ৰৱণতা। অৱশ্যে মানুহৰ জীৱিকাৰ স'তে এই পৰকীয়াৰ কোনো সম্পৰ্ক নাই। তৎসত্ত্বেও কি পেছাৰ মানুহে সবাতোকৈ বেছি অবৈধ সম্পৰ্কত লিপ্ত হয়, সেয়া জনাৰ বাবে এটা অনলাইন ডেটিং মাধ্যমে শেহতীয়াকৈ এক সমীক্ষা কৰিছিল।

# স্বাস্থ্যখণ্ডত বাঢ়ে পৰকীয়াৰ সৰ্বাধিক প্ৰৱণতা



## শেহতীয়া এক সমীক্ষাত প্ৰকাশ পালে এই তথ্য

**নিউজ ব্যুৰ'**
**কলকাতা, ৩ জানুৱাৰী ঃ** পৰকীয়া বা অবৈধ সম্পৰ্কক কেন্দ্ৰ কৰি দ্বিধা-দ্বন্দ্বৰ অন্ত নাই। তথাপি থমকিও ৰোৱা নাই পৰকীয়াৰ প্ৰৱণতা। অৱশ্যে মানুহৰ জীৱিকাৰ স'তে এই পৰকীয়াৰ কোনো সম্পৰ্ক নাই। তৎসত্ত্বেও কি পেছাৰ মানুহে সবাতোকৈ বেছি অবৈধ সম্পৰ্কত লিপ্ত হয়, সেয়া জনাৰ বাবে এটা অনলাইন ডেটিং মাধ্যমে শেহতীয়াকৈ এক সমীক্ষা কৰিছিল। এই ভিত্তিতেই সংস্থাটোৱে প্ৰকাশ কৰিছে কি পেছাৰ মানুহে সৰ্বাধিক পৰকীয়াত লিপ্ত হোৱাৰ তথ্য।

জনপ্ৰিয় ডেটিং ৱেবছাইটটোৰ সাম্প্ৰতিক সমীক্ষাত কোৱা হৈছে যে ১২টা পেছাৰ স'তে জড়িত লোকৰ মাজত অবৈধ সম্পৰ্কত লিপ্ত হোৱাৰ প্ৰৱণতা অধিক। এই পেছাত জড়িতসকলৰ ভিতৰত পৰকীয়াৰ প্ৰৱণতাত তালিকাৰ শীৰ্ষত আছে চিকিৎসকসকল। সমীক্ষা অনুসৰি, পৰকীয়াত লিপ্ত মহিলাসকলৰ ভিতৰত ২৩ শতাংশই আছিল চিকিৎসক বা নাৰ্ছ। কাৰণ হিচাপে সংশ্লিষ্ট চিকিৎসক বা নাৰ্ছসকলে জনাইছে যে দীৰ্ঘ সময় ধৰি কাম কৰা আৰু মানসিক চাপ কমোৱাৰ বাবেই তেওঁলোকে পৰকীয়াৰ আশ্ৰয় লৈছিল। আনহাতে, পৰকীয়াত লিপ্ত পুৰুষসকলৰ ভিতৰত পাঁচ শতাংশই হৈছে চিকিৎসক। দ্বিতীয় যিটো পেছাৰ মানুহে সৰ্বাধিক পৰকীয়াত আগ্ৰহ দেখুৱাইছে, সেয়া হৈছে শিক্ষাৰ ক্ষেত্ৰ। অবৈধ সম্পৰ্কত লিপ্ত মহিলাসকলৰ ১২ শতাংশ আৰু পুৰুষসকলৰ চাৰি শতাংশই অধ্যাপক, প্ৰবক্তা বা শিক্ষক বুলি সমীক্ষকসকলে জনাইছে। উদ্যোক্তা আৰু অৰ্থনীতিবিদসকল আছে তালিকাৰ তৃতীয় স্থানত। পৰকীয়াত আগ্ৰহী ন শতাংশ নাৰী আৰু আঠ শতাংশ পুৰুষ এই ধৰণৰ পেছাত জড়িত আছিল বুলি সমীক্ষাত উল্লেখ কৰা হৈছে। ইয়াৰ পাছত তালিকাত আছে ক্ৰমে খুচুৰী বিক্ৰেতা, সমাজকৰ্মী, যোগাযোগ মাধ্যমৰ কৰ্মী, তথ্যপ্ৰযুক্তি ক্ষেত্ৰৰ কৰ্মী, উকিল, বিনোদন জগতৰ মানুহ, কৃষিকাৰ্য আৰু ৰাজনীতিত যুক্ত লোকসকল। পুৰুষৰ ক্ষেত্ৰত সৰ্বাধিক ২৯ শতাংশই কোনো নহয় কোনো প্ৰকাৰে ব্যৱসায়ৰ স'তে জড়িত বুলিও সমীক্ষকসকলে জনাইছে।

অৱশ্যে এই ধৰণৰ সমীক্ষাক কেতিয়াও সামাজিক সত্যৰ সামগ্ৰিক প্ৰতিফলন বুলি ধৰা নহয়। সেয়ে এই ধৰণৰ সমীক্ষাক লঘুভাৱে লোৱাই যুক্তিযুক্ত বুলিও ৱেবছাইটটোত উল্লেখ কৰা হৈছে।



# জলবায়ুৰ বিৰূপ প্ৰভাৱৰ ভয়াৱহতা ঃ পথাৰতে শুকাই সৰিছে খেতিৰ ফচল

## বিস্তৰ ক্ষতিৰ সন্মুখীন কাৰ্বি আংলঙৰ কমলাৰ খেতিয়ক

## পৰিয়াল পোহপালৰ বাবে হাহাকাৰ চকীহোলাৰ জংফা গাঁৱৰ কৃষকৰ

ৰাজু কাঠাৰ
বকলীয়াঘাট, ৩ জানুৱাৰী ঃ কাৰ্বি আংলং-গোলাঘাট জিলাৰ সমীপৱৰ্তী চকীহোলাৰ কমলা বাগানত কমলাৰ উৎপাদন অবিশ্বাস্য হাৰত হ্ৰাস পোৱাৰ ফলত ইয়াৰ স'তে জড়িত কৃষকসকল সংকটৰ সন্মুখীন হৈছে। কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ শিলনীজানৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় ৪৫ কিলোমিটাৰ নিলগৰ চকীহোলাৰ জংফা গাঁও পূৰ্বৰে পৰা কমলা খেতিৰ বাবে বিখ্যাত। মূলতঃ ৩৬টা ৰেংমা নগা সম্প্ৰদায়ৰ পৰিয়ালে বসবাস কৰা গাঁওখনৰ লোকসকলৰ জীৱিকাৰ প্ৰধান সম্বল কমলাৰ খেতি। অঞ্চলটোৰ কে'বাটাও পাহাৰজুৰি বিস্তৃত জংফা গাঁওবাসীয়ে কমলাৰ খেতি কৰি আহিছে। কমলাৰ খেতি কৰিয়েই পৰিয়াল পোহপাল দিয়াৰ লগতে সন্তানৰ পঢ়া-শুনা, চিকিৎসা ব্যয়কে ধৰি সকলোৰে জোৰা মাৰি আহিছে। অঞ্চলটোত তামোলৰ উৎপাদনো যথেষ্ট ভাল যদিও অধিক লাভজনক খেতি হিচাপে পৰিগণিত হৈ অহা কমলা খেতিতেই স্থানীয় কৃষকসকলে অধিক গুৰুত্ব প্ৰদান কৰে। গাঁওখনৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া নিলিপ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ফাংচেৰেপ, বৰলাংছ', চাৰিসুঁতি আদি অঞ্চলসমূহত কম-বেছি পৰিমাণে কমলাৰ উৎপাদন কৰা হয়। চকীহোলাৰ কমলা বজাৰত যথেষ্ট সমাদৰ আছে। জৈৱিকভাৱে উৎপাদিত তথা ৰসাল-সুস্বাদু চকীহোলাৰ কমলা স্থানীয় বজাৰৰ লগতে চুবুৰীয়া বোকাখাত, গোলাঘাট, যোৰহাট আদি জিলালৈও ৰপ্তানি কৰা হয়। কেৱল ইমানেই নহয়, চুবুৰীয়া ৰাজ্য নগালেণ্ড, মণিপুৰৰ বিভিন্ন স্থানতো চকীহোলাৰ কমলাৰ আছে বিশেষ কদৰ। বছৰি কে'বা কোটি টকাৰ কমলা বিক্ৰী হোৱা অঞ্চলটোৰ কৃষকসকলে কমলা খেতিৰ জৰিয়তে পাহাৰীয়া জিলাখনৰ অৰ্থনীতিলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। কমলাৰ উৎপাদনেৰে চহকী কৃষকসকলে অৱশ্যে এইবাৰ কমলা খেতিত প্ৰচুৰ লোকচানৰ সন্মুখীন হয়।

বিগত কে'বাটাও দশক ধৰি প্ৰচুৰ পৰিমাণে কমলাৰ উৎপাদন কৰি অহা চকীহোলাৰ কমলাৰ বাগানসমূহত এইবাৰ উৎপাদনৰ পৰিমাণ প্ৰায় শূন্য। জংফা গাঁৱৰ গাওঁবুঢ়া কেটিংগা চেব ৰেংমাই সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি, উন্নত মানৰ কমলা




উৎপাদনৰ বাবে খেতিয়কসকল ঘাইকৈ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। সেই অনুসৰি, বছৰটোৰ ফেব্ৰুৱাৰী-মাৰ্চত কমলা খেতিৰ বাবে বৰষুণৰ প্ৰয়োজন যদিও যোৱা ফেব্ৰুৱাৰী-মাৰ্চৰ সময়ছোৱাত বৰষুণৰ পৰিমাণ আছিল তেনেই সামান্য। প্ৰকৃতিৰ এনে বিপৰীত স্থিতিৰ মাজতে কমলা ফুলিবলৈ আৰম্ভ কৰে যদিও বছৰটোৰ শেষৰ ফালেও বৰষুণৰ পৰিমাণ তেনেই সামান্য হোৱাৰ ফলত যোৱা ছেপ্তেম্বৰ-অক্টোবৰত গছত কমলা লগাৰ পাছতো অকস্মাতে গছৰ কমলা শুকাই সৰিবলৈ আৰম্ভ কৰে। ফলত উৎপাদন হ'বলগীয়া সমুদায় কমলা শুকাই সৰি বিনষ্ট হয়।

সাধাৰণতে নৱেম্বৰ-ডিচেম্বৰৰ সময়ছোৱাত কৃষকসকলে উৎপাদিত কমলা বিক্ৰী কৰি প্ৰচুৰ লাভ অৰ্জন কৰে যদিও এইবাৰ কমলাৰ উৎপাদন শূন্য হোৱাৰ ফলত বৰদিন উৎসৱ পালন কৰাটোও এইসকল লোকৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰে। জংফাৰ যুৱ কমলা খেতিয়ক এটিল' চেব ৰেংমাই সংবাদ মাধ্যমক কয় যে বিগত প্ৰায় ৩০ বছৰ ধৰি তেওঁ কমলা খেতিৰ সৈতে জড়িত। কমলাৰ খেতিৰ পৰাই তেওঁৰ বছৰি উপাৰ্জন কমেও প্ৰায় ৬-৭ লাখ টকা। এই বিশাল কৃষি ভূমিত খেতিয়কজনৰ এইবছৰৰ উৎপাদিত কমলাৰ সংখ্যা মাত্ৰ ১৭০০ টা। পূৰ্বে ৬-৭ লাখ টকা কমলা উৎপাদনেৰে উপাৰ্জন কৰা ৰেংমাই এইবাৰ মাত্ৰ কমলা উৎপাদন কৰি উপাৰ্জন কৰা ধনৰ পৰিমাণ কেৱল মাত্ৰ তিনি হেজাৰ টকা। অলপতে, জিলা কৃষি বিভাগৰ লোক উপস্থিত হৈ কৃষকসকলক ক্ষয়-ক্ষতিৰ বুজ লোৱা বুলি স্থানীয় কৃষকসকলে জানিবলৈ দিছে। বছৰটোত অবিশ্বাস্যভাৱে কমলাৰ উৎপাদন হ্ৰাস পোৱাৰ ফলত ব্যাপক ক্ষতিৰ সন্মুখীন হোৱা চকীহোলাৰ কমলাৰ খেতিয়কসকলক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদক আহ্বান জনাইছে চকীহোলাৰ এই খেতিয়কসকলে।

# হলৌ বান্দৰৰ বাবে জিলিকিছে এটা অঞ্চল

## গঢ়ি উঠিছে গ্ৰাম্য পৰ্যটন



**ডুমডুমা, ৩ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰণি মতাপুং গাঁও এতিয়া পৰ্যটনৰ কেন্দ্ৰবিন্দু হৈছে। গাঁওখন চৰ্চালৈ অহাৰ কাৰণ হ'ল এখন আন্তৰ্জাতিক পক্ষীবিল আৰু দুষ্প্ৰাপ্য হলৌ বান্দৰৰ উন্মুক্ত বিচৰণ। উক্ত গাঁওখনৰ লগতে এতিয়া সমীপৱৰ্তী বাৰেকুৰি অঞ্চলত গ্ৰাম্য পৰ্যটন গঢ়ি উঠিছে। পৰিভ্ৰমী পক্ষীৰ বাবে মতাপুং মাগুৰি বিল আৰু হলৌ বান্দৰৰ বাবে বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত মতাপুং জিলিকি উঠিছে। ইটালী, ফ্ৰান্স, কানাডা, জাৰ্মানী, ইংলণ্ড, নেদাৰলেণ্ড, চীন আদি বহুতো দেশৰ পৰা পৰ্যটকৰ উপৰি দেশৰ বিভিন্ন ৰাজ্যৰ পৰা পৰ্যটকৰ সোঁত বৈছে। উল্লেখ্য যে মতাপুং-মাগুৰি বিল ২৭ ৩৪ ৪৯.৯২ৰ পৰা ২৭ ৩৪ ৩৪.৯৮ উত্তৰ অক্ষাংশলৈ আৰু ৯৫ ২১ ৩৭.৬৮ৰ পৰা ৯৫ ২৪ ১১.৩৯ পূৰ্ব দ্ৰাঘিমাংশলৈ বিস্তৃত। মতাপুং-মাগুৰি বিলখনক আইবিএ (ইম্প'ৰ্টেন্ট বাৰ্ড এৰিয়া) হিচাপে বাৰ্ড লাইফ ইন্টাৰনেচনেল এণ্ড বোম্বে নেচাৰেল হিষ্ট্ৰি ছ'চাইটি নামৰ এটা বেচৰকাৰী সংস্থাই স্বীকৃতি প্ৰদান কৰিছে। বিলখন শেহতীয়াকৈ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ সংমণ্ডলৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰূপে স্বীকৃতি প্ৰদান কৰিছে। প্ৰকৃতিৰ মনোমোহা অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ-পূব দিশত থকা বাৰেকুৰিৰ পুৰণি মতাপুং গাঁৱত আছে মতাপুং-মাগুৰি বিল। জৈৱ-বৈচিত্ৰ্যৰে ভৰপুৰ তিনিচুকীয়া জিলাৰ পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা ১০ কিলোমিটাৰ আগুৰি থকা এই বৃহৎ বিলখনত নানান প্ৰজাতিৰ স্থানীয় আৰু পৰিভ্ৰমী পক্ষীয়ে বিচৰণ কৰে। বছৰৰ ছেপ্টেম্বৰ-অক্টোবৰৰ পৰা বিলখনলৈ পৰিভ্ৰমী পক্ষীসমূহৰ আগমন ঘটে আৰু মাৰ্চ-এপ্ৰিললৈকে বিলখনত বিচৰণ কৰে। স্থানীয় পক্ষীসমূহ বছৰৰ সকলো সময়তে বিলখনত বিচৰণ কৰি থকা প্ৰত্যক্ষ কৰা হয়। মতাপুং-মাগুৰি বিলখনত ২৯০ টাতকৈ অধিক প্ৰজাতিৰ চৰাই বিচৰণ কৰাৰ তথ্য সদৰী হৈছে। আনকি বিলত বিভিন্ন সৌন্দৰ্যবৰ্ধক মাছ আৰু ছটা প্ৰজাতিৰ দুষ্প্ৰাপ্য কাছৰ প্ৰজাতি পোৱা যায়। আনকি শিহুৱেও বিচৰণ কৰাও প্ৰত্যক্ষ হৈছে। মতাপুং মাগুৰি বিলত দৃষ্টিনন্দন পৰিৱেশে বিৰাজ কৰে। মনোমোহা হৈ পৰিছে বিলৰ পৰিৱেশ। সম্প্ৰতি বনভোজৰ বাবে বহু লোক তথা পৰ্যটকৰ ইয়াত সমাগম ঘটিছে। উল্লেখ্য যে ডিচেম্বৰ, জানুৱাৰীত এই গাঁওখনলৈ অধিক লোকৰ সোঁত বয়। ইপিনে, অঞ্চলটোত বিশ্বৰ বিলুপ্তি প্ৰজাতিৰ জীৱৰ স্থান লাভ কৰা হলৌ বান্দৰৰ বিচৰণ স্থলী। দেশৰ দুই এটা ঠাইতহে এই বান্দৰ দেখিবলৈ পোৱা যায়। বিশ্বৰ পৰা নোহোৱা হোৱাৰ উপক্ৰম হোৱা হলৌ বান্দৰ চাবলৈ বহু লোকৰ সমাগম হয়। হলৌ বান্দৰক পৰ্যটকে খাদ্য সামগ্ৰী দি নিচেই ওচৰৰ পৰা চোৱাৰ সৌভাগ্য ঘটিছে। আনহাতে, অঞ্চলটোত ১৫টা প্ৰজাতিৰ বাঁহ আৰু ১৫টা প্ৰজাতিৰ অৰ্কিড পোৱা যায়।

## ১৫ বিঘা অৰণ্য ভূমি সংৰক্ষণ কৰি ৰাখিছে পশু-পখী, জীৱ-জন্তুৰ বাবে

# প্ৰকৃতিপ্ৰেমী-আদৰ্শ কৃষক পোনাৰাম ঠেঙাল দৈয়াঙৰ গৌৰৱ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৩ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত একাংশ লোকে বন ধ্বংস কৰি থকাৰ সময়তে গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ তথা ঘিলাধাৰী-জামুগুৰি বন বিভাগৰ অধীনৰ মেৰাচুক গাঁৱৰ পোনাৰাম ঠেঙাল নামৰ প্ৰকৃতিপ্ৰেমী লোকজনে নিজৰ ১৫ বিঘা ভূমি বনাঞ্চলৰূপে সংৰক্ষণ কৰি ৰাখিছে। চাউদাং পথাৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সহকাৰী শিক্ষক, আদৰ্শ কৃষক, মীনপালক তথা প্ৰকৃতিপ্ৰেমী পোনাৰামে ঘৰৰ পাছফালে ১৯৮৫ৰ পৰাই ১৫ বিঘা নিজা ভূমি বনাঞ্চলৰূপে সংৰক্ষণ কৰি ৰাখিছে। তেওঁ এই অৰণ্যখনত চাম, বঁহত, পাৰলি, পমা, এমাৰি, চেগুন, শাল আদি বিভিন্ন মূল্যবান গছ, পাটিদৈ, চেং মৰা, ভেদাইলতা, নৰসিংহ, বগীটেঙা, কুকুৰদঁতীয়া, টিকনী বৰুৱা, মেজেঙা, মেজাংকৰী, ৰাঙলী বেত, দেউ বিহ, কুঁচিয়া লতা, ঢেঁকীয়ালতা, কপৌলতা, ঘিলালতা, কাউৰীলতা আদি বিলুপ্তি



ঘটা ঔষধী গুণ বিশিষ্ট গছ-লতিকা, বজাল বাঁহ, মাহী থেকেৰা, পনিয়ল, লেটেকু, মধুৰি আদি ফলমূলৰ গছেও অৰণ্যখন বিৰাজ কৰি তুলিছে। ইফালে, এই অৰণ্যখনত শিয়াল, শহাপহু, জহামাল, বনৰৌ, নেউল, বিষাক্ত সাপ, ঢোৰা কাছৰ লগতে মাজে সময়ে বাঘ আদিয়েও বিচৰণ কৰে। অৰণ্যখনত বিলুপ্তপ্ৰায় কুকুহা, কাম চৰাই, হাইঠা, পৰঘূমা, বুলবুলি, ভাটৌ, ঋতু অনুযায়ী কুলি, কেতেকী, বিভিন্ন প্ৰজাতিৰ হাঁহ আদিৰো বিচৰণ ভূমি। পিছে অৰণ্যখন চাৰিওফালে মুক্ত হৈ থকাত ইয়াত বিচৰণ কৰা ঢোৰা কাছ, জহামাল, বনৰৌ আদি বাহিৰলৈ ওলাই যাওঁতে একাশ অসাধু লোকে ফান্দ পাতি বা অন্য প্ৰকাৰে এই জীৱ-জন্তুবোৰ নিধন কৰি ভক্ষণ কৰাৰ লগতে অৰণ্যখনৰ পৰা পাতিদৈ, বেত, চেংমৰা আদি অবাধে কাটি নি অনিষ্ট সাধন কৰাৰ অভিযোগ উঠিছে। এই অৰণ্যখনৰ চাৰিবেৰা নথকাৰ বাবে দুষ্কৃতিকাৰীয়ে গছ-বন কাটি তহিলং কৰি আহিছে। সেয়েহে চৰকাৰক এই অৰণ্যখনৰ চাৰিওফালে পকী বা কাঁটা তাঁৰৰ বেৰ দি সংৰক্ষণ কৰিবলৈ সচেতন ৰাইজে আহ্বান জনাইছে।

ইপিনে, এই প্ৰতিবেদকৰ আগত প্ৰকৃতিপ্ৰেমীজনে কয়, 'বহুত কষ্ট আৰু ত্যাগৰ বিনিময়ত এই অৰণ্যাভূমি ডোখৰ সংৰক্ষণ কৰি ৰাখিছো। এই অঞ্চলটোৰ বহু পশু-পখী আৰু বনৰীয়া জীৱ-জন্তু এই অৰণ্যত আশ্ৰয় লৈ আছেহি। সেই পশু-পখী আৰু জীৱ-জন্তুবোৰক যদি মই পৰ্যাপ্ত সুবিধা দিব পাৰো তেতিয়া অধিক পশু-পখী আৰু জীৱ-জন্তুৱে জীয়াই থাকিবলৈ সুবিধা পাই বংশ বৃদ্ধি কৰিব।' সেয়েহে তেওঁ চৰকাৰক এই ক্ষেত্ৰত কিছু সহায় কৰিবলৈ আহ্বান জনাইছে।

# হোজাইত পৃথক পথ দুৰ্ঘটনাত দুজন নিহত

অগ্ৰদূত বাৰ্তা
**হোজাই/যমুনামুখ, ৩ জানুৱাৰী ঃ** হোজাই জিলাত বিগত ২৪ ঘণ্টাত সংঘটিত পৃথক পথ দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হয়। আজি দিনৰ ভাগত জিলাখনৰ ডবকাত পথ দুৰ্ঘটনাত এজন থিতাতে নিহত হয়। ডবকা ষ্টেট বেংক বাইপাছত সংঘটিত হয় এই দুৰ্ঘটনাটো। দুৰ্ঘটনাত মৃত্যু হোৱা সুধীৰ কুৰি নামৰ ৭৫ বছৰীয়া বৃদ্ধজনৰ ঘৰ ডবকাত। লংকাৰ পৰা নগাঁও অভিমুখে গৈ থকা এখন তীব্ৰ বেগী ৱাগনআৰ বাহনে প্ৰচণ্ড জোৰে খুন্দা মাৰে বৃদ্ধজনক। এমএল-০৫ পি-৬৭২০ নম্বৰৰ বাহনৰ খুন্দাত বৃদ্ধজন নিহত হোৱাৰ পাছত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

ইফালে, যোৱা নিশা হোজাইৰ ৰাধানগৰত সংঘটিত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু। এচি-২৫ ডিচি-৮৬৭৩ নম্বৰৰ টাটা মেজিক গাড়ীৰ খুন্দাত নিহত হয় অভিজিত ৰয় নামৰ চাইকেল আৰোহীজন। বনভোজৰ পৰা উভতি অহা মেজিকখনে নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাগ্ৰস্ত হোৱাত কে'বাজনো যাত্ৰীও আহত হয়। অভিযোগ মতে, চালকজন সুৰামত্ত অৱস্থাত আছিল।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com